# শিৱসাগৰ ছোৱালী কলেজ আলোচনী

কলেজ আলোচনী



১৯৯৭-৯৮ বৰ্ষ

SIBSAGAR GIRLS' COLLEGE LIBRARY
Dt ...
SIBSAGAR

# শিৱসাগৰ
# ছোৱালী কলেজ আলোচনী

Sibsagar Girls' College
785640.

১৯৯৭-৯৮ বৰ্ষ

— সম্পাদনাত —
শ্ৰীমতী দীপজ্যোতি শইকীয়া



# উছৰ্গা

ভৱিষ্যতৰ দিনবিলাক উজ্জ্বল হোৱাৰ
কামনাৰে বহু আশাৰে শিৱসাগৰ
ছোৱালী কলেজত অৱতীৰ্ণ হোৱা
নৱাগতা ছাত্ৰী-বান্ধৱীসকলৰ হাতত
শিৱসাগৰ ছোৱালী কলেজৰ ১৯৯৭-৯৮ বৰ্ষৰ
আলোচনীৰ সংকলনটি
উছৰ্গা কৰিলো।

# সম্পাদনা সমিতি

সভাপতি ঃ
অধ্যক্ষ শ্ৰীযুত বীৰেণ তালুকদাৰ

উপদেষ্টা ঃ
অধ্যাপক শ্ৰীযুত সোনাৰাম বৰুৱা
অধ্যাপিকা শ্ৰীযুত যমুনা গোঁহাই
অধ্যাপিকা মনোৱাৰা বেগম

সম্পাদিকা ঃ
দীপজ্যোতি শইকীয়া

সদস্যা ঃ
মাম্পী বৰুৱা
সুদৰ্শনা বৰা
মনালিচা দত্ত
ৰুলী ফুকন

অলংকৰণ ঃ
সুদৰ্শনা বৰা

অংগসজ্জা/পৰিকল্পনা ঃ
দীপজ্যোতি শইকীয়া


মুদ্ৰণ, বেটুপাত, অলংকৰণ ঃ
ৰূপালীম প্ৰকাশন
বাবুপট্টি, শিৱসাগৰ

প্ৰকাশক ঃ
শিৱসাগৰ ছোৱালী কলেজৰ
ছাত্ৰী একতা সভা
১৯৯৭-৯৮ বৰ্ষ।



শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ
**শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ তালুকদাৰ**

# কৃতজ্ঞতাৰ শৰাই

*মহাবিদ্যালয়ৰ অধ্যক্ষ*
শ্ৰীযুত বীৰেণ তালুকদাৰ
*অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতিত্ৰয়*
যতীন্দ্ৰনাথ গোস্বামী
লক্ষ্যধৰ চৌধুৰী
বীৰেণ বৰকটকী

যোগেন চেতিয়া, *শিৱসাগৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক*
ইমৰাণ শ্বাহ, *শিৱসাগৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক*
দ্ৰোণ কলিতা , *প্ৰাক্তন মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ, শি. ছো. মহাবিদ্যালয়*
অৰুণ বৈৰাগী, অধ্যাপক
ৰণজিৎ তামুলী, অধ্যাপক
অসমী গগৈ, অধ্যাপিকা
সোণাৰাম বৰুৱা
যমুনা গোহাঁই
মনোৱাৰা বেগম
} *উপদেষ্টা সাহিত্য আৰু আলোচনী বিভাগ*

❖ মহাবিদ্যালয়ৰ সমূহ সন্মানিত অধ্যাপক, অধ্যাপিকা, গ্ৰন্থাগাৰ আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

❖ মোৰ কাৰ্য্যকালত বিভিন্ন সময়ত সহায়-সহযোগ আগবঢ়োৱা পূৰ্ণিমা, ৰুমীজ্যোতি, বুলবুলি, মনালিচা, দেৱীকা, সুদৰ্শনা, দিপশিখা, মৈত্ৰী আদি ছাত্ৰী-বান্ধৱীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

❖ ছাত্ৰী একতা সভাৰ সমূহ সদস্যালৈ মোৰ কৃতজ্ঞতাৰ শৰাই নিবেদন কৰিছোঁ।

❖ ৰূপালীম প্ৰকাশনৰ সমূহ কৰ্মচাৰী বৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

— সম্পাদিকা

আলোচনী

Prof. Jatindranath Goswami
Ex-President Asam Sahitya Sabha
"RODALI"
Natun Para
Jorhat -785 001 (Assam)
Phone : 322788

অধ্যাপক যতীন্দ্ৰনাথ গো
সাহিত
'ৰদা
নতুন
যোৰহাট-৭৮৫
৬.:

# শুভেচ্ছা বাণী

শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ আলোচনী বিভাগৰ সম্পাদিকা শ্ৰীমতী দীপজ্যোতি শইকীয়াই আমাক জনাইছে যে উক্ত মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ চনৰ আলোচনীখনৰ সম্পাদনা কাৰ্য্য 'পূৰ্ণগতিত চলি' আছে।

একোখন আলোচনী একোখন মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ চিন্তা-চৰ্চা আৰু বুদ্ধি-বৃত্তিৰ দৰ্পন স্বৰূপ। ইয়াৰ জৰিয়তে তেওঁলোকৰ প্ৰতিভা অঙ্কুৰিত হয়।

আশা কৰোঁ প্ৰস্তাৱিত আলোচনীখন কবিতা, গল্প, প্ৰবন্ধ আদিৰে সু-সম্পাদিত হৈ প্ৰকাশ পাব।

ইতি

শ্ৰী যতীন্দ্ৰনাথ গোস্বামী

# — সূচীপত্ৰ —


| | | | |
|---|---|---|---|
| সম্পাদকীয় | - | | |
| **প্ৰবন্ধ ঃ** | | | |
| সম্ৰাট ৰজনীকান্ত বৰদলৈৰ উপন্যাসত বাস্তৱতা | - | অঞ্জলি বড়া | ১ |
| মহান বিজ্ঞানী লুই পাস্তুৰ | - | বিথীকা দত্ত | ৩ |
| জাতীয় সংহতি ৰক্ষাত মহিলাই ল'ব পৰা ভূমিকা | - | অঞ্জুমণি বড়া | ৬ |
| ভেঁজালকৰণৰ ভয়াবহতা | - | প্ৰণৱজ্যোতি ভৰালী | ৯ |
| একবিংশ শতিকাৰ প্ৰাক্‌মুহূৰ্ত্তত আমাৰ বৈজ্ঞানীক মানসিকতা | - | দীপামনি দাস | ১৩ |
| সম্প্ৰতি পৰিবেশ সংৰক্ষণৰ প্ৰয়োজনীয়তা কিমান? | - | ৰেখা বৰগোঁহাই | ১৬ |
| আধুনিক উচ্ছৃংখল যুৱ সমাজ | - | জুৰি চেতিয়া | ১৮ |
| বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ ওপৰত চিনেমাৰ প্ৰভাৱ | - | মনালিছা দত্ত | ২০ |
| অসমৰ ভাস্কৰ্য | - | স্মৃতি বৰুৱা | ২১ |
| কফি বিজ্ঞান | - | অঞ্জনা চন্দ | ২২ |
| **ভ্ৰমণ কাহিনী ঃ** | | | |
| তিৰুপতি দৰ্শন কৰিলো | - | ৰিজুমী শইকীয়া | ২৪ |
| **ৰস ৰচনা ঃ** | | | |
| চুলি | - | দেবীকা দত্ত | ২৮ |
| **সাক্ষাৎকাৰ ঃ** | | | |
| সান্নিধ্যৰ সোণোৱালী আভাৰে ককা লক্ষ্যধৰ চৌধুৰী | - | দীপান্বিতা বৰা | ২৯ |
| **কবিতা ঃ** | | | |
| ইয়াত জীৱনৰ মূল্যই বা কিমান ? | - | ৰেখা বৰগোঁহাই | ৩৩ |
| বিদায় | - | লীনা বৰুৱা | |
| আত্মা | - | মনু দত্ত | ৩৪ |
| প্ৰতিশ্ৰুতি | - | মানবী বৰপাত্ৰ গোঁহাই | |
| সংঘাত | - | উৎকৰ্ষা বৰুৱা | ৩৫ |
| প্ৰতিটো ক্ষণ বসন্তৰ | - | মিতালী বৰগোঁহাই | |
| বহাগ | - | দ্বীপন্বিতা বৰা | ৩৬ |
| কবিতা | - | বীনাপানি গগৈ | |

জীৱন - কুইন গগৈ ৩৭
তুমি নাই - অঞ্জনা চন্দ
গল্প ঃ
অস্তগিৰিত মাৰ যোৱা সূৰুয - জীনামণি বৰগোঁহাই ৪১
অনির্বাণ - ৰূপামণি বেজবৰুৱা ৪৩
এইখন সমাজতে - পাপৰী চাংমাই ৪৫
স্বাধীনতা - দীপামণি দাস ৪৭
সম্পাদিকাৰ প্রতিবেদন ঃ
সাধাৰণ সম্পাদিকাৰ প্রতিবেদন - মাম্পী বৰুৱা ৪৯
সহকাৰী সাধাৰণ সম্পাদিকাৰ প্রতিবেদন - ৰুলী ফুকন ৫৩
সাহিত্য আৰু কলেজ আলোচনী বিভাগৰ সম্পাদিকাৰ প্রতিবেদন - দীপজ্যোতি শইকীয়া ৫৪
ক্রীড়া বিভাগৰ সম্পাদিকাৰ প্রতিবেদন - ভানু বুঢ়াগোঁহাই ৫৭
সঙ্গীত বিভাগৰ সম্পাদিকাৰ প্রতিবেদন - সংগীতা গগৈ ৫৯
সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্রতিবেদন - ছফিয়া বেগম ৬১
তর্ক বিভাগৰ সম্পাদিকাৰ প্রতিবেদন - মধুস্মিতা গগৈ ৬২
ছাত্রী জিৰণী কোঠাৰ সম্পাদিকাৰ প্রতিবেদন - বন্দনা মহন্ত ৬৩
সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্রতিবেদন - মৰমজ্যোতি দাস ৬৪
সংগীত বিভাগৰ সহকাৰী সম্পাদিকাৰ প্রতিবেদন - পপী গগৈ ৬৪
ক্রীড়া বিভাগৰ সহকাৰী সম্পাদিকাৰ প্রতিবেদন - মমী বৰুৱা ৬৫
ENGLISH SECTION :
A, Study of the Marxian Theory of Suplus Value - Buddhin Misra ৬৯
Women in National Development - Gauri Baruah ৭৬
Pollution a threat to life - Sayeda Farhara Rahman ৭৮
Place of English in India - Urmi Baruah ৮৩
Achievement of this millennium - Jinat Rushana Yead (Farah) ৮৫
Flora and Fauna in Assam - Rajoshree Neogi ৮৭
The forgotten black empire : Zimbabwe - Samina Yasmin ৮৮
Quotable Notes - Lipika Gogoi ৮৯
Acquint yourself with - Guari Bora ৮২
Do not loose your identity - Shabiha Shaihin Hussain ৯০
Fun time Jokes - Lipika Gogoi ৯০

# সম্পাদকীয়

**দুঃসময়ৰ সাহিত্য আৰু ইয়াৰ কিছু চিন্তাধাৰা ঃ**

বৰ্তমান সময় বৰ দুঃসময়। এই দুঃসময়ৰ বুকুতেই সাহিত্যৰ যোগেদি আমি গঢ়ি তুলিব লাগিব মানৱ জাতিৰ সুস্থ মানসিকতা। কাৰণ সাহিত্যই হৈছে এটা জাতিৰ জীৱন্ত ইতিহাস। এই ইতিহাসেই সময়ৰ লগত খোজ মিলাই মানৱ জাতিক নতুনত্ব আনি দিয়ে। ইতিহাসেই আমাক কৈ আহিছে প্ৰতিটো যুগতেই মানৱ সমাজ সন্মুখীন হৈছে জীৱনৰ হতাশগ্ৰস্ততা আৰু তাৰ পৰা উদ্ধাৰ হ'বলৈ মানুহৰ সৃষ্টিধৰ্মী মনত সৃষ্টি হৈছে নতুন চিন্তাধাৰাৰ।

এই চিন্তাধাৰাৱে সময়ৰ বুকুত স্থায়ী হৈ ইতিহাস হৈছে আৰু বৰ্তমানক অতীতৰ মানৱ সমাজখনৰ লগত চিনাকী কৰি দিছে। আৰু ইতিহাস ৰচনা হয় সাহিত্যৰ যোগেদি। এই সাহিত্য সৃষ্টি কৰা সাহিত্যিকসকলৰ চিন্তাধাৰাই মানৱ সমাজক নতুন চিন্তাধাৰাৰ খোৰাক দিব পাৰে। সাহিত্যিকসকলক এজন এজন শিল্পী বুলি কোৱা হয়। কাৰণ শিল্পীসকলে মানৱ সমাজৰ জীৱন্ত ছবিখন ফুটাই তুলিব পাৰে আৰু সাহিত্যিকসকলে তেওঁলোকৰ লিখনিৰ যোগেদি এই কাম কৰিব পাৰে। মানৱ জাতিৰ সংগ্ৰামী জীৱনত সাহিত্যই প্ৰকৃত জীৱনৰ পথ দেখুৱাব পাৰে। আমি আজি দেখিবলৈ পাইছোঁ বিশ্বৰ বিভিন্ন প্ৰান্তৰ সাহিত্যৰ মাজত যি প্ৰয়োভৰ ঘটিছে ই সাহিত্যৰ বাবে সু-খবৰ। কিন্তু বৰ্তমান সময়ত ই মানৱ সমাজৰ মাজত জনপ্ৰিয়তা লাভ কৰিব পৰা নাই। কাৰণ আজিৰ সমাজৰ চিন্তাধাৰাবিলাক হৈ পৰিছে যান্ত্ৰিক। যান্ত্ৰিকতাই মানুহৰ সমাজখনক যিমান ওচৰ চপাই দিছে মানুহৰ মনবোৰ সিমানে ধ্বংসমুখীহে কৰি তুলিছে। এই সন্ধিক্ষণত আমি নিজকে সচেতন কৰি গঢ়ি তুলিব লাগিব। তেতিয়াহে ভৱিষ্যতৰ সমাজখন আমাৰ বাবে অমূল্য সম্পদ হ'ব। আমি অনুভৱ কৰিছো আজি মানৱ সমাজৰ চাৰিওফালে হাঁহাকাৰ, লুণ্ঠন, হত্যা, ধৰ্ষণ, বোমা বিস্ফোৰণ ; কিন্তু এইবোৰ কিহৰ বাবেহে? আমি আজি বিচাৰিছো কি ? আৰু এই প্ৰশ্নৰ উত্তৰ দিবই বা কোনেহে? এই কথাবিলাক চিন্তা কৰাৰ সময় আহি পৰিছে। যদি সাহিত্যিকসকলে তেওঁলোকৰ মননশীল লিখনিৰ যোগেদি আমাৰ সমাজখনক ৰক্ষা কৰিব পাৰে তেতিয়াহ'লে কুৰি শতিকাৰ দুৱাৰদলিত ভৰি দিম আমি এখন নতুন পৃথিৱীত।

**কুৰি শতিকাৰ দুৱাৰদলিত নাৰীসকলৰ ভূমিকা ঃ**

কুৰি শতিকাত ভৰি দিবলৈ মাত্ৰ আৰু কেইটামান দিন বাকী। আৰু এই সময়তো অতি দুখ আৰু পৰিতাপৰ কথা যে নাৰীসকলেই ভুগি আহিছে অতীতৰ পৰা বৰ্তমানলৈকে জীৱনৰ যন্ত্ৰণা। ইয়াৰ প্ৰতিবাদ কৰিও নাৰীসকলে

কোনো সুফল পাবলৈ সক্ষম হোৱা নাই। আজি নাৰী স্বাধীনতাৰ নামত এচা নাৰীয়ে বিশ্বৰ দৰবাৰত, অলিয়ে-গলিয়ে প্ৰতিবাদৰ জোৱাৰ তুলিছে আৰু এচা নাৰী নিজৰ জীৱিকাৰ তাড়ণাত কিছুমান দুষ্ট চৰিত্ৰৰ চক্ৰত পণ্য সামগ্ৰীৰ দৰে ব্যৱহাৰ হৈছে।

আমি দেখি আহিছো আধুনিক নাৰীসকলে পুৰুষৰ সমানে সকলো দিশতে নিজৰ স্থান দখল কৰি আহিছে। শিক্ষা, ৰাজনীতি, সামৰিক বাহিনীৰ পৰা খেল জগতলৈকে দপদপাই ঘুৰিছে। তথাপি নাৰীসকলৰ নিৰাপত্তা নাই। প্ৰতিদিনে বিশ্বত ঘটিব লাগিছে নাৰী সংক্ৰান্তীয় বহুতো কেলেংকাৰী। গতিকে নাৰীসকলে নিজ স্থানত স্থিৰ হৈ থাকিবলৈ সুস্থ মানসিকতাৰে সমাজখনক পৰিচালনা কৰিব পাৰিব লাগিব। নাৰীয়ে কেতিয়াও অকলে নাৰী স্বাধীনতা লাভ কৰিব নোৱাৰে। তেওঁলোকে পুৰুষৰ সৈতে হাত মিলাইহে সুস্থ সমাজ এখন গঢ়ি তুলিব পাৰিব আৰু তেতিয়াহে নাৰী স্বাধীনতা সম্ভৱ হ'ব। আৰু তেওঁলোকেই সমাজখনক আন্ধাৰৰ পৰা পোহৰলৈ গতি কৰাই নতুনত্ব প্ৰদান কৰিব পাৰিব। গতিকে আমি সেইসকল মহীয়সী নাৰীৰ আদৰ্শ লোৱা উচিত, যিসকলে দেশ আৰু জাতিৰ উন্নতিৰ হকে কাম কৰি গৈছে।

আজি অসমৰ আকাশে-বতাহেও নাৰী স্বাধীনতাৰ জোৱাৰ উঠিছে। ইয়াৰ উপৰিও যিখন অসমত নাৰীক মাতৃ হিচাবে পূজা কৰা হয়, সেইখন অসমতে কিশোৰীৰ পৰা বোৱাৰীলৈকে ধৰ্ষিতা হৈছে। সাম্প্ৰদায়িক সংঘৰ্ষ, বোমা বিস্ফোৰণ, হত্যা সকলোবিলাক চলিছে। অসমীয়া জাতিৰ আজি সংকটপূৰ্ণ অৱস্থা। এই সংকটপূৰ্ণ অৱস্থাত ভাতৃত্বৰ দোলেৰে বান্ধিবলৈ নাৰীসকলেই প্ৰধান ভূমিকা লোৱা উচিত। নহ'লে এটা জাতি অনিশ্চয়তা আৰু ধ্বংসৰ গৰাহত লুপ্ত হৈ পৰিব। নাৰীসকলৰ ওপৰতেই আমি আস্থা ৰাখিছো। মাতৃময়ী, ভগ্নী, পত্নীসকলেই এই ধ্বংসৰ গৰাহৰ পৰা আমাক ৰক্ষা কৰক। তেতিয়াহে আমি হ'ব পাৰিম একবিংশ শতিকাত থিয় দিয়া এক সভ্য জাতি।

শ্ৰীদীপজ্যোতি শইকীয়া

Sibsagar Girls' College.

Dated 28th

# প্রবন্ধ

# সম্ৰাট ৰজনীকান্ত বৰদলৈৰ উপন্যাসত

# বাস্তৱতা

✎ অঞ্জলি বড়া

স্নাতক তৃতীয় বাৰ্ষিক, অসমীয়া (সন্মান)

অসমীয়া সাহিত্যৰ বুৰঞ্জীত ৰজনীকান্ত বৰদলৈ এটি স্মৰণীয় নাম। জোনাকী যুগৰ পৰা আৰম্ভ কৰি আৱাহন যুগলৈকে অৰ্দ্ধ শতাব্দী কাল তেওঁ নিৰৱচ্ছিন্নভাৱে নানা দিশত অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিলৈ অবিস্মৰণীয় অৱদান দি থৈ গৈছে। সাহিত্যৰ অন্যান্য দিশতকৈ উপন্যাসৰ ক্ষেত্ৰত বৰদলৈ অদ্বিতীয় সাহিত্যিক ৰূপে সন্মানিত হৈ আহিছে। ব্যাপক অভিজ্ঞতা, গধীৰ উপলব্ধি, সুক্ষ্ম অনুভূতি উদাৰ দৃষ্টিভংগী আৰু অনিৰ্ব্বচনীয় অসম প্ৰীতিয়ে বৰদলৈৰ উপন্যাসৰাজিক বৰ্তমানেও পাঠক সমাজত সজীব আৰু আদৰণীয় কৰি ৰাখিছে। তেওঁৰ ঐতিহাসিক উপন্যাসৰ প্ৰসঙ্গত পণ্ডিত প্ৰবৰ ড° সত্যেন্দ্ৰনাথ শৰ্মাই মন্তব্য কৰিছে – "ৰজনীকান্ত বৰদলৈৰ হাতত অসমীয়া ঐতিহ্যসিক উপন্যাসে পূৰ্ণ প্ৰতিষ্ঠা লাভ কৰিছে। বৰদলৈক অতিক্ৰম কৰি যাব পৰা ঐতিহাসিক উপন্যাসিক দ্বিতীয় এজন অজিকোপতি ওলোৱা নাই।" তেওঁ অসমীয়া উপন্যাসক এক নতুন আঙ্গিক আৰু প্ৰাঞ্জল প্ৰকাশ ভঙ্গীৰে মাধুৰ্য্য দান কৰি সৰ্বভাৰতীয় মানদণ্ড পৰ্য্যবসিত কৰিব পাৰিছে। সাৰ্থক সামাজিক উপন্যাস "মিৰি জিয়ৰী" লিখি বৰদলৈয়ে জনজাতীয় মিছিং সমাজখন অজনজাতীয় লোকৰ ওচৰ চপাই দি অসমৰ পৰ্বত ভৈয়ামৰ সম্প্ৰীতিৰ সেতু উনবিংশ শতিকাতে নিৰ্মাণ কৰি থৈ গৈছে। তাৰ ফল আজিও সংমিশ্ৰিত অসমীয়া সমাজে ভোগ কৰি আছে। উপন্যাসৰ মাধ্যমত বৰদলৈয়ে অসমৰ ৰাজনীতি, অৰ্থনীতি, ধৰ্মনীতি, সমাজনীতি, সাহিত্য, সংস্কৃতি আৰু জাতীয় আদৰ্শ সম্পৰ্কে ভালেখিনি তথ্য আৰু তত্বৰ সন্ধান দিছে। বৰদলৈয়ে অকল উপন্যাসৰ ক্ষেত্ৰতে নহয় সাহিত্যৰ অন্যান্য দিশতো ভালেখিনি অৰিহণা যোগাইছে। চুটিগল্প, নাটক, জীৱনী, বুৰঞ্জী, ভ্ৰমণ কাহিনী পুৰাণতত্ব, সংস্কৃতি, বিজ্ঞান, ব্যঙ্গৰচনা, প্ৰবন্ধ আলোচনা ইত্যাদি দিশবোৰতো তেওঁৰ যুগোপযোগী বৰঙনি অনস্বীকাৰ্য্য।

১৮৬৭ চনৰ ২৪ নৱেম্বৰত গুৱাহাটীৰ কুকুৰ মংতা গাৱঁত বিজয়খড়ি বংশৰ সুপুৰুষ নবকান্ত শৰ্মাৰ ঘৰত ৰজনীকান্ত বৰদলৈৰ জন্ম হয়। ৰজনীকান্তৰ বিদ্যা আৰম্ভ হয়, দেউতাক আৰু মোমায়েকৰ যত্নত। ঘৰতে শশধৰ দেৱ শৰ্মাৰ ওচৰত পঢ়ি ইংৰাজী স্কুলৰ লাষ্ট ক্লাছত তেওঁক ভৰ্ত্তি কৰি দিয়া হয়। সৰুকালৰে পৰা তেওঁৰ শিক্ষাৰ প্ৰতি বৰ ধাউতি আছিল। ৰজনীকান্তই ৯ বছৰ বয়সত ভৰি দিওঁতে দেউতাক ঢুকায়। হঠাতে অভিভাৱকহীন হলেও মাক আৰু মোমায়েকৰ তত্বাৱধানত তেওঁ পঢ়া শুনা কৰি থাকে। ১৭ বছৰ বয়সত ১৮৮৫ খৃঃত ৰজনীকান্তই গুৱাহাটীৰ চেমিনাৰী স্কুলৰ পৰা দ্বিতীয় বিভাগত এণ্ট্ৰেন্স পাছ কৰে। সেই সময়ত অসমত কোনো কলেজ নাছিল। অসমীয়া লৰাই উচ্চ শিক্ষা লাভৰ আশা এৰি দিছিল। সৌভাগ্যক্ৰমে ৰজনীকান্তই অসমৰ চীফ কমিছনাৰ চাৰ এলিয়ট চাহাবে উচ্চ শিক্ষাৰ বাবে আগবঢ়োৱা কুৰিটকীয়া বৃত্তি লাভ কৰি কলিকতালৈ যায় আৰু মেট্ৰোপলিটান চিটিত পঢ়িবলৈ লয়। ১৮৮৭ খৃঃত তেওঁ তাৰ পৰা প্ৰথম বিভাগত এম, এ পঢ়ি থকা সময়তে জয়নাথ বৰদলৈৰ কন্যা স্বৰ্ণময়ী দেৱীৰ লগত ৰজনীকান্তৰ বিয়া হৈছিল।

উপন্যাসত বাস্তৱবাদৰ প্ৰয়োগ সম্পৰ্কে বৰদলৈৰ ধাৰণা স্পষ্ট আছিল । সেইকাৰণে তেওঁৰ উপন্যাস সমূহৰ ঘটনা, চৰিত্ৰ সিবিলাকৰ কাৰ্য্য আৰু পৰিণাম সঁচা বুলি পাঠকৰ নামত দ্বিধাহীন ভাব উপজে । তেওঁৰ উপন্যাসৰাজী

সাক্ষাৎ মানুহৰ কাহিনী কল্পনাৰ ছায়া ছবি নহয় । বৰদলৈৰ উপন্যাসত বাস্তৱতা মানে দৈনন্দিন জীৱনৰ বাস্তৱতা। তেওঁৰ উপন্যাসত সেইবাবেই বাস্তৱতাৰ প্ৰকাশৰ শিল্পচাতুৰ্য্য নিহীত হৈ আছে ।

বাস্তৱতাৰ মধুৰ প্ৰয়োগ হ'ল বৰদলৈৰ উপন্যাসৰ শেষ বৈশিষ্ট্য । এনে প্ৰয়োগৰ উৎস হ'ল বৰদলৈৰ ব্যাপক জ্ঞান, সূক্ষ্ম দৃষ্টি আৰু প্ৰত্যক্ষ অভিজ্ঞতা । বৰদলৈয়ে মুঠতে ৯ খন উপন্যাস লিখিছে । তাৰে 'খাম্বাখোইবীৰ সাধুকথা' নামৰ পুথিখনক প্ৰকৃতাৰ্থত উপন্যাস বুলি ক'ব নোৱাৰি। কাৰণ সেইখনত অতি মানৱীয় প্ৰকৃতি বিদ্যমান। ১৯০৯ চনৰ আলোচনী' কাকতৰ ৭ম সংখ্যাত তেওঁ "মণিপুৰী জাতি" শিৰোনামাৰে এটি দীঘল প্ৰবন্ধ লিখিছিল।

উপন্যাস লিখাৰ বাবে যে শাৰিৰীক আৰু মানসিক পৰিশ্ৰমৰ আৱশ্যক হয় বৰদলৈয়েহে পোন প্ৰথমে অসমীয়াক দেখুৱাইছে । দেশী-বিদেশী লিখকৰ কেবাখনো বুৰঞ্জীয়ে সাক্ষী দিয়া মানৰ তৃতীয় আক্ৰমণৰ কেইটিমান মৰ্মান্তিক দৃশ্য "মনোমতী" উপন্যাসত যিমান সজীৱভাৱে অঙ্কিত হৈছে আন কোনো উপন্যাসত সিমান জীৱন্তভাৱে হোৱা নাই । অষ্টাদশ শতিকাৰ শেষ আৰু ঊনবিংশ শতিকাৰ আৰম্ভণিত অসমীয়া লোকৰ মানসিক সংঘাত, ভাঙনমুখী চিন্তা, জাতীয় দুৰ্বল সামাজিক চিত্ৰ, সাংস্কৃতিক বাতাবৰণ আদি বিশ্বাস যোগ্যভাৱে ইয়াত বৰ্ণিত হৈছে।

১৯০৯ চনত প্ৰকাশিত "দন্দুৱা দ্ৰোহ" উপন্যাসৰ উৎস হ'ল বৰদলৈৰ বুৰঞ্জী স্পৃহা আৰু তথ্যানুসন্ধান । কামৰূপৰ পাতিদৰং অঞ্চলত তেওঁ তহচিলদাৰ হৈ থাকোতে ইয়াৰ বাবে সমল গোটাইছিল বৰদলৈয়ে। সেই সময়ত মাটি পিয়ল কৰি ফুৰোতে এদিন গাঁৱৰ এজন বুঢ়াই জাৱণি এখনলৈ আঙুলিয়াই জিকেৰীয়া বৰুৱা বৰদত্ত আৰু বীৰদত্তৰ গাঁও তাতেই আছিল বুলি দেখুৱাইছিল । সেই সময়ত বেজবৰুৱাৰ 'পদুম কুঁৱৰী নামৰ উপন্যাসখন এই হৰদত্ত বীৰদত্তৰ কাহিনীৰ আধাৰত ৰচিত হৈ ওলাইছিল। স্থানীয় হৰদত্ত বীৰদত্তৰ বিষয়ে নানা কথা শুনাৰ উপৰিও গীত পদো কেইটামান পাই এই সকলোবিলাক গোটাই দন্দুৱা দ্ৰোহৰ কাহিনী জুকিয়াই লৈ এই উপন্যাসখন লিখে। 'ৰঙ্গিলী' উপন্যাসখন ১৯১০ চনত আধালিখা কৰি ১৯২৫ চনত শেষ কৰি ছপোৱা হয়। পুৰণি অসমৰ বুৰঞ্জীমূলক ঘটনা, অসমীয়া লোকৰ ৰীতি-নীতি আৰু মানৰ দিনৰ কথা কেইটামান প্ৰণয় চিত্ৰৰ মাজেৰে উপন্যাসখনত দাঙি [illegible]া হৈছে। উপন্যাসৰ চন্দ্ৰকান্ত সিংহ, ৰাজমাও, বুঢ়াগোহাঞি, সৎৰাম, বদন বৰফুকন প্ৰভৃতি ঐতিহাসিক ব্যক্তি। অৱশ্যে পিজ্যে গাভৰুৰ পত্ৰবাহক ধনীবৰ বৰুৱাৰ সলনি সৎৰাম হোৱা, নগাপৰ্বতলৈ নিৰ্বাসিত সৎৰামৰ মানৰ লগত নিহত হোৱা দেখুওৱা, চন্দ্ৰকান্ত সিংহৰ ৰাজধানী যোৰহাটৰ পৰিৱৰ্ত্তন ৰংপুৰ বুলি কোৱা আদি কেইটিমান কথাৰ ঐতিহাসিক সত্যতা পোৱা নাযায়। আনহাতে ৰংপুৰত বিহুৰ উলহ-মালহ বাস্তৱ। আজিকালিও ৰংপুৰত বিহু উৎসৱৰ সমাদৰ বেছি।

"নিৰ্মল ভকত" ১৯২৫ চনত ডিব্ৰুগড়ৰপৰা বৰদলৈয়ে নিজে ছপাই উলিয়াইছিল। অসমত দ্বিতীয়খন মানৰ আক্ৰমণৰ ঘটনা লৈ লিখা ই এখন বুৰঞ্জীমূলক উপন্যাস। ইয়াৰ কাহিনী ৰচনাৰ কৌশল ইংৰাজ কবি টেনিচনৰ আৰ্হিৰ। বৰদলৈৰ 'প্ৰদীপিকাত' ছোৱাকৈ প্ৰকাশ হোৱা এই উপন্যাসখনৰ যোগেদি বৰদলৈয়ে বৈষ্ণৱ ধৰ্মৰ গৰিমা আৰু শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিবলৈ যত্ন কৰিছে। তেনেকুৱা এটা উদ্দেশ্য আগত ৰাখিয়েই বুৰঞ্জীমূলক কথাৰ আধাৰত বিশেষকৈ দ্বিতীয় আৰু তৃতীয় মানৰ আক্ৰমণৰ পটভূমিত মূল কাহিনীটো কল্পনা কৰি উপন্যাসখন ৰচনা কৰা হৈছে। উপন্যাসখন আত্মজীৱনীমূলক হোৱাত অৰ্থাৎ নায়ক নিৰ্মলে ডাঙৰীয়াৰ আগত ব্যক্তিগত জীৱনৰ কথা কৈ যোৱা বাবে তেওঁৰ চৰিত্ৰটোৱে প্ৰাধান্য লাভ কৰিছে। ঘটনাৰ ক্ষেত্ৰত পুঙ্খানুপুঙ্খৰূপে তথ্য বিচাৰ কৰি তাক কলাৰ সহায়ত উপন্যাসত উপস্থাপন কৰাৰ প্ৰচেষ্টা বৰদলৈৰ "তাম্ৰেশ্বৰী মন্দিৰ"ত দেখা যায়। মানৰ অসম আক্ৰমণৰ পটভূমি স্বৰূপে লৈ লিখা যদিও এই উপন্যাসত "তাম্ৰেশ্বৰী মন্দিৰ"ৰ মাহাত্ম্য, নৰবলি প্ৰথা, বৈষ্ণৱ-শাক্তৰ সংঘৰ্ষ, দেউৰী-চুতীয়াৰ মাজত বিৰোধমূলক ঘটনাই ঘাইকৈ দেখুওৱা হৈছে। লগতে বৈষ্ণৱ ধৰ্মই যে সৰ্বে-সৰ্বা আৰু সকলো ধৰ্মীয় ব্যৱস্থাৰ ভিতৰত শ্ৰেষ্ঠ তাকো

LIBRARY Dt SIBSAGAR GIRLS'

প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা হৈছে।

"ৰাধা-ৰুক্মিনীৰ ৰণ", উপন্যাসখনিত বৰদলৈয়ে মোৱামৰীয়া বিদ্ৰোহ আৰু ইয়াৰ পৰিণতি ৰূপায়ণ কৰিছে। কল্পনাতকৈ বুৰঞ্জীৰ প্ৰভাৱ ইয়াত বেছি। এই উপন্যাসখন ১৯২৮ চনত "আসামহিতৈষী" কাকতত কোনো এজনে গজপতি নাম লৈ ৰাধা ৰুক্মিনীক এজনী তিৰোতা বুলি যুক্তি দৰ্শাইছিল। কিন্তু বৰদলৈয়ে বুৰঞ্জীৰ উদ্ধৃতিৰে সেইজনৰ যুক্তি খণ্ডন কৰিছিল। বুৰঞ্জীৰ কথা বাদ দিও বৰদলৈয়ে ৰাধা-শ্যামৰ জৰিয়তে দেওধনি নাচ অৱতাৰণা কৰি এটা বাস্তৱ চিত্ৰ আঁকিছে।

১৯৩০ চনত প্ৰকাশিত 'ৰহদৈ লিগিৰী' নামৰ উপন্যাসখনতো বৰদলৈয়ে নিজৰ অভিজ্ঞতা প্ৰতিভাত কৰিছে। উপন্যাসৰ ঘটনাটো কাল্পনিক হ'লেও ঐতিহাসিক ব্যক্তিয়ে দয়াৰাম আৰু ৰহদৈৰ জীৱনৰ গতি সলনি কৰি দিছে। আহোম বুৰঞ্জীৰ বিখ্যাত চন্দ্ৰকান্ত সিংহ, ৰাজমাও, সৎৰাম, বদন বৰফুকন প্ৰভৃতিৰ "খাম্বাখোইবীৰ সাধু" বৰদলৈৰ শেহতীয়া কাহিনী ৰচনা। ১৯৩২ চনত এই উপন্যাসখন 'আৱাহন' কাকতত ওলাইছিল। প্ৰকৃততে বৰদলৈৰ এইখন উপন্যাস নহয়। মণিপুৰীয়াসকলৰ উপাস্য দেৱ-দেৱীৰ মাহাত্ম্য প্ৰকাশেৰে অলৌকিক ঘটনাৰ সমাৱেশ ঘটা এটা কাহিনী। মণিপুৰী ভাষা শিকি চৰকাৰৰ পৰা হেজাৰটকীয়া পুৰস্কাৰ লাভ কৰাৰ উপৰিও খাম্বা-খোইবীৰ মণিপুৰী পুথি এখন পঢ়ি মণিপুৰী আচাৰ, নীতি, ধৰ্ম, ক' আদি ভাৱৰ প্ৰকাশ হোৱা দেখি তাৰ আধাৰত এই পুথিখন যুগুত কৰে।

বৰদলৈ এজন আদৰ্শবান উপন্যাসিক আছিল। প্ৰতিখন উপন্যাস লিখাৰ আগতে তেওঁ আনুসঙ্গিক ঘটনা সম্পৰ্কে পাত্ৰ-পাত্ৰীৰ আতিগুৰি, সামাজিক আৰু সাংস্কৃতিক ৰীতি-নীতি সম্পৰ্কে, সিবিলাকৰ ভাবাদৰ্শ আলফুলকৈ বিচাৰি-খুচৰি চাইছিল আৰু তাৰ পিছতহে উপন্যাসত স্থান দিছিল। তেওঁৰ উপন্যাসত কল্পনা, আদৰ্শ আৰু বাস্তৱৰ মধুমিশ্ৰণ পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে "মিৰি জীয়ৰী"ৰ ডালিমী, "মনোমতী"ৰ পদুমী, "ৰাঙ্গিলী"ৰ ৰাঙ্গিলী, "নিৰ্মল ভকত"ৰ নিৰ্মল আৰু "ৰহদৈ লিগিৰী"ৰ ৰহদৈ প্ৰভৃতি চৰিত্ৰসমূহৰ ক্ষেত্ৰ বিশেষে মধুমিশ্ৰণ।

### কৌতুক

শিক্ষক : হৰি, "গৰমত ঘাম ওলায়" — এইটো কোন কালৰ বাক্য ?

হৰি : চাৰ, এইটো গ্ৰীষ্ম কালৰ বাক্য।

শিক্ষকে আকৌ হৰিক সুধিলে —

শিক্ষক : আকৌ ক'চোন, তোৰ ককা ৮০ বছৰ বয়সত তীৰ্থ ভ্ৰমণ কৰিবলৈ গৈছিল। এইটো বাৰু কোন কালৰ বাক্য ?

হৰি : চাৰ, 'গৈছিল' শব্দটোৱে অতীতক বুজাই যেতিয়া এইটো নিশ্চয় বৃদ্ধ কালৰ বাক্য হ'ব।

*সংগ্ৰহ : দিপশিখা দেৱী*

# মহান বিজ্ঞানী লুই পাস্তুৰ

✎ বিথীকা দত্ত,
স্নাতক দ্বিতীয় বৰ্ষিক

বৈজ্ঞানিক জগতত লুই পাস্তুৰৰ নাম যুগমীয়া হৈ আছে আৰু থাকিব। ৰোগৰ জীৱাণু আৱিষ্কাৰক হিচাপে গোটেই পৃথিৱীতে তেওঁৰ জীৱাণু আৱিষ্কাৰ মানৱ জাতিৰ মঙ্গল সাধনত এক অতুলনীয় অৱদান ।

১৮২২ খৃষ্টাব্দৰ ২৭ ডিচেম্বৰ তাৰিখে পৃথিৱী বিখ্যাত বিজ্ঞানবিদ লুই পাস্তুৰ ফৰাচী দেশত জন্ম হয়। তেওঁৰ দেউতাক আছিল এজন সাধাৰণ মুচী বনুৱা। দেউতাকে দিনটো কঠোৰ পৰিশ্ৰম কৰি ৰাতি ঘৰলৈ উভতি আহি লুইক কোলাত লৈ কয় - "লুই তই যদি 'আৰবয়ুচ' কলেজৰ এজন অধ্যাপক হ'ব পাৰিলিহেঁতেন, তেনেহ'লে মই যে কিমান আনন্দ পালোহেঁতেন। মই উৎকট গোন্ধ ওলোৱা চামৰাৰ কাম কৰিছোঁ, বহু বছৰ ধৰি সৈনিক হিচাপে কাম কৰিও মই জীৱনত যথেষ্ট জীয়াতু ভুগিছোঁ। ভগৱানে তোৰ জীৱন সুখী আৰু মধুৰ কৰক। তই লিখা-পঢ়া শিকিবই লাগিব আৰু জগতত মোৰ মুখ উজ্জ্বল কৰিব লাগিব।"

লুই সৰুকালৰে পৰা অনুসন্ধিৎসু আছিল। সদায় পঢ়াশালিত পঢ়ুৱা পাঠ্যপুথিবোৰত ৰাতি বাপেকে চকু ফুৰাই তেওঁক পঢ়া শুনা কৰিবলৈ উদগনি দিছিল। কিন্তু লুইয়ে খেল ধেমালিহে বেছি ভাল পাইছিল। পঢ়াশালিৰ পৰা মনে মনে পলাই আহিও লগৰীয়াৰ সৈতে মাছ মাৰিবলৈ গৈছিল। লুইয়ে ছবি আঁকিও বৰ আনন্দ পাইছিল। হয়তো সুনিপুণ শিল্পী হিচাপেও তেওঁ সুনাম আৰ্জিব পাৰিলেহেঁতেন। পিছলৈ তেওঁ সেই বিষয়ত মনোযোগ দিয়া নাছিল। লুই যেতিয়া চৈধ্য বছৰীয়া ল'ৰা, তেতিয়াও তেওঁ ভৱিষ্যতৰ কথা দকৈ ভাবিব পৰা নাছিল।

কেইবছৰমানৰ পিছত লুইয়ে তেওঁৰ মাক-বাপেকে যে ককালৰ ঘাম মাটিত পেলাই কথমপিহে জীৱন যাত্ৰাত আগবাঢ়িব পাৰিছে, সেই কথাটো ভালদৰে উপলব্ধি কৰিব পাৰিলে । মাক-বাপেকে সদায় কৈ অহা "লুই, তই ডাঙৰ মানুহ হ'ব লাগিব" — কথাষাৰ তেওঁৰ প্ৰায়েই মনত পৰিছিল। তেওঁ বৰশীৰ চিপজৰী আৰু ছবি অঁকা কলম দলিয়াই পেলাই পঢ়া-শুনা কৰাত লাগি গ'ল। কিছুদিনৰ মূৰত তেঁও শ্ৰেণীৰ ভিতৰতে এজন ভাল ল'ৰা বুলি চিনাকি দিব পৰা হ'ল । শিক্ষকসকলেও তেওঁক প্ৰশংসা কৰিবলৈ ধৰিলে। এজন শিক্ষকে এইবুলি মন্তব্য কৰিলে, "লুইয়ে যিকোনো বিষয় লৈ বৰকৈ চিন্তা কৰে — তেওঁ সময়ত উন্নতি কৰিব ।"

সেই সময়ত পাস্তুৰৰ ৰসায়ন শাস্ত্ৰত বৰ আগ্ৰহ জন্মিছিল। তেওঁ শিক্ষকসকলক কেতিয়াবা বহুত জটিল প্ৰশ্ন সুধি আচৰিত কৰিছিল । কেতিয়াবা শিক্ষকসকলে তেওঁৰ প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিছিল । তাৰ পাছত পাস্তুৰে নিজে নিজে গৱেষণা কৰিবলৈ ধৰিলে । তেওঁ আটাইতকৈ আনন্দ পাইছিল অণুবীক্ষণ যন্ত্ৰৰ সহায়ত অতি সৰু সৰু জীৱবোৰ নিৰীক্ষণ কৰোঁতে । এই বিষয়ত বিশেষ মনোযোগ দি এইজন ডেকাই মানৱ সমাজক যি দান দি গ'ল সেই দানৰ বাবে তেওঁৰ স্থান হৈ গ'ল সকলো দেশৰ, সকলো কালৰ, সকলো চিকিৎসকৰ ওপৰত । অথচ তেওঁ নিজে চিকিৎসক নাছিল। লুই ৰসায়ন শাস্ত্ৰৰ অধ্যয়ন আৰু গৱেষণাত সদায় নিমগ্ন আছিল । তেওঁ এই আৱিষ্কাৰবোৰৰ ফলস্বৰূপে পৃথিৱীৰ হেজাৰ হেজাৰ মানুহৰ প্ৰাণ ৰক্ষা সম্ভৱ হৈছে । ফ্ৰান্স আৰু ইটালীত তেতিয়া ৰেচম শিল্প গঢ়ি উঠিছে। ৰেছমৰ পলুত হঠাৎ এবিধ পোকে ধৰিবলৈ আৰম্ভ কৰিলে। এনে এটা শিল্পৰ লোপ পোৱাত গোটেই ফ্ৰান্স আৰু ইটালীত হৈ-চৈ লাগিল । অৱশেষত ১৮৬৫ চনত পলু ব্যৱসায়ীসকলে একগোট হৈ ফ্ৰান্সৰ চৰকাৰলৈ সাহায্য বিচাৰি এখন দৰ্খাস্ত পঠিয়ালে । পাস্তুৰে আগতে কেতিয়াও ৰেছম পলু দেখা নাছিল আৰু ইয়াৰ সমন্ধে তেওঁ অনভিজ্ঞ আছিল । মানুহে তেওঁক বিদ্ৰুপৰ সুৰত ক'বলৈ ধৰিলে, "এজন ৰাসায়ন শাস্ত্ৰৰ শিক্ষকেহে ইয়াৰ প্ৰতিবিধান কৰিব!" কিন্তু ঠাট্টা-বিদ্ৰুপলৈ ভ্ৰূক্ষেপ নকৰি তেওঁ অণুবীক্ষণৰ সহায়ত পৰীক্ষা আৰম্ভ কৰিলে ।

শেষত যিবোৰ জীৱাণু ৰেছম পলুৰ ধ্বংসৰ কাৰণ আছিল, সেইবোৰৰ সন্ধান মিলিল আৰু জীৱাণু নাশ কৰাৰ উপায়ো স্থিৰ হ'ল । ৰেছম শিল্প আগৰ দৰে চলি থাকিল ।

এইজনা মনীষীৰ অনুসন্ধানৰ অন্ত নাছিল । ঘন্টাৰ পিছত ঘন্টা, দিনৰ পিছত দিন জুৰি তেওঁ কাম কৰি গৈছিল। ৰাতি হ'লে তেওঁ দুখ কৰি কৈছিল, "এই বিশ্ৰামৰ সময়খিনি মিছাই গ'ল।"

সেই সময়ত প্ৰত্যেক বছৰে হাজাৰ হাজাৰ গৰু-ভেৰা "এন্‌থ্ৰাক্স " ৰোগত মৰিছিল । কক্ নামৰ এজন জাৰ্মান বিজ্ঞানবিদে অণুবীক্ষণৰ সহায়ত বেমাৰী গৰু-ভেঁড়াৰ তেজত এক প্ৰকাৰৰ জীৱাণু লক্ষ্য কৰিছিল । লুইয়ে প্ৰমাণ কৰি দেখুৱালে যে জীৱাণুৰ কাৰণেই "এনথ্ৰাক্স" ৰোগ জন্মে আৰু এই জীৱাণুৰ ছিটা ল'লে গৰু-ভেঁড়াক "এনথ্ৰাক্স" ৰোগে আক্ৰমণ কৰিব নোৱাৰে । এবাৰ প্ৰায় ৬০ জন ভেঁড়া ৰখীয়াই পাস্তুৰৰ কথা উৰাই দি তেওঁৰ সিদ্ধান্ত যে নিৰ্ভুল তাক প্ৰমাণ কৰি দেখুৱাবলৈ তেওঁক আহ্বান জনালে। পাস্তুৰৰ গৱেষণাগাৰলৈ ৬০টা ভেঁড়া পঠোৱা হ'ল। এই প্ৰমাণ চাবৰ বাবে ১৮৮১ চনৰ ২ জুনৰ দিনা সকলো খেতিয়কে এখন গাঁৱৰ চোতালত গোট খালেহি । পাস্তুৰক ভাল নোপোৱা বা উপলুঙা কৰা বহুতো লোকো উপস্থিত হ'ল । পাস্তুৰে "এন্‌থ্ৰাক্স" প্ৰতিৰোধৰ বাবে তাৰে প্ৰায় ২৫টা ভেঁড়াক ছিটা দিলে। তেওঁ ক'লে যে ছিটা নিদিয়া আটাইকেইটা ভেঁড়া মৰিব আৰু ছিটা দিয়া কেইটা ক্ৰমে ভাল হৈ উঠিব । তেওঁ কোৱা মতে সঁচাই ছিটা নিদিয়াকেইটা মৰি থাকিল আৰু ছিটা দিয়া কেইটা ক্ৰমে সুস্থ হৈ উঠিল । এই প্ৰমাণৰ পৰা পাস্তুৰৰ নাম দশোদিশে বিয়পি পৰিল । তেওঁ খেতিয়কসকলৰ প্ৰকৃত বন্ধু আখ্যা পালে ।

লুই পাস্তুৰে বিভিন্ন পৰীক্ষাৰ দ্বাৰা প্ৰমাণ কৰি দেখুৱালে যে ছিটা দি কেইটামান সাংঘাতিক ৰোগৰ আক্ৰমণ প্ৰতিৰোধ কৰিব পাৰি ।

১৮২২ চনত লণ্ডনত আন্তজাতিক চিকিৎসা কংগ্ৰেছৰ এখন অধিবেশন বহিছিল । পাস্তুৰে ফ্ৰান্সৰ প্ৰতিনিধি হিচাপে সেই কংগ্ৰেছত যোগদান কৰিছিল । মণ্ডপ পোৱা মাত্ৰকে অসংখ্য জনতাই বিপুল জয়ধ্বনি কৰিবলৈ ধৰিলে । তেওঁ ইয়াৰ কাৰণ বুজিব নোৱাৰি লগৰীয়া দুজনক কৈছিল, "বোধহয় প্ৰিন্স অৱ ওৱেলচ আহিছে । আমি আৰু অলপ আগেয়ে আহিব লাগিছিল ।" কংগ্ৰেছৰ সভাপতি ওচৰতেই বহি আছিল । তেওঁ পাস্তুৰক সম্বোধন কৰি ক'লে, "নহয়, আপোনাৰ উপস্থিতিৰ বাবেহে এই হৰ্ষধ্বনি ।" তাৰ পিছত আকৌ জয়ধ্বনিৰ ৰোল উঠিবলৈ ধৰিলে । ইয়াৰ পৰা বুজা যায় যে সকলো দেশৰ লোকে পাস্তুৰক বৰ শ্ৰদ্ধা কৰিছিল ।

এবাৰ ফ্ৰান্সৰ এখন বাতৰি কাকতত এটা প্ৰশ্ন উত্থাপন কৰা হৈছিল । প্ৰশ্নটো আছিল, "ফ্ৰান্সৰ সৰ্ব্বশ্ৰেষ্ঠ লোক কোন ?" ফ্ৰান্সবাসীয়ে গণনা কৰি পাস্তুৰৰ নামেই প্ৰথম পালে। নেপোলিয়নৰ নামে দ্বিতীয় আৰু ভিক্টৰ হিউগোৰ নামে তৃতীয় স্থান পালে । মহামতি হাক্সলিয়ে কৈছিল, "ইং ১৮৭০ চনত জাৰ্মানিৰ লগত হোৱা যুদ্ধৰ বাবে ফ্ৰান্সৰ যিমান টকা খৰচ হৈছিল তাতকৈ বহুতো বেছি টকা ফ্ৰান্সে ঘূৰাই পালে লুই পাস্তুৰৰ বিখ্যাত আৱিস্কাৰবোৰৰ পৰা।" এইদৰে পাস্তুৰৰ নাম, যশ জগতত বিয়পি পৰিল ।

১৮৮৮ চনত মানৱ জাতিৰ বন্ধু লুই পাস্তুৰৰ নামত এটা গৱেষণাগাৰ স্থাপিত হয় । জীৱাণু সম্বন্ধে সেই গৱেষণাগাৰত নানা ৰকমৰ গৱেষণা আৰম্ভ কৰা হ'ল । মেথেনিকং, ৰাউকছ প্ৰমুখ্যে পাস্তুৰৰ প্ৰিয় ছাত্ৰসকলে তাত গৱেষণা চলালে । এসময়ত ৰাউকছে "ডিপথেৰিয়া" প্ৰতিৰোধৰ বাবে "চিৰাম" আৱিষ্কাৰ কৰাত তেওঁক চাৰি হেজাৰ পাউণ্ড পুৰস্কাৰ দিয়া হ'ল । তেওঁ এই ধন পাস্তুৰৰ অনুষ্ঠানক দান কৰিলে । এনে কৰাৰ কাৰণ সোধাত ৰাউক্‌ছে কৈছিল, "মই মোৰ সকলো গৱেষণা এই পাস্তুৰৰ অনুষ্ঠানতে সম্পূৰ্ণ কৰিছো । মই জানো যে এই অনুষ্ঠানৰ আৰ্থিক অৱস্থা বেয়া আৰু সেইবাবে মোৰ এই সামান্য দান।"

১৮৯৫ চনৰ ২৫ চেপ্তেম্বৰ তাৰিখে এইজন মহান বিজ্ঞানবিদ তথা মনীষীয়ে ইহলীলা সম্বৰণ কৰে। পৃথিৱী বিখ্যাত বৈজ্ঞানিক পণ্ডিত গেলিলিওৱে দূৰবীক্ষণ যন্ত্ৰৰ সহায়ত অতি বৃহত্তৰ পৰিচয় দি অমৰ হৈ আছে আৰু লুই পাস্তুৰে অণুবীক্ষণৰ সহায়ত অতি ক্ষুদ্ৰৰ পৰিচয় দি পৃথিৱীৰ বুৰঞ্জীত তেওঁ নাম যুগমীয়া কৰি ৰাখিছে । মানৱ সমাজ চিৰদিন পাস্তুৰৰ ওচৰত ঋণী হৈ থাকিব। আজিও পাস্তুৰৰ অনুষ্ঠানবোৰে লুই পাস্তুৰৰ নাম সগৌৰৱে ঘোষণা কৰি আছে। পাস্তুৰ মৰিও অমৰ হৈছে । ৯০৬

# জাতীয় সংহতি ৰক্ষাত মহিলাই ল'ব পৰা ভূমিকা

✎ অঞ্জুমণি বড়া
স্নাতক প্ৰথম বৰ্ষ

জাতীয় সংহতিয়ে কোনো এটা জাতিৰ ভাৱগত একতাকে বুজায়। জাতীয় সংহতি বুলিলে কোনো এখন দেশৰ অন্তৰ্গত বিভিন্ন কুল, বংশগোষ্ঠীৰ লোকৰ সাধাৰণ মিলনকেই নুসূচায়। ই আন্তৰিক ভাৱধাৰাৰ মিলনকো সূচায়। বহল অৰ্থত কোনো এখন দেশৰ বিভিন্ন গোষ্ঠীৰ লোকক সমূহীয়াভাৱে এটা জাতি বুলি ধৰা হয় আৰু সেই জাতিৰ লোকৰ পাৰস্পৰিক সংমিশ্ৰণ, সমন্বয় আৰু মিলামিচাৰ মাজেদি একতাৰ সৃষ্টি হোৱাকে জাতীয় সংহতি বোলা হয়। জাতিগত সংমিশ্ৰণ আৰু সাংস্কৃতিক সমন্বয়েই জাতীয় সংহতিৰ মূল উপাদান।

জাতীয় সংহতি ৰক্ষাত মহিলাই ল'ব পৰা যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা আছে। মাতৃৰূপী নাৰী জাতিক প্ৰেৰণা, প্ৰেম আৰু ত্যাগৰ প্ৰতীক ৰূপে গণ্য কৰা হয়। এখন দেশৰ শিক্ষাৰ অগ্ৰগতিৰ ক্ষেত্ৰত নাৰী জাতিও সমানে অংশীদাৰ। ভৱিষ্যত দেশৰ সু-নাগৰিক, সু-সন্তানসকলৰ জন্মদাত্ৰী হৈছে একো একোগৰাকী নাৰী। শাস্ত্ৰজ্ঞ মনুৱে কৈছে -- "God is at the places where women are worshipped."

"উপাধ্যায়ান দশাচাৰ্য্য
আচাৰ্য্যানং শতংপিতা
সহস্ৰংতু পিতৃণ মাতা গৌৰবেনাতিৰীচ্যতে।
(উপনিষদ)

অৰ্থাৎ, দহজন উপাধ্যায়ৰ সমান এজন শিক্ষক। এশজন শিক্ষকৰ সমান এজন পিতৃ আৰু হাজাৰজন পিতৃতকৈয়ো শ্ৰেয়া এগৰাকী মাতৃ।

জাতীয় সংহতি ৰক্ষা কৰাত মাতৃৰ ভূমিকাই আটাইতকৈ গুৰুত্বপূৰ্ণ। যিহেতু সমাজৰ প্ৰতিজন ব্যক্তি একো একোটা পৰিয়ালৰ সদস্য। পৰিয়ালৰ ভিতৰত এজন ব্যক্তি শিশু অৱস্থাৰ পৰা সম্পূৰ্ণ মানুহ হোৱালৈকে এগৰাকী মাতৃৰ যি ভূমিকা সি সঁচাকৈয়ে অতুলনীয়। যদি প্ৰতি গৰাকী মাতৃয়ে সন্তানক উপযুক্ত শিক্ষাৰে গঢ় দিয়ে তেন্তে তেওঁলোকে আন্ধাৰৰ পৰা পোহৰৰ বাটলৈ গতি কৰিব। ফলত সমাজখন নিকা, সুনিয়ন্ত্ৰিত হ'ব, যিখন সমাজত নাথাকিব উশৃংখলতা। যিহেতু জাতীয় সংহতি ৰক্ষা কৰাত সমাজৰ বিভিন্ন জাতিৰ আন্তৰিক ভাৱধাৰা, একতা আৰু সাংস্কৃতিক সমন্বয়ৰ প্ৰয়োজন। এই একতাৰ সৃষ্টি হ'বলৈ হ'লে সমাজত থাকিব নালাগিব উশৃংখলতা তথা অৰাজকতা। শৃংখলা এটা জাতিৰ মেৰুদণ্ড স্বৰূপ। জন্মৰ পাছত এটা শিশুৰ মাতৃ গৰাকীৰ সৈতে যি মধুৰ সম্পৰ্ক গঢ়ি উঠে তাৰ যোগেদি মাতৃয়ে অকৃত্ৰিম মৰমৰ মাজেৰে এটা শিশুক আদৰ্শবান আৰু সু-নাগৰিক কৰি গঢ়ি তুলিব লাগিব। মাকৰ অকৃত্ৰিম মৰমৰ মাজেদি সুস্থ মানসিক বিকাশ ঘটাব পাৰিলেহে শিশুটিয়ে কেতিয়াও অবাটে গতি নকৰে। যাৰ ফলত শিশুটিয়ে ভৱিষ্যতে উশৃংখলতা পৰিহাৰ কৰি সমাজৰ কল্যাণৰ অৰ্থে নিজকে নিয়োজিত কৰিব পাৰিব। তেতিয়াহে তেওঁ জাতীয় সংহতি ৰক্ষাত অৰিহণা যোগাব পাৰিব।

জাতীয় সংহতি ৰক্ষা কৰাত মহিলাসকলৰো সুস্থিৰ আৰু সু-পৰিকল্পিত শিক্ষা নীতিৰ খুবেই প্ৰয়োজন। আজিৰ সমাজত পুৰুষৰ তুলনাত মহিলাৰ শিক্ষিত হাৰ কম। সমাজ এখনত সংহতি আৰু সংমিশ্ৰণ ৰক্ষা কৰিবলৈ প্ৰতি গৰাকী নাৰী সু-শিক্ষাৰে শিক্ষিত হ'ব লাগিব।

যিহেতু নাৰীয়েই হ'ল সমাজ এখনৰ চালিকা শক্তি। নাৰীৰ অবিহনে সমাজ শিক্ষিত হ'ব নোৱাৰে। শিক্ষা বা জ্ঞানৰ ক্ষেত্ৰত মাতৃয়ে গৰ্ভত থকা শিশুকো জ্ঞান দিব পাৰে। মহাভাৰতৰ সুভদ্ৰাৰ গৰ্ভত অভিমন্যুৰ ক্ষেত্ৰত যি হৈছিল, সিয়েই তাৰ জ্বলন্ত উদাহৰণ। গতিকে জাতীয় সংহতি ৰক্ষা কৰিবলৈ প্ৰতি গৰাকী মাতৃয়ে শিক্ষিত হ'ব লাগিব।

জাতীয় সংহতি ৰক্ষা কৰিবলৈ মহিলাসকলে অৰ্থনৈতিক ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব। কাৰণ অৰ্থনৈতিকভাৱে দুৰ্বল লোকে কেতিয়াও সমাজৰ বা দেশৰ প্ৰতি নিঃস্বাৰ্থ সেৱা আগবঢ়াবলৈ সক্ষম নহয় বা হ'ব নোৱাৰে। তদুপৰি বৰ্তমান সমাজ ব্যৱস্থাত অৰ্থনৈতিক ক্ষেত্ৰত দেখা দিয়া ধনী-দুখীয়াৰ প্ৰভেদসমূহ দূৰ কৰিবলৈও অৰ্থনৈতিকভাৱে দুৰ্বল লোকসকলক সকলো দিশতে স্বাৱলম্বী হ'বলৈ শিকাব লাগিব। লগতে তেওঁলোকে নিজেও সেই কামত অংশ গ্ৰহণ কৰি আদৰ্শৰ পথত আগবঢ়াই নিব লাগিব। মাথোন তেওঁলোকে কি বিচাৰে আৰু বিচৰাটো কিহে বাধা দিছে সেইটো স্পষ্ট জ্ঞান থকা দৰকাৰ। কেৱল চাকৰি কৰিলেহে যে অধিকাৰ সাব্যস্ত কৰিব পাৰে সেইটো নহয়। বিভিন্ন উদ্যোগ, শিল্প কৰ্ম, শিক্ষা, সংস্কৃতি ইত্যাদিৰ যোগেদিও নিজকে প্ৰতিষ্ঠা কৰি নিজৰ লগতে জাতীয় সংহতি ৰক্ষা কৰিব পাৰে। তেওঁলোকক এনেভাৱে উদ্বুদ্ধ কৰিব লাগিব যে দুবাহুত বল থাকিলে, শক্তিশালী, উদ্যমী মন থাকিলে হতাশাত জীৱনক ধিক্কাৰ দিয়াৰ কোনো প্ৰয়োজন নাই। ইয়াৰ ফলত সমাজত দেখা দিয়া শ্ৰেণী বৈষম্য হ্ৰাস হোৱাৰ লগতে সকলো লোকে মিলিজুলি একেলগে কাম কৰাৰ ফলত জাতিৰ সম্পদ বৃদ্ধি হোৱাৰ লগতে একতাৰ মনোভাৱ জাগ্ৰত হ'ব। ইয়াৰ ফলত জাতীয় সংহতিৰ ভেটি সুদৃঢ় হ'ব।

জাতীয় সংহতি ৰক্ষা কৰাত মহিলা ৰাজনীতিবিদ সকলৰ ভূমিকাও উল্লেখযোগ্য। এটা জাতিৰ সংহতি ৰক্ষা কৰাৰ নামত বহুতো ৰাজনৈতিক দল গঠন হয়। কিন্তু এই দলবোৰৰ মাজত সুস্পষ্ট নীতিৰ অভাৱ। ৰাজনৈতিক দলবোৰে কোনো আদৰ্শৰ প্ৰভাৱেৰে জনগণৰ সমৰ্থন লাভ কৰাত ব্যৰ্থ হৈছে। কোনো দলে ধনী শ্ৰেণীৰ আশ্ৰয়, কোনোৱে সম্প্ৰদায় বিশেষৰ আশ্ৰয় লৈছে। মহিলাসকলে জাতীয় সংহতি ৰক্ষা কৰিবলৈ ৰাজনীতিত অংশ গ্ৰহণ কৰি এই বিভেদ দূৰ কৰি সকলোৰে কাৰণে সমান অধিকাৰ প্ৰদান কৰিব লাগে।

বৰ্তমান জাতীয় সংহতি ৰক্ষা কৰাত বিভিন্ন নাৰী সংগঠন বা সমিতিসমূহৰ ভূমিকাও গুৰুত্বপূৰ্ণ। নাৰী সংগঠন বা সমিতিসমূহেই সঘনাই সাহিত্য আলোচনা চক্ৰ, সাংস্কৃতিক চিন্তা-চৰ্চাৰ মুকলি অনুষ্ঠান আদি অনুষ্ঠিত কৰি পুৰস্কাৰ বিতৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। গীত-মাত, খেলা-ধূলা, নাটক পৰিৱেশন আদিৰ যোগেদি বহুতো অবিকশিত শিশুৰ প্ৰতিভা বিকাশত সহায় কৰিব পাৰে। ফলত আমাৰ দেশত বহু কবি, সাহিত্যিক, গায়ক, ক্ৰীড়াবিদ, অভিনেতাৰ জন্ম হ'ব। যাৰ ফলত জাতিগত সংমিশ্ৰণ আৰু সাংস্কৃতিক সমন্বয়ৰ সৃষ্টি হ'ব। কিন্তু অতি দুখৰ বিষয় আজি সাংস্কৃতিক অনুষ্ঠানবোৰ দূৰদৰ্শনৰ অনুষ্ঠান পৰিৱেশনতে সীমাবদ্ধ।

মহিলাসকলে সমাজত বাস কৰা বিভিন্ন ভাষা, ধৰ্ম, জাতিৰ লোকক ভেদাভেদ পাহৰি সকলো জনসাধাৰণক এক জাতীয় আদৰ্শত একীভূত কৰিব লাগিব। ধৰ্ম, সম্প্ৰদায়, ভাষা, গোষ্ঠী, অঞ্চল আদিৰ পৰা উদ্ভৱ হোৱা ঘৃণাৰ ভাৱ দূৰ কৰি, প্ৰত্যেকেই প্ৰকৃত মানুহ হিচাপে আনৰ অনুভূতিক সহানুভূতিৰে চাবলৈ শিকাব লাগিব। নহ'লে জাতিভেদ প্ৰথাই জাতীয় সংহতি ৰক্ষা কৰাত হেঙাৰ স্বৰূপ হৈ পৰিব। তৰোপৰি মানুহৰ মাজত থকা অন্ধবিশ্বাস, কু-সংস্কাৰ আদি আঁতৰ কৰি এখন নিকা সমাজ গঢ়িব লাগিব। সমাজৰ মানুহে আওপুৰণি কিছুমান ৰীতি-নীতি খামুচি থকাৰ ফলত বহু সময়ত সমাজত আহুকালৰ সন্মুখীন হ'ব লগা হয়। মহিলাসকলে সমাজৰ

এলান্ধুসদৃশ অন্ধবিশ্বাস, কু-সংস্কাৰ নিৰ্মূল কৰিব পাৰিলেহে জাতিৰ সংহতি ৰক্ষা হ'ব।

তদুপৰি দেশত গঢ়ি উঠা সাম্প্ৰদায়িক অশান্তিক কঠোৰভাৱে মষিমূৰ কৰিবলৈ নাৰী সংগঠনসমূহৰ ভূমিকাও গুৰুত্বপূৰ্ণ হ'ব লাগিব। সমাজৰ সকলো শ্ৰেণীৰ মানুহে সমভাগে উপভোগ কৰিব পৰাৰ কাৰ্য্যকৰী ব্যৱস্থা কৰিব লাগিব। মানুহৰ মাজত হেৰাই যোৱা উদাৰ দৃষ্টিভংগী ঘূৰাই আনিবৰ কাৰণে মহিলা সংগঠনসমূহে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

মহিলাসকলে "খেনোক দেখি ৰান্ধে বাঢ়ে, খেনোক দেখি দুৱাৰ বান্ধে" এনে নীতি সমুলঞ্চে বিনাশ কৰি সকলোৰে ক্ষেত্ৰত একে নীতি গ্ৰহণ কৰি বেছি অনুন্নত অঞ্চলক বেছি সা-সুবিধা আগবঢ়াবলৈ পদক্ষেপ ল'ব লাগিব।

এনেদৰে মহিলাসকলে বিভিন্ন দিশেৰে সহায় কৰি জাতীয় সংহতি ৰক্ষা কৰিব পাৰে। মুঠতে নাৰীসকলে যদি জাতীয় সংহিত ৰক্ষা কৰাত অচল, অটল কাৰ্য্য সম্পাদন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হয় তেতিয়াহে জাতীয় সংহতিলৈ অকৃতকাৰ্য্যতা আহিব নোৱাৰে। মানুহৰ মাজলৈ পুনৰ আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয় ঘূৰি আহি একতাৰ মিলনৰ সেঁতু বান্ধিবলৈ সক্ষম হ'ব।

জাতীয় আৰু স্বজাতিৰ কল্যাণ সাধনৰ মহান আদৰ্শই ক্ৰমে নাৰীজাতিক মানৱৰ কল্যাণ সাধনত আগুৱাই লৈ যাব পাৰিলেহে নাৰীসকল হ'ব বহল আৰু উদাৰ দৃষ্টিভংগীৰ গৰাকী আৰু তেতিয়াহে আগবাঢ়ি যাব পাৰিব বিশাল বিশ্বৰ বুকুলৈ প্ৰেম আৰু মৈত্ৰীৰ মহামন্ত্ৰ অন্তৰত লৈ। যিদিনা সি সম্ভৱ হ'ব সেইদিনাই সমগ্ৰ বিশ্বই এখন ঘৰ হৈ পৰিব। সেইদিনাই বিশ্বৰ মানৱ এটা বিৰাট মানৱ পৰিয়ালত অন্তৰ্ভূক্ত হ'ব আৰু বিশ্বলৈ ঘূৰি আহিব শান্তিৰ মাধুৰিমা।

যেতিয়ালৈকে পৃথিৱীত পৰ্বত পাহাৰ থাকিব আৰু নদ-নদী প্ৰবাহিত হৈ থাকিব তেতিয়ালৈকে মহিলাসকলৰ অন্তৰত সমাজ সেৱাৰ তথা জাতীয় সংহতি ৰক্ষাৰ বীজ অংকুৰিত হৈ থাকিব। এই মহিলাসকলেই মানৱ জীৱনলৈ কঢ়িয়াই আনিব লাগিব অনাবিল আনন্দৰ মধুৰ প্ৰশান্তি। তেতিয়াহে জাতীয় সংহতি ৰক্ষাৰ লগতে সামাজিক জীৱন সৰ্বাংগসুন্দৰ হ'ব। সামাজিক জীৱন সৰ্বাংগসুন্দৰ হ'লেহে মহিলাসকল তথা সকলোৱে ঐক্যস্বৰে ক'ব পাৰিম —

"সুন্দৰে যে ফুলাৰ মন্ত্ৰ আহোৰাত্ৰি মাতে,
সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে।"



# ভেঁজালকৰণৰ ভয়াবহতা

✎ প্ৰণৱ জ্যোতি ভৰালী
প্ৰৱক্তা, ৰসায়ণ বিভাগ

"There are no natural deatus now. I am convinced that every death is caused by the adnlteration of food." এয়া বাংগালোৰৰ St. John's Medical College ৰ ডাক্তৰ টি ভেংকটেশৰ আমাৰ দৈনন্দিন ব্যৱহৃত খাদ্যবস্তুৰ ভেঁজালকৰণৰ ওপৰত দিয়া এক গভীৰ আৰু মৰ্মস্পৰ্শী মন্তব্য। ওপৰৰ মন্তব্যটোৱে আমাৰ দেশত হোৱা নিত্য ব্যৱহৃত খাদ্যবস্তুৰ ভেঁজালকৰণৰ এক সংকটৰ প্ৰতিচ্ছবি বাৰুকৈয়ে প্ৰতিফলিত কৰিছে। খাদ্যসামগ্ৰীৰ ভেঁজালকৰণৰ দ্বাৰা ব্যৱসায়িকভাৱে মুনাফা লভা ব্যৱসায়ীগোষ্ঠীৰ প্ৰতিযোগিতামূলক আগ্ৰাসন বৰ্তমান ইমান আগবাঢ়ি গ'ল যে ই এতিয়া ভাৰতীয় জনসাধাৰণৰ বাবে এক গুৰুতৰ ভাবুকি হৈ পৰিছে।

'৯৮ চনৰ ফেব্ৰুৱাৰী মাহৰ এটা ঘটনা। কেৰেলাৰ থিৰুবান্দাপুৰমৰ এজন খাদ্য পৰিদৰ্শক এচ্ অজয় কুমাৰে স্থানীয় বজাৰৰপৰা এক কি'লো ছাগলীৰ লিভাৰ কিনি আনিলে। লিভাৰখিনি ৰান্ধোতে তীব্ৰ ব্লিছিং পাউদাৰৰ গোন্ধত তেওঁৰ নাক জনজনাই গ'ল। সন্দেহতে এটুকুৰা লিভাৰ তেওঁ খাই চালে। লগতে তেওঁৰ ছোৱালীজনীয়েও অকণমান খাই চালে। ইয়াৰ পাছত চাৰিদিন ধৰি বমি আৰু ডায়েৰীয়াত ভুগি দুয়ো উঠিব নোৱাৰিলে। পাছত অনুসন্ধানৰ ফলত গম পোৱা হ'ল যে মাংস লিভাৰখিনিত ব্লিছিং পাউদাৰ মিহলোৱা আছিল। ব্যৱসায়ীসকলে কটা মাংসৰ ওপৰত ব্লিছিং পাউদাৰৰ প্ৰলেপ দিয়াৰ কাৰণ হ'ল ই কটা মাংসৰ তেজ গোট মৰাত সহায় কৰে। ফলত মাংসৰপৰা অতিৰিক্ত পানী আৰু তেজ ওলাই যাব নোৱাৰাত ইয়াৰ ওজন নকমে।

বাংগালোৰৰ আন এটা ঘটনা। মানুহজনৰ নাম নটৱৰলাল ছগনলাল লোহিয়া। বয়স ৬২ বছৰ। বহুত দিন ধৰি তেওঁ পেটৰ বিষ, ভোকহীনতা, ভাগৰ লগা, স্মৃতিশক্তি কমা আদি অনেক অসুখত ভুগি আছিল। ডাক্তৰে তেওঁৰ গেষ্ট্ৰএন্টাৰাইটিছ, এপেণ্ডিছাইটিছ, কেন্সাৰ আদি অসুখৰ বিভিন্ন চিকিৎসা কৰিলে। ইয়াৰোপৰি তেওঁ আয়ুৰ্বেদিক, হোমিওপেথিক চিকিৎসাও কৰালে। কিন্তু একো চিকিৎসাতে তেওঁ অলপো উপশম নাপালে। অৱশেষত তেওঁৰ পৰিয়ালৰ ডাক্তৰে লেড্ৰ (Pb) ৰ বাবে তেওঁৰ তেজ পৰীক্ষা কৰালে। অবিশ্বাস্যভাৱে লোহিয়াৰ তেজ পৰীক্ষাৰ নমুনাত লেডৰ পৰিমাণ মানুহৰ সাধাৰণতে থাকিবপৰা পৰিমাণতকৈ (10 ugm/100ml blood) দহ গুণ অধিক পৰিমাণে পোৱা গ'ল। তেওঁৰ পত্নী আৰু পুত্ৰৰ তেজতো প্ৰায় একে পৰিমাণৰ বিষাক্ত লেড্ ধাতু পোৱা গ'ল। অনুসন্ধান কৰি গম পোৱা গ'ল যে ইয়াৰ উৎস আছিল তেওঁৰ ঘৰত ব্যৱহাৰ কৰা আটা। তেওঁলোকে ব্যৱহাৰ কৰা আটা যিটো মিলত উৎপাদন কৰা হৈছিল, সেই মিলত আটা গুৰি কৰা কলৰপৰা আটাৰ লগত লেড্ৰ (লৌহৰ) গুৰি মিহলি হৈছিল।

খাদ্যত ভেঁজালকৰণৰ ফলত উদ্ভৱ হোৱা এনেকুৱা অলেখ ঘটনা আমাৰ দেশত সদায়েই ঘটি আছে। বহুত লোকে ভেজাঁলকৰণৰ ফলত মৃত্যু পৰ্য্যন্তকো আকোঁৱালি ল'ব লগা হৈছে। অলপতে ড্ৰপচি ৰোগৰ আতংকই গোটেই দেশখনকে বাৰুকৈয়ে জোকাৰি গৈছে।

সৰিয়হৰ তেলৰ লগত আৰ্জিমন মেক্সিকানা (অসমীয়াত শিয়ালকটাহী গছ) নামৰ গছৰ গুটিৰ তেল মিহলি কৰি ইয়াক ভেঁজাল কৰা হৈছিল। এই আৰ্জিমন মেক্সিকানাৰ তেলত এবিধ চেংগুইনাৰিন্ নামৰ এবিধ এলকালয়ড্ থাকে যি শৰীৰৰ বাবে অতি বিষাক্ত। এই বিষাক্ত এলকালয়ড্‌ৰ উপস্থিতিৰ বাবেই ইয়াক ব্যৱহাৰ কৰা লোক 'ড্ৰপচি' ৰোগত আক্ৰান্ত হৈছিল।

বৰ্তমান আমাৰ দেশত ভেঁজালকৰণৰ সমস্যা ইমান বাঢ়ি গ'ল যে, আমি আমাৰ খাদ্য-সামগ্ৰী ভেঁজালমুক্ত হিচাপে পোৱাটো এক অসম্ভৱ কথা হৈ পৰিছে। 'ড্ৰপচি' ৰোগে গোটেই দেশতে এক হুলস্থূলৰ সৃষ্টি কৰিব পাৰিলে। কাৰণ ই ৰাজধানী দিল্লীত প্ৰথম ধৰা পৰিছিল। কিন্তু সমগ্ৰ দেশতে বৰ্তমান ভেঁজালযুক্ত বিভিন্ন খাদ্য-সামগ্ৰী প্ৰতিদিনেই বহুলভাৱে ব্যৱহৃত হৈ আছে, যিবিলাকে কৰ্তৃপক্ষৰ সামান্যতমো দৃষ্টি আকৰ্ষণ কৰিব পৰা নাই। আমাৰেই ভৱিষ্যৎ প্ৰজন্মৰ বাবে ই হৈ পৰিছে এক গুৰুতৰ ভাবুকি।

দৈনন্দিন জীৱনত ব্যৱহৃত কেইবিধমান সমাগ্ৰীৰ ভেঁজালকৰণৰ ভয়াবহতাৰ ওপৰত এটি আলোচনা তলত আগবঢ়োৱা হ'ল।

**গাখীৰ ঃ** দৈনন্দিন জীৱনত গাখীৰ আমাৰ অতি প্ৰয়োজনীয়। বজাৰৰ টিনৰ গাখীৰৰ লগত সাধাৰণতে ষ্টাৰ্চৰ গুৰি মিহলাই ইয়াক ভেঁজাল কৰা হয়। ইয়াৰ উপৰিও গাখীৰত পোৱা মাৰাত্মক ভেঁজালকৰণ দ্ৰব্যসমূহ হৈছে কষ্টিক ছ'ডা, ইউৰিয়া, হাইড্ৰ'জেন পেৰ'ক্সাইড আৰু ফৰ্মেলিন। অবিশ্বাস্যভাৱে ইয়াৰ উপৰিও এক অনুসন্ধানত ধৰা পৰিছে যে বৰণহীন জুলীয়া এবিধ 'Ezee' নামৰ ডিটাৰজেন্টকো গাখীৰ ভেঁজালকৰণৰ বাবে ভাৰতবৰ্ষৰ কিছুমান ঠাইত ব্যৱহাৰ কৰা হৈছিল।

হায়দৰাবাদৰ National Institue of Nutritionৰ গৱেষক সকলে গাখীৰত 'অক্সিটেট্ৰাচাইক্লিন্' নামৰ এণ্টিবায়টিকৰ উপস্থিতি ধৰা পেলাইছে। এই এণ্টিবায়টিকসমূহ গাখীৰ দিয়া জন্তুৰ বিভিন্ন অসুখত ঔষধ হিচাবে ব্যৱহাৰ কৰা হ'ব পাৰে। গাখীৰত থকা এণ্টিবায়টিকে মানুহৰ দেহৰ হ'ৰমনৰ সমতা নষ্ট কৰিব পাৰে।

ইয়াৰোপৰি এচিয়াৰ 'Greenpeace Internationl' ৰ নিৰীক্ষক নিত্যানন্দ জয়াৰমনে গাখীৰ ভেঁজালকৰণৰ ওপৰত এক ভয়াবহ তথ্য দাঙি ধৰিছে। তেওঁৰ মতে ভাৰতীয় মহিলাৰ স্তনদুগ্ধত বিষাক্ত DDT আৰু DDE ৰ উপস্থিতিৰ প্ৰমাণ পোৱা গৈছে। ইয়াৰে DDE মহিলাৰ স্তনৰ কেন্সাৰৰ কাৰকো হ'ব পাৰে। এই DDT বা DDE ক ভাৰতবৰ্ষত বহুলভাৱে কীটনাশক দ্ৰব্য হিচাবে ব্যৱহাৰ কৰা হয়।

**মাছ আৰু মাংস ঃ** অনুসন্ধানমূলক অধ্যয়নৰ পৰা দেখা গৈছে যে কেৰেলাত মাংসৰ ওপৰত সাধাৰণভাৱেই কপাৰছালফেট বা ব্লিছিং পাউডাৰৰ প্ৰলেপ দি মাংসৰ পৰা অতিৰিক্ত তেজ আৰু পানী ওলাই অহাটো বন্ধ কৰা হয়। ইয়াৰ ফলত মাংসৰ ওজন কমি নাযায়। এই বিষাক্ত দ্ৰব্যবোৰৰ ব্যৱহাৰ দেশৰ অন্য ঠাইতো যে ঘটা নাই তাক নিশ্চিতভাৱে ক'ব নোৱাৰি।

মাছৰ ব্যৱসায়ীসকলে মাছৰ ওপৰত এম'নিয়াম ছালফেট নামৰ ৰাসায়নিক যৌগৰ প্ৰলেপ দি মাছৰ সতেজতা বৃদ্ধি কৰাৰ চেষ্টা কৰে। ইয়াৰ ওপৰিও মাছ বা মাংসত থাকিব পৰা বিভিন্ন অপদ্ৰব্যৰ ভিতৰত অন্যান্য কীটনাশক দ্ৰব্য, এণ্টিবায়টিক আদিয়েই প্ৰধান। এইবিলাক ভেঁজালকৰণৰ ফলত মানুহৰ লিভাৰ নষ্ট হোৱা, দেহৰ প্ৰয়োজনীয় হৰমনৰ সমতা নষ্ট হোৱা, কেন্সাৰ আদিৰ দৰে মাৰাত্মক অসুখ হ'ব পাৰে।

**ফল-মূল আৰু শাক-পাচলি ঃ** ফল-মূল আৰু শাক-পাচলিত এইবিলাকৰ উৎপাদনৰ সময়ত ব্যৱহাৰ কৰা কীটনাশক দ্ৰব্য সহজে মিহলি হৈ থাকিব পাৰে। বৰ্তমান ভাৰতবৰ্ষত কৃষি উৎপাদনৰ ক্ষেত্ৰত এক বৃহৎ

পৰিমাণৰ কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰা হয়। আনকি স্বাস্থ্যজনিত কাৰণত পশ্চিমীয়া দেশত প্ৰচলন বন্ধ কৰা বহুতো কীটনাশক দৰব্ব বৰ্তমানেও ভাৰতত ব্যৱহাৰ কৰি থকা হৈছে।

বাংগালোৰৰ কৃষি-বিশ্ববিদ্যালয়ৰ এক সমীক্ষাত প্ৰকাশ যে আমাৰ বজাৰৰ পোৱা ফল-মূল আৰু শাক-পাচলিত লেড়, নিকেল, কেড্‌মিয়াম আৰু ক্ৰ'মিয়াম ধাতুৰ মাত্ৰাৰ পৰিমাণ স্বাস্থ্যসন্মতভাৱে থাকিবলগা নিৰ্দিষ্ট মাত্ৰাতকৈ বহুত বেছি। এই বিষাক্ত ধাতুবিলাকৰ প্ৰভাৱত মানুহৰ দেহত লিভাৰ্ আৰু কিড্‌নি নষ্ট হোৱা, হাওঁফাঁওৰ অসুখ, উচ্চ ৰক্তচাপ, শ্বাসনলীৰ অসুখ, এনেমিয়া আদিৰ দৰে মাৰাত্মক অসুখৰ সন্মুখীন হ'ব পাৰে। বেছি লেড্ আৰু ক্ৰ'মিয়াম ধাতুৰ সেৱনৰ ফলত দেহত কেন্সাৰ ৰোগৰ সৃষ্টি হ'ব পাৰে।

**চাউল আৰু দাইল ঃ** কলিকতাৰ পৰা প্ৰকাশিত এক সমীক্ষাত কোৱা হৈছে যে বজাৰৰ চাউলৰ গ্ৰাহকৰ প্ৰতি আকৰ্ষণ বঢ়াবৰ বাবে 'ৰেড্ অক্সাইডৰ' এক ৰঙীন প্ৰলেপ সাৱধানতাৰে সৈতে চাউলৰ ওপৰত দিয়া হয়। এই প্ৰলেপে চাউলৰ বৰণ সামান্য ৰঙচুৱা কৰি আকৰ্ষণীয় কৰি তোলে। এই ৰেড্ অক্সাইড্‌ৰ সেৱনৰ বাবে মানুহৰ মাৰাত্মক লিভাৰৰ অসুখ হ'ব পাৰে।

সাধাৰণভাৱে ব্যৱহৃত ডাইল, বেচন আদিত কেচৰ ডাইল (Kesar dal) নামৰ এবিধ সহজলভ্য ডাইল মিহলি কৰি ইয়াক ভেঁজাল কৰা হয়। এই কেচৰ্ ডাইলত বিউটাইল অক্সালিল এলানিন্ এমাইন্ (BOAA) নামৰ এবিধ বিষাক্ত ৰাসায়নিক পদাৰ্থ থাকে। এই বিধ পদাৰ্থ একেৰাহে বহুদিন ব্যৱহাৰ কৰিলে মানুহৰ শিৰা-উপশিৰাৰ দুৰ্বলতা আৰু পেৰালাইছিছ ৰোগৰ সৃষ্টি হ'ব পাৰে। ইয়াৰ উপৰিও ৰহৰ ডাইলৰ ৰং উজ্বল কৰিবলৈ Metanil-Yellow নামৰ এবিধ বিষাক্ত ৰঙীন যৌগও ব্যৱহাৰ কৰা হয়।

**পানী ঃ** মানুহৰ বাবে পানীৰ প্ৰয়োজনীয়তা উল্লেখ কৰাৰ প্ৰয়োজন নাই। পানীক জীৱৰ প্ৰাণ বুলি ব্যাখ্যা কৰা হয়। তদুপৰি ভাৰতীয় জনবিশ্বাসত পানীক পবিত্ৰ বুলি জ্ঞান কৰা হয়। কিন্তু অতি পৰিতাপৰ কথা যে ভাৰতীয় জনসাধাৰণে ব্যৱহাৰ কৰা পানীৰ প্ৰায় সকলো অংশই দূষিত। অধ্যয়নৰপৰা দেখা গৈছে যে গাঁৱৰ জনসাধাৰণৰ কথা বাদেই নগৰাঞ্চলত যোগান ধৰা মিউনিচিপালটিৰ পানীও স্বাস্থ্যসন্মতভাৱে বিশুদ্ধ নহয়। অলপতে প্ৰকাশিত এটা সমীক্ষাত প্ৰকাশ যে ভাৰতবৰ্ষৰ সকলো নগৰতে মিউনিচিপালটি বোৰ্ডৰ দ্বাৰা যোগান ধৰা পানী WHO কৰ্তৃপক্ষই বান্ধি দিয়া নিৰ্দিষ্ট মানদণ্ডতকৈ তলখাপৰ।

Indian Council of Medical Research ৰ এটা সমীক্ষামতে নৰ্থ দিল্লী এলেকাত যোগান ধৰা পানী অত্যাধিক ক্ল'ৰিণযুক্ত। তাৰোপৰি ইয়াত কিছুমান অপ্ৰয়োজনীয় বস্তু ওপঙি থকাও পোৱা গৈছে।

All India Institute of Medical Science ৰ এদল গৱেষকে প্ৰকাশ কৰিছে যে দিল্লীৰ গোলমোহৰ পাৰ্কৰ এলেকাত জনসাধাৰণে ব্যৱহাৰ কৰা পানী অত্যাধিক ফ্ল'ৰাইড্‌যুক্ত। ইয়াৰ উপৰিও ইয়াত বেক্টেৰিয়াৰ উপস্থিতিৰ প্ৰমাণ পোৱা গৈছে।

কেৰেলাৰ গ্ৰাহক সুৰক্ষা সমিতিৰ প্ৰতিবেদনতেই প্ৰকাশ যে ৰাজ্যখনৰ ক'তোৱেই নিৰ্দিষ্ট মানদণ্ডসম্পন্ন বিশুদ্ধ পানী পোৱা নাযায়। সেইবাবে কেৰেলাত চৰকাৰীভাৱে থাকিবলগা ISI চিন সম্বলিত আইচক্ৰীম বজাৰতেই পাবলৈ নাই।

বৰ্তমান আমাৰ দেশত 'মিনাৰেল ৱাটাৰ' বটলৰ প্ৰচলন বাঢ়িছে। আমাৰ দেশৰ ৰাজনীতিবিদসকলে বিশুদ্ধ বুলি প্ৰচলিত মিনাৰেল ৱাটাৰহে ব্যৱহাৰ কৰে। কিন্তু এই মিনাৰেল ৱাটাৰৰ বটলো যে ব্যৱহাৰৰ অনুপযোগী সেইয়া অলপতে প্ৰমাণিত হ'ল। আহমদাবাদৰ 'Consumer Education and Research Centre' ৰ এটা গৱেষকৰ

দলে বজাৰত মিনাৰেল ৱাটাৰৰ ১৩ টা ব্ৰেণ্ডৰ ওপৰত এক পৰীক্ষাকাৰ্য্য সম্পন্ন কৰে। উক্ত পৰীক্ষাত মাত্ৰ তিনিটা ব্ৰেণ্ডৰ পানীহে উপযুক্ত মানদণ্ডৰ বুলি প্ৰমাণিত হয়। বাকী আটাইকেইটাতে বিষাক্ত আৰ্ছেনিক্ ধাতুৰ পৰিমাণ থাকিবলগা 0.05 ppm তকৈ বেছি পোৱা গ'ল। ইয়াৰোপৰি সকলোকেইটা ব্ৰেণ্ডৰ পানীতেই বেক্টেৰিয়াৰ অৱস্থিতি পোৱা গ'ল।

**মিঠাই সামগ্ৰী ঃ** ব্যৱসায়ীসকলে বিভিন্ন ৰঙৰ ব্যৱহাৰ কৰি মিঠাই সামগ্ৰীসমূহ আকৰ্ষণীয় কৰি বজাৰত বিক্ৰী কৰাতো আমাৰ সকলোৰে দৃষ্টিগোচৰ হয়। এনেধৰণৰ বিভিন্ন মিঠাই আমি সকলোৱেই উৎসৱ-পাৰ্বন আদিৰ উপৰিও দৈনন্দিন কাৰ্যতো ব্যৱহাৰ কৰি আহিছো। কিন্তু সমস্যা হ'ল এনে ৰঙৰ ব্যৱহাৰ কৰি ব্যৱসায়িকভাৱে লাভবান হ'বলৈ যাওঁতে ব্যৱসায়ীসকলে প্ৰায়েই কিছুমান স্বাস্থ্যৰ পক্ষে ক্ষতিকৰ, চৰকাৰী অনুজ্ঞাপত্ৰবিহীন ৰঙৰ ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে, সদ্য ব্যৱহৃত লাড্ডু আৰু জিলেপীত Metanil-Yellow নামৰ এবিধ ৰং, ৰসগোল্লাৰ লগত Orange - 11, কৰাচী হালোৱাৰ লগত Rhodanin - B অন্যান্য ৰঙীন মিঠাইত Blue-vre ইত্যাদি অনেক নিষিদ্ধ ৰং ব্যৱহাৰ কৰে। এই ৰঙবিলাক স্বাস্থ্যৰ পক্ষে অতি ক্ষতিকৰ। এইবিলাকৰ প্ৰভাৱত আমাৰ দেহত কেন্সাৰ, বৃক্কৰ অকামিলা হাড় আৰু চকুৰ অসুখ, মানসিক ভাৰসাম্যহীনতাৰ দৰে মাৰাত্মক অসুখ হোৱাৰ সম্ভাৱনা থাকে।

আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত কেইবিধমান সামগ্ৰীৰ ভেঁজালকৰণৰ ওপৰত এক সম্যক আলোচনা কৰা হ'ল। প্ৰকৃতপক্ষে ভেঁজাল নকৰা খাদ্য-সামগ্ৰী বৰ্তমান বজাৰত পোৱাটো অসম্ভৱ। ইয়াৰ উপৰিও আমি প্ৰতিদিনেই ব্যৱহাৰ কৰা হালধিৰ গুৰিত সস্তীয়া ক'ল-টাৰৰ ৰং আৰু লেড্ ক্ৰমেটৰৰ গুৰি, ঘিউৰ লগত সিজোৱা আলু, জলকীয়াৰ গুৰিৰ লগত ইটাৰ গুৰি, চেনিৰ লগত চ'কৰ গুৰি, ভিনেগাৰৰ লগত মিনাৰেল এছিড ইত্যাদি অসংখ্য ভেঁজালকৰণ প্ৰতিদিনেই হৈ আছে। সকলো ভেঁজালকৰণে যিহেতু মানুহৰ মৃত্যু ঘটাব নোৱাৰে, সেইবাবেই আমি অলপ ভাগ্যবান বুলি ভাবিব লাগিব।

ভেঁজালকৰণৰ বিৰুদ্ধে চৰকাৰৰ নিৰ্দিষ্ট বিভাগ আছে। Prevention of Food Adulteration যাক PFA আইন বুলি জনা যায়, এই আইনৰ সহায়ত চৰকাৰে খাদ্য-সামগ্ৰী ভেঁজাল কৰোতাৰ বিৰুদ্ধে উপযুক্ত কঠোৰ ব্যৱস্থা ল'ব পাৰে। কিন্তু চৰকাৰৰ এই বিভাগৰ সফলতাৰ বিষয়ে লিখিবলৈ একো নাই। প্ৰায়বিলাক বিষয়াই ভেঁজালকাৰীৰ পৰা ঘোচ গ্ৰহণ কৰি এই ক্ষেত্ৰত নিষ্ক্ৰিয় ভূমিকা পালন কৰে।

আমাৰ দেশ এখন উন্নয়নশীল দেশ। উত্তৰণৰ প্ৰায় সকলোবোৰ দিশতে অনেক সমস্যা আমাৰ দেশত আছে। বৰ্তমান প্ৰদূষিত বায়ুমণ্ডল, নিবনুৱা সমস্যা, অৰ্থনৈতিক সমস্যা, সমাজৰ নৈতিক স্খলন আদি অন্যান্য সমস্যাসমূহ দেশৰ ভৱিষ্যত প্ৰজন্মৰ বাবে এক গুৰুতৰ ভাবুকি। ইয়াৰ লগতে প্ৰবল ভেঁজালকৰণৰ সমস্যাই দেশৰ জনসাধাৰণক পঙ্গুত্ব প্ৰদান কৰিছে, জীৱনক প্ৰাকৃতিক মৃত্যুৰ পৰা বঞ্চিত কৰিছে। জনসাধাৰণে বৌদ্ধিক জ্ঞানৰ উন্নয়নৰ সমাবেশেৰে নিঃস্বাৰ্থভাৱে ইয়াৰ বিৰুদ্ধে যুঁজ নকৰিলে ইয়াৰপৰা মুক্তি লভাতো কেতিয়াও সম্ভৱ নহয়।

*['Outlook' ৰ সহায়ত]*

# একবিংশ শতিকাৰ প্ৰাক্ মুহূৰ্তত আমাৰ বৈজ্ঞানিক মানসিকতা

✎ দীপামনি দাস
স্নাতক তৃতীয় বাৰ্ষিক

প্ৰাচীন কালত সমাজে বিজ্ঞান পৰিচালনা কৰিছিল, কিন্তু আজি বিজ্ঞানে সমাজ পৰিচালনা কৰিছে। বিজ্ঞানৰ অবিহনে আজিৰ মানৱ সমাজ পঙ্গু । আধুনিক প্ৰযুক্তিৰ প্ৰচাৰ আৰু প্ৰসাৰে বিজ্ঞানক মানুহৰ পাৰ্থিৱ সুখ বৰ্ধনত নিয়োগ কৰিছে । মানুহৰ দৈনন্দিন, পাৰিবাৰিক, সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক জীৱনকো নৱৰূপ দিছে বিজ্ঞানে । কেৱল বাহ্যিক ক্ষেত্ৰতেই নহয়, মানুহৰ অন্তৰৰ ভাব আৰু চিন্তাৰ জগততো বিজ্ঞানে প্ৰভাৱ বিস্তাৰ কৰিছে।

বিজ্ঞানে মানুহৰ প্ৰগতি আৰু জীৱন ধাৰাৰ মান উন্নত কৰি মানৱসভ্যতাক শ্ৰেষ্ঠতা প্ৰদান কৰিছে । মানুহক সুচল জীৱন-যাপন কৰিবলৈ, স্বচ্ছন্দে থাকিবলৈ বিজ্ঞানে বিভিন্ন সুবিধা আগবঢ়াইছে । বিজুলীৰ যোগান ধৰিছে, ৰান্ধনী ঘৰৰ নতুন ৰূপ দিছে, উন্নত যাতায়ত ব্যৱস্থাই পৃথিৱীৰ আকাৰ সংকুচিত কৰিছে । দূৰদৰ্শনে পৃথিৱীৰ বিভিন্ন খবৰ আৰু দৃশ্য ঘৰৰ চাৰিবেৰৰ মাজলৈ আনিছে, ৰোগ নিৰাময়ৰ চৰম সীমাত উপনীত হৈছে চিকিৎসাবিজ্ঞান, মানুহৰ কায়িক শ্ৰম লাঘৱ কৰি দৈনন্দিন জীৱনৰ ধাৰাত বিৰাট পৰিৱৰ্তন আৰু দ্ৰুততাৰ সূচনা কৰিছে কম্পিউটাৰে, বিপদসঙ্কুল কামসমূহ কৰিবলৈ সৃষ্টি কৰিছে যান্ত্ৰিক দাস 'ৰবট'ৰ । সমগ্ৰ বিশ্বকে এতিয়া উপগ্ৰহ টেলিসংযোগ ব্যৱস্থাই ছানি ধৰিছে। বৰ্তমান মানৱৰ সংযোগৰ গতি হ'ল ছেকেণ্ডত তিনি লাখ মাইল । টেলিফোন বা কম্পিউটাৰত চাবি ঘূৰাই বৰ্তমান বিশ্বৰ যিকোনো ঠাইৰ লগত সংযোগ স্থাপন কৰা সম্ভৱ হৈ পৰিছে। মানুহৰ হৃদযন্ত্ৰৰ অভাৱ গাহৰীৰ হৃদযন্ত্ৰই পূৰাব পাৰিছে । শেহতীয়াকৈ ক্ল'নিঙ পদ্ধতিৰ দ্বাৰা বিজ্ঞানে প্ৰমাণ কৰি দেখুৱালে যে যৌন মিলনৰ অবিহনেও জীৱ সৃষ্টি হ'ব পাৰে । ই ইউৰোপীয় চিন্তাৰ জগতত প্ৰৱল চাঞ্চল্যৰ সৃষ্টি কৰিছে । এইদৰে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অৱদানে উন্নত দেশবোৰত মানুহৰ দৈনন্দিন জীৱনলৈ ব্যাপক পৰিৱৰ্তন আনিছে ।

সেয়ে সাৰ্বজনীন বিজ্ঞান শিক্ষাৰ প্ৰয়োজনীয়তাক আজি কোনেও নুই কৰিব নোৱাৰে । বিশ্বৰ উন্নত দেশবোৰৰ দৰে আমাৰ দেশতো বিদ্যালয়বোৰত প্ৰাথমিক পৰ্য্যায়ৰ পৰা মাধ্যমিক পৰ্য্যায়লৈ বিজ্ঞান শিক্ষা বাধ্যতামূলক কৰা হৈছে । বিশুদ্ধ খোৱা পানীৰ পৰা আধুনিকৃত শৌচাগাৰলৈ, বিজুলী চাকিৰ পৰা ৰন্ধন গেছলৈ, টেলিসংযোগৰ পৰা ইন্টাৰনেটলৈ, পেটৰ অসুখৰ পৰা কিড্নীৰ সলনিলৈ -- আদি বিভিন্ন বিজ্ঞানৰ অৱদান গ্ৰহণ কৰিবলৈ, ব্যক্তিগত অথবা ৰাজহুৱা প্ৰতিটো কথা আৰু কাম যুক্তিৰে বিচাৰ কৰিবলৈ আৰু যুক্তিৰ দ্বাৰা সমৰ্থিত জীৱন চালিত কৰিবলৈ ।

সত্তৰ দশকতে আমাৰ দেশৰ সকলোবোৰ

প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়তে বিজ্ঞান শিক্ষা বাধ্যতামূলক কৰা হৈছে। বিজ্ঞান শিক্ষাৰে শিক্ষিত লোকৰ সংখ্যা একেবাৰে নগণ্য বুলিব নোৱাৰি। অথচ আমাৰ সমাজত প্ৰাচীন সংস্কাৰবোধ কৌটিকলীয়া এলান্ধুৰ দৰে আজিও লাগি আছে। সমাজত জাত-পাতৰ বিচাৰ, জাত্যাভিমান, নানান অতিলৌকিক শক্তিৰ ওপৰত বিশ্বাস দ্ৰুতভাৱে বৃদ্ধি পাইছে। শিক্ষানুষ্ঠানবোৰত থকা ধৰ্মীয় গোড়ামী মন্দিৰতকৈ কেতিয়াও কম বুলিব নোৱাৰি । আমি বহুত কাম গতানুগতিক ভাৱে কৰি গৈ থাকো — যিবোৰৰ কোনো বৈজ্ঞানিক ভিত্তি নাই । এতিয়াও উচ্চ বৰ্ণৰ হিন্দুৱে নিম্ন বৰ্ণৰ হিন্দুৰ লগত একেখন মজিয়াত খাব পাৰে, অথচ বৈবাহিক সম্পৰ্ক স্থাপন কৰিব নিবিচাৰে । কাৰণ তেজৰ বিশুদ্ধতা ৰক্ষা নহ'ব । কিন্তু এই ধাৰণা সমুলঞ্চে অমূলক। আনকি সন্তানৰ তেজ পিতৃ-মাতৃৰ তেজৰ পৰাও বেলেগ হ'ব পাৰে । বৈজ্ঞানিকসকলে বিশ্লেষণ কৰি সু-স্বাস্থ্যৰ উপযোগী খাদ্যৰ তালিকা প্ৰস্তুত কৰিছে । অথচ তেনে খাদ্য যোগান ধৰিলেও সকলো জনসমষ্টিৰ লোকে বিনা বিচাৰে গ্ৰহণ কৰিবলৈ প্ৰস্তুত নহয় । আধুনিক জ্যোতি-বিজ্ঞানৰ অগ্ৰগতিৰ ফলত সৌৰজগত তথা বিশ্ব-ব্ৰহ্মাণ্ডৰ স্বৰূপ উদ্‌ঘাটিত হৈছে । অথচ শিক্ষিত লোকৰ বেছিভাগেই সন্তানৰ জন্মৰ পিছত পত্ৰিকা কৰোৱাই, আঙুলিত গ্ৰহৰ দোষ খণ্ডনৰ বাবে পৰিধান কৰে বিভিন্ন বহুমূলীয়া ৰত্ন। তাতোতকৈ ডাঙৰ কথা হৈছে বৰ্তমান বহুলভাৱে প্ৰচলিত প্ৰাক্-প্ৰাথমিক শিক্ষা পদ্ধতিটো বিশ্লেষণ কৰি চোৱাৰ । কম বয়সীয়া শিশুৰ মগজু, চকু আৰু স্নায়ুতন্ত্ৰ গধুৰ বোজা সহিবৰ জোখাৰে সবল আৰু পৈণত নহয় । শিক্ষাৰ এই প্ৰক্ৰিয়াই শিশুৰ স্বাভাৱিক বিকাশক বাধাগ্ৰস্ত কৰে । শিশুৰ আনুষ্ঠানিক শিক্ষা আৰম্ভ হোৱা উচিত ছয় সাত বছৰ বয়সত। আমাৰ গাঁও অঞ্চলত এতিয়াও কিছু পৰিমাণে এই নিয়ম বৰ্তি আছে। কিন্তু চহৰ বা মহানগৰৰ বৃহৎ সংখ্যক শিশুৱে শিক্ষাৰ নামত অভিশপ্ত শৈশৱ পাৰ কৰিছে । ইয়াৰ বাবে কোনো শিক্ষিত অভিভাৱকে বিৰূপ প্ৰতিক্ৰিয়া কৰা নাই । ইও অবৈজ্ঞানিক দৃষ্টিভংগীৰ অন্যতম উদাহৰণ । বৈজ্ঞানিক মানসিকতাৰ অভাৱৰ বাবেই আমাৰ দেশত জন্মনিয়ন্ত্ৰণে ব্যাপক সহাৰি লাভ কৰা নাই । ফলত বৰ্তমান সমাজৰ ভয়াবহ সমস্যাসমূহৰ উদ্ভৱ হৈছে আৰু আমাৰ সামাজিক আৰু ব্যক্তিগত জীৱনধাৰাৰ মান নিম্নগামী হৈছে । সেইবাবেই আমাক বৈজ্ঞানিক মানসিকতাৰ প্ৰয়োজন । বৈজ্ঞানিক মানসিকতাই মানুহক সত্য সন্ধানী কৰি তোলে । সকলো শ্ৰেণীৰ লোকৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ় ল'লেহে বিজ্ঞানে বৰ্তমান আৰু ভৱিষ্যতৰ জটিল সমস্যাসমূহ সমাধান কৰিব পাৰিব । ইয়াৰ বাবে প্ৰয়োজন হোৱা পৰিৱেশ গঢ়ি তুলিব লাগিব মানুহে নিজেই । তেতিয়াহে মানৱ জীৱন সুখ আৰু সমৃদ্ধিৰে পৰিপূৰ্ণ হ'ব । ডেকাৰ্টে কৈছে — "আমি যদি সত্যৰ অন্বেষণ কৰিব খোজোঁ, তেন্তে আমি জীৱনত অন্ততঃ এবাৰৰ কাৰণে হ'লেও প্ৰতিটো কথাৰ সত্যতা বা অভ্ৰান্ততা সম্পৰ্কে প্ৰশ্ন কৰিব পাৰিব লাগিব ।" অৰ্থাৎ বিশ্বাস নহয়, সন্দেহেই হ'ল জ্ঞানাৰ্জনৰ প্ৰথম সোপান আৰু সিয়েই হ'ল আধুনিক বিজ্ঞানৰ প্ৰথম সূচনা । গতিকে আমিও যুক্তিৰে সকলো কথা বিচাৰ কৰা মানসিকতাৰ জন্ম দিব লাগিব ।

অৰ্থাৎ বিজ্ঞান আৰু জীৱনক তেল আৰু পানীৰ দৰে নিলগাই ৰখাৰ মানসিকতাৰ অন্ত পৰিব লাগিব । আমাৰ বিজ্ঞান শিক্ষাই জন্ম দিছে কেৱল মুনাফা লাভৰ বাবে নাৰ্চিংহোমত ব্যস্ত চিকিৎসকক, কোটি কোটি টকা আত্মসাৎ কৰা অভিযন্তাক, কোনো বৈজ্ঞানিক মানসিকতাক নহয় । বিজ্ঞানসন্মত মানসিকতাৰ সৃষ্টি কৰিবলৈ সংবিধানত নতুনকৈ সন্নিবিষ্ট কৰা হ'ল এটি ধাৰা —

"প্ৰতিজন ভাৰতীয় নাগৰিকে বিজ্ঞানসন্মত মানসিকতা অৰ্জন কৰিব লাগিব ।" আশীৰ দশকতে প্ৰকাশিত হ'ল – "A Document of Scientific Temper" অৰ্থাৎ "বিজ্ঞানসন্মত মানসিকতাৰ দলিল" । ইয়াত বিজ্ঞানসন্মত মানসিকতা অৰ্জনৰ পথত থকা বাধাবোৰ ফঁহিয়াই দেখুওৱা হৈছে । তথাপি অৱস্থাৰ কোনো উন্নতি নহ'ল।

আৰু এটা বছৰৰ পাছতেই বিশ্বৰ লগতে অসমেও প্ৰবেশ কৰিব একবিংশ শতিকাত । এই শতিকাটোক এক নতুন আশাবাদেৰে গ্ৰহণ কৰাৰ প্ৰস্তুতি চলাইছে সমগ্ৰ বিশ্বই। য'ত সকলো শ্ৰেণীৰ জনসাধাৰণে পাব জীয়াই থকাৰ ন্যূনতম সুবিধা, সু-স্বাস্থ্য, শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ উপযুক্ত পৰিৱেশ । লগতে এই শতিকাটো হ'ব জ্ঞান তথা প্ৰজ্ঞাৰ শতিকা। কিন্তু আমাৰ দেশত একবিংশ শতিকাৰ শেষ দশকতো এই ব্যৱস্থা আশা কৰিব নোৱাৰি । ত্ৰুটিপূৰ্ণ আৰ্থ-সামাজিক ৰীতিৰ ফলত আমাৰ সৰহ সংখ্যক জনসাধাৰণে বাস কৰিছে দৰিদ্ৰতাৰ ন্যূনতম সীমাৰেখাৰ তলত। তেওঁলোকৰ সামাজিক দৃশ্যপট অতিকে শোকলগা । প্ৰজ্ঞা অথবা বৈজ্ঞানিক মানসিকতাৰ তেওঁলোকৰ কোনো প্ৰয়োজন নাই, প্ৰয়োজন কেৱল অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ।

কিন্তু যুগৰ অযোগ্য জীৱশ্ৰেষ্ঠ কোনো মানৱ সমষ্টিক বিশ্বৰ মানৱসমাজে সন্মানৰ চকুৰে চোৱাৰ দৃষ্টান্ত নাই। গতিকে বিশ্বৰ দৰবাৰত মূৰ নত কৰি নাথাকিবৰ বাবেই আমাক প্ৰয়োজন প্ৰজ্ঞা অথবা বৈজ্ঞানিক মানসিকতাৰ।৹

## জ্ঞাতব্য

গ্ৰহণৰ সময়ত কিয় আহাৰ খাব নালাগে এই বিষয়ত বিজ্ঞানীসকলে অনুসন্ধান কৰি এনে সিদ্ধান্তত উপনীত হৈছে যে গ্ৰহণৰ সময়ত পৃথিৱী সূৰ্য্যৰ কিছু কাষ চাপে। যাৰ ফলত সূৰ্য্যৰ অতি বেঙুনীয়া ৰশ্মি আৰু নানা ধৰণৰ ক্ষতিকাৰক পদাৰ্থ পৃথিৱীৰ ওপৰত পৰে। সেই বাবেই গ্ৰহণৰ সময়ত খোৱা-বোৱা যেনেকৈ সম্পূৰ্ণ স্বাস্থ্য হানিকৰ, তেনেকৈ গ্ৰহণ লগাৰ আগে আগে ৰন্ধাবঢ়া কৰা খাদ্যও খোৱা উচিত নহয়।

# সম্প্ৰতি পৰিৱেশ সংৰক্ষণৰ প্ৰয়োজনীয়তা কিমান ?

✎ ৰেখা বৰগোঁহাই
*স্নাতক দ্বিতীয় বাৰ্ষিক, কলা শাখা (ভূগোল বিভাগ)*

পৰিৱেশ বুলিলে সাধাৰণতে আমাৰ চাৰিওফালৰ অৱস্থাটোকে বুজায় । পৰিৱেশ দুই প্ৰকাৰৰ — প্ৰাকৃতিক পৰিৱেশ আৰু মানৱ পৰিৱেশ । সাধাৰণতে পৃথিৱীৰ উপৰিভাগৰ কোনো এক অঞ্চলৰ ভৌগোলিক অৱস্থান, ভূ-প্ৰকৃতি, নদ-নদী, উপকূল, জলবায়ু, মৃত্তিকা, জীৱ-জন্তু, খনিজ পদাৰ্থ আদি বিবিধ প্ৰাকৃতিক উপকৰণৰ সমষ্টিয়ে যি এক পৰিৱেশ সৃষ্টি কৰে তাকেই প্ৰাকৃতিক পৰিৱেশ বোলে । আনহাতে কোনো এটা অঞ্চলৰ জনসংখ্যা, জনবসতি, জাতি, ধৰ্ম, চৰকাৰী নীতি, অৰ্থনৈতিক অৱস্থা, সামাজিক অৱস্থা, কাৰিকৰী বিদ্যাৰ প্ৰগতি আদি উপকৰণৰ সমষ্টিক মানৱ পৰিৱেশ বোলে । প্ৰাকৃতিক পৰিৱেশ আৰু মানুহৰ মাজৰ সম্বন্ধ অতিকে নিবিড় । সাধাৰণতে পৰিৱেশৰ প্ৰভাৱ মানুহৰ কাম-কাজত প্ৰত্যক্ষভাৱে প্ৰকাশ পায় । সেয়ে ভালেমান ভূগোলবিদে মানুহ পৰিৱেশৰ দাস বুলিও ক'ব বিচাৰে । অৱশ্যে আজিৰ যুগত মানুহে নিজৰ জ্ঞান-বুদ্ধি আৰু কাৰিকৰী তথা প্ৰযুক্তিবিদ্যাৰ সহায়ত পৰিৱেশক নিজৰ আয়ত্বলৈ আনিবলৈ সক্ষম হৈছে । তথাপিও মানুহে পৰিৱেশক উলাই কৰি চলিব নোৱাৰে ।

প্ৰাকৃতিক পৰিৱেশৰ মূলতেই পৃথিৱীৰ উপৰি ভাগৰ ভিন ভিন অঞ্চলত বসবাস কৰা মানৱ জাতিৰ জীৱন-যাত্ৰাৰ প্ৰণালী, কৰ্ম প্ৰচেষ্টা, অৰ্থনৈতিক অৱস্থা, কৰ্ম শক্তি, বৰ্ণ, পোছাক-পৰিচ্ছেদ, বাসস্থান, আহাৰ, স্বভাৱ-চৰিত্ৰকে আদি কৰি তেওঁলোকৰ মানসিক চিন্তা-চৰ্চাৰ মাজত বিভিন্ন ধৰণৰ বৈষম্য পৰিলক্ষিত হয় । প্ৰাকৃতিক পৰিৱেশৰ মূল উপকৰণবোৰৰ অনুকূল প্ৰভাৱে কোনো অঞ্চলক সামাজিক, অৰ্থনৈতিক তথা জ্ঞান-বিজ্ঞানৰ ক্ষেত্ৰত চৰম সীমাত উপনীত কৰাইছে । সেইদৰে পৰিৱেশৰ প্ৰতিকূল অৱস্থাই পৃথিৱীৰ ভালেমান অঞ্চলক আজি পৰ্যন্ত অনুন্নত আৰু আদিম অৱস্থাতে ৰাখিবলৈ সক্ষম হৈছে ।

সম্প্ৰতি ভূ-পৃষ্ঠত দ্ৰুত গতিত বাঢ়ি অহা জনসংখ্যাই অবিজ্ঞান সন্মতভাৱে সামাজিক লাভৰ তুলনাত ব্যক্তিগত লাভক অধিক প্ৰাধান্য দি কৰিবলৈ লোৱা নানা প্ৰকাৰৰ কাম-কাজৰ ফলত পৰিৱেশ আৰু মানুহৰ মাজৰ সম্পৰ্ক লাহে লাহে হ্ৰাস পাই আহিছে । ইয়াৰ ফলতেই আমাৰ চৌপাশে থকা প্ৰাকৃতিক পৰিৱেশ লাহে লাহে দূষিত হৈ এইবোৰ আমাৰ বাবে ক্ৰমশঃ ব্যৱহাৰৰ অনুপযোগী হৈ আহিছে । আমাৰ চৌপাশৰ এই পৰিৱেশ দূষিত কিদৰে হ'বলৈ ধৰিছে তাৰ কেইটামান কাৰণ আলোচনা কৰিব বিচাৰিছোঁ ।

মানুহৰ ব্যক্তিগত চাহিদা পূৰণৰ অৰ্থে ক্ষিপ্ৰগতিত গছ-গছনিবোৰ কাটি জংঘলৰ পৰিমাণ লাহে লাহে হ্ৰাস কৰি অনাত যিদৰে জলবায়ু পৰিৱৰ্ত্তন ঘটিছে সেইদৰে ভূমিক্ষয়, বানপানী, নদীৰ অৱক্ষেপণ আদিৰ মাত্ৰা বৃদ্ধি পোৱাত মানুহৰ জীৱনলৈ নানান আহুকাল

আহি পৰিছে । দ্বিতীয়তে, অবিজ্ঞান সন্মতভাৱে ভূ-গৰ্ভৰ পৰা খনিজ পদাৰ্থবোৰ উদ্ধাৰ কৰিবলৈ গৈ মানুহে আমাৰ প্ৰাকৃতিক পৰিৱেশৰ ভাৰসাম্যতা লাঘৱ কৰিছে । সেইদৰে মানুহৰ ইচ্ছা অনুসৰি পৰ্বত-পাহাৰ কাটি সমান কৰা, জধে-মধে ৰাস্তা-ঘাট নিৰ্মাণ কৰা কাৰ্যৰ দ্বাৰাও পৰিৱেশ দূষিত হৈছে । তৃতীয়তে, পশ্চিমীয়া সভ্যতাৰে ধনিক শ্ৰেণীবোৰৰ লাভৰ বাবে অবিবেচক দৃষ্টিভংগীৰে স্থাপন কৰা শিল্পোদ্যোগসমূহৰ জড়িয়তেও পৰিৱেশ যথেষ্ট পৰিমাণে দূষিত হৈছে । চতুৰ্থতে, অত্যাধিক পৰিমাণে প্ৰজ্বলিত হ'বলৈ ধৰা কয়লা, পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ আদিৰ পৰা বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি হোৱাৰ ফলত পৰিৱেশ দূষিত হৈছে আৰু ধোঁৱা (Smoke)ৰ নিচিনা স্বাস্থ্য হানিকাৰক বাতাৱৰণ সৃষ্টি হৈছে। ইউৰোপ, যুক্তৰাষ্ট্ৰ, জাপান আদি উদ্যোগশীল দেশবোৰত বিশেষকৈ বায়ুমণ্ডল দূষিত হৈছে । এই দেশবোৰত বৰ্তমান বাতাৱৰণ দূষিতকাৰী সমস্যাৰ হাত সাৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে । পঞ্চমতে, নগৰ-চহৰৰ নানা প্ৰকাৰৰ নলা-নৰ্দমা, শৌচ-পেচাব, অন্যান্য অলাগতিয়াল পদাৰ্থবোৰ য'তে-ত'তে পেলাই দিয়াৰ ফলত পানী দূষিত হৈ জীৱ-জন্তুৰ জীৱন-ধাৰণত ব্যাঘাত জন্মাইছে । ষষ্ঠতে, সাগৰ-মহাসাগৰৰ পানীত ভূ-গৰ্ভৰ খাৰুৱা তেল জাতীয় পদাৰ্থ মিহলি হৈয়ো সমুদ্ৰৰ পানী দূষিত কৰিছে । সপ্তমতে, গাঁও অঞ্চলত বৰ্ধিত কীটনাশক ঔষধ, ৰাসায়নিক সাৰ আদিৰ ব্যৱহাৰৰ ফলত আৰু তেনেধৰণৰ মাৰাত্মক ৰাসায়নিক পদাৰ্থসমূহ বৃদ্ধি পোৱাৰ ফলত শস্য আৰু উদ্ভিদৰ নানা অপকাৰ সাধন হৈছে। অষ্টমতে, বৰ্তমান যুগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ ফলত উৎপন্ন কৰা নানা প্ৰকাৰৰ নিউক্লিয় পদাৰ্থ আৰু অত্যাধুনিক যন্ত্ৰপাতি, অস্ত্ৰ-শস্ত্ৰ পৰীক্ষা-নিৰীক্ষাৰ ফলত ভূ-গৰ্ভ নাইবা বায়ুমণ্ডলৰ কিমানখিনি ক্ষতি কৰিছে তাক এতিয়াই ঠাৱৰ কৰাটো টান । হয়তো ইয়াৰ ফল ভৱিষ্যতৰ বহু শতিকা ধৰি ভোগ কৰিব লাগিব । জাপানৰ হিৰোচিমা-নাগাছাকিৰ বিষাক্ত পৰিৱেশৰ ফল আজিলৈকে ভোগ কৰাৰ উপৰিও নতুনকৈ হোৱা ইৰাকৰ যুদ্ধ আৰু ভূপালৰ গেছ দুৰ্ঘটনাৰ কথা আঙুলিয়াব পাৰি ।

মানুহ আৰু পৰিৱেশৰ মাজৰ সম্বন্ধ যে অতি নিবিড় এই কথা আগতেই কৈ অহা হৈছে । মানুহ আৰু পৰিৱেশৰ মাজত যেতিয়া সন্তোলিত সম্বন্ধ বিনষ্ট হয়, তেতিয়া তেনেকুৱা পৰিৱেশত মানুহৰ সুখময় জীৱন-ধাৰণ ব্যাহত হয় । পৃথিৱীত বৰ্ধিত জনসংখ্যাৰ বিভিন্ন চাহিদা পূৰণৰ বাবে পৰিৱেশৰ ওপৰত মানুহে প্ৰয়োজনতকৈ অধিক হেঁচা প্ৰয়োগ কৰিবলৈ বাধ্য হৈছে । ফলস্বৰূপে প্ৰাকৃতিক পৰিৱেশ দিনে দিনে দূষিত হ'বলৈ ধৰিছে । পৰিৱেশ এনেদৰে দূষিত হ'বলৈ ধৰাত মানুহৰ জীৱনলৈ নানা প্ৰকাৰৰ আহুকাল আহিবলৈ ধৰিছে আৰু ইয়েই এদিন মানৱ জাতিৰ বাবে গুৰুতৰ সমস্যা হৈ পৰিব । মানৱ জাতিক এই নিশ্চিত বিপদৰ পৰা ৰক্ষা কৰিবলৈ আজি বিশ্বৰ সচেতন লোকসকল সঁচাকৈ চিন্তিত হৈ পৰিছে । আৰু যিকোনো উপায়েৰে পৰিৱেশ আৰু মানুহৰ মাজৰ সন্তোলিত অৱস্থা বজাই ৰাখিবলৈ যত্নপৰ হৈ উঠিছে । মানুহে সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক নীতি-নিয়মেৰে সমানভাৱে পৰিৱেশৰ ৰক্ষণাবেক্ষণ দিয়াটো অতি দৰকাৰী হৈ পৰিছে । মানুহ পৰিৱেশৰ দাস বা মানুহে পৰিৱেশক নিজৰ স্বাৰ্থ অনুসাৰে কিমান পৰিবৰ্তন কৰিব পাৰে, সেইটো গুৰুত্বপূৰ্ণ বিষয় নহয়। মানুহৰ মগজু-বুদ্ধি, বিচাৰ আৰু উদ্ভাৱনী শক্তিৰ আধাৰ। গতিকে মানুহে নিজৰ জ্ঞান-বুদ্ধিৰ দ্বাৰা পৰিৱেশ দূষিত নকৰাকৈ কি ধৰণে উপভোগ কৰিব পাৰি সেইটোহে বৰ্তমান সময়ত গুৰুত্বপূৰ্ণ বিষয় । মানুহৰ পৰিৱেশ সংৰক্ষণৰ কাৰ্যই পৃথিৱীৰ সকলোৰে বাবে সুখ-শান্তি কঢ়িয়াই অনাত সফল হওঁক।



# আধুনিক উচ্ছৃংখল যুৱ সমাজ

✎ জুৰি চেতিয়া
স্নাতক দ্বিতীয় বাৰ্ষিক

আধুনিক যুগত আমাৰ ভাৰতবৰ্ষ তথা গোটেই বিশ্বতে যুৱ সমাজত যথেষ্ট উচ্ছৃংখলতাই দেখা দিছে । আজি ভাৰতবৰ্ষৰ লগতে আমাৰ অসমত দিনক দিনে উচ্ছৃংখল যুৱ মানসিকতাই গা কৰি উঠিছে । বৰ্তমান আমাৰ সমাজত দেখা দিয়া যুৱ উচ্ছৃংখলতাৰ কাৰণসমূহ বিশ্লেষণ কৰিলে সাধাৰণতে কেইটামান কাৰণ দৃষ্টি গোচৰ হয় । সামাজিক ব্যৱস্থাৰ দ্ৰুত পৰিৱৰ্তন, অৰ্থনেতিক বৈষম্য, নিবনুৱা বা কৰ্মহীনতা, উৎপাদনতকৈ সহজে উপাৰ্জন কৰাৰ মনোবৃত্তি, নিচাযুক্ত দ্ৰব্য সেৱন, অসুস্থ পৰিৱেশ, অপৰিপক্ক চিন্তাধাৰা ইত্যাদি ।

আমাৰ মনত এটা সদায় ধাৰণা হয় যে এতিয়া আৰু আগৰ দিন নাই । এতিয়া আধুনিক যুগ । কিন্তু এই আধুনিকতানো কি আমি তাক ভালদৰে জনা উচিত । আমি সভ্য হৈছোঁ বুলি ক'লে নহ'ব । উচ্ছৃংখল জীৱন-যাপন, সস্তীয়া মনোৰঞ্জন, নিম্নস্তৰৰ, চিনেমা প্ৰদৰ্শন, নিচাযুক্ত দ্ৰব্য সেৱন, অৰ্দ্ধনগ্ন হৈ নিজকে আধুনিক বুলি ক'লেই নহ'ব । আধুনিকতাৰ বাটেদি আগবাঢ়ি অহাৰ লগে লগে আমাৰ সমাজৰ এচাম যুৱক-যুৱতী ভুল পথে আগবাঢ়ি গৈছে। সিহঁতে আধুনিকতাৰ নামত নিজৰ জাতি, সংস্কৃতিৰ কথা পাহৰি গৈ অৰ্দ্ধনগ্ন দেহা উলিয়াই নিজৰ সাজ-পাৰৰ কথা পাহৰি গৈছে । কিন্তু এচাম যুৱক-যুৱতীয়ে বিৱৰ্তনৰ সৈতে হাত মিলাই আগবাঢ়ি গৈছে। আমি বিচাৰ কৰিলে দেখা পাম যে আধুনিক শব্দটো হ'ল আপেক্ষিক শব্দ । আধুনিকৰ আচল অৰ্থটো হ'ল — চিন্তা-চৰ্চা, আচাৰ-ব্যৱহাৰ, কাম-কাজ আদি সকলো দিশতে উন্নত বিচাৰ।

আধুনিক উচ্ছৃংখল বা বিপথগামী যুৱ মানসিকতাৰ বাবে যুৱক-যুৱতীসকলৰ লগতে তেওঁলোকৰ পিতৃ-মাতৃসকলো সমানে দায়ী বুলি ক'ব পাৰি । অৱশ্যে সকলো যুৱক-যুৱতী বিপথে গৈছে বুলি ক'ব খোজা নাই আৰু সকলো যুৱক-যুৱতীৰ পিতৃ-মাতৃসকল দায়ী বুলি ক'ব খোজা নাই । পিতৃ-মাতৃসকল জগৰীয়া হোৱাৰ কাৰণ হৈছে তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীয়ে শিক্ষা লাভৰ বাবে কেনে আগ্ৰহ প্ৰকাশ কৰে তাক চাব লাগে । যিবিলাক বিষয়ত ল'ৰা-ছোৱালীয়ে আগ্ৰহ দেখুৱায় সেই বিষয়টোহে তেওঁলোকক পঢ়িবলৈ দিব লাগে । অভিভাৱক হিচাপে কেৱল খোৱা-পিন্ধা, কিতাপ-পত্ৰ দিয়াই যথেষ্ট নহয় । বৰঞ্চ তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে বিদ্যালয়ত কেনে ধৰণৰ শিক্ষা লাভ কৰিছে, পঢ়াত ভালনে বেয়া, সেইবোৰ মাজে সময়ে বিদ্যালয়লৈ গৈ খবৰ-খাতি লোৱাটো একান্ত দৰকাৰ । তেওঁলোকে আন এটা কথালৈ গুৰুত্ব দিয়া প্ৰয়োজন যে তেওঁৰ ল'ৰাজনে শিক্ষানুষ্ঠানলৈ গৈছে নে নাই তাক পৰ্য্যবেক্ষণ কৰা ।

যুৱ সমাজ উচ্ছৃংখল হোৱা প্ৰধান কাৰণ হ'ল নিবনুৱা বা কৰ্মহীনতা । জনসংখ্যা বৃদ্ধি হৈ অহাৰ লগে লগে আমাৰ অসমত নিবনুৱা সমস্যাই ব্যাপক ৰূপ ধাৰণ কৰিছে । বহুতো যুৱক-যুৱতীয়ে শিক্ষা-দীক্ষা গ্ৰহণ কৰিও কৰ্মহীন হৈ আছে । তেওঁলোকে কোনো সংস্থাপন নোপোৱাৰ বাবে বিপথে পৰিচালিত হৈছে আৰু

তেওঁলোকে অৱশেষত সহজে উপাৰ্জন কৰা মনোবৃত্তি গ্ৰহণ কৰিছে । সেইদৰে চাৰিওফালে অভাৱ-অনাটনৰ মাজত থাকি জীৱনত সুখৰ মুখ নেদেখি জীৱনটো সাৰ্থক কৰিবলৈ গৈ যেতিয়া প্ৰতিবন্ধক আহি পৰে তেতিয়া অকণমান সুখ আৰু আনন্দৰ বাবে মাদক দ্ৰব্য সেৱন কৰে । তেতিয়া তেওঁলোকে হাতত অস্ত্ৰ তুলি লয়। ফলত আমাৰ সমাজত উচ্ছৃংখলতাই দেখা দিয়ে।

আধুনিক সমাজত অৰ্থনৈতিক বৈষম্যই দেখা দিছে। দুখীয়াসকল দুখীয়া হৈ গৈছে আৰু ধনীসকল ধনী হৈ গৈছে। আজিৰ যুগত এনেকুৱা এটা পৰিস্থিতি সৃষ্টি হৈছে যে যাৰ টকা-পইচা আছে তেওঁহে আধুনিক সমাজত তিষ্ঠি থকিব পাৰিব আৰু যাৰ টকা নাই তেওঁ জীৱন্তে মৃত হোৱাৰ দৰে। যিসকল যুৱক-যুৱতী ধনী ঘৰৰ তেওঁলোকেহে সংস্থাপন পায়, যিসকল যুৱক-যুৱতী দুখীয়া আৰু মধ্যবিত্ত তেওঁলোকে কোনো সংস্থাপন নাপায় । সেই যুৱক-যুৱতীসকলে দুখ আৰু বেদনাত ভাগি পৰি সমাজত উচ্ছৃংখল অৱস্থাৰ সৃষ্টি কৰে।

আধুনিক যুৱ সমাজৰ উচ্ছৃংখলতাৰ আন এটা কাৰণ হ'ল – অনুন্নত অৰ্থনীতি আৰু ৰাজনৈতিক কাৰণ। কৃষক, শ্ৰমিকসকলে হাড়ভঙা পৰিশ্ৰম কৰি উৎপাদিত কৰা সামগ্ৰীসমূহৰ ওপৰতেই এখন দেশৰ বৰ্তমান আৰু ভবিষ্যত নিৰ্ভৰ কৰে । অথচ এইসকলৰ উন্নতিৰ প্ৰতি চৰকাৰে সদায়ে অৱহেলা কৰি আহিছে। আজি ভাৰতবৰ্ষত জনসাধাৰণৰ দ্বাৰা উৎপাদিত সামগ্ৰীসমূহ জনগণে নিৰ্বাচিত কৰি পঠিওৱা স্বয়ং প্ৰতিনিধিসকলেই লুণ্ঠন কৰি নিছে । যাৰ বাবে আমাৰ যুৱক-যুৱতীসকল কৰ্মহীন হৈ পৰিছে । আমাৰ অসমত বানপানী সমস্যাই ব্যাপক ৰূপ ধাৰণ কৰিছে । কিন্তু চৰকাৰে তাৰ সমাধানৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই । তেওঁলোকে বাতৰি কাকতৰ জৰিয়তে বান-নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ব্যয় কৰা শিতানৰ বিষয়ে ভুৱা প্ৰচাৰ কৰে; কিন্তু বাস্তৱত সেয়া ৰূপায়িত নহয় । আমাৰ যুৱক-যুৱতীসকলে খেতি-বাতি কৰি খাবলৈ অসমত সুবিধা নাই। বিশেষকৈ গাঁৱৰ ৰাইজৰ যি কেইডৰা মাটি আছে সেই কেইডৰা বানপানীয়ে আহি মাৰি থৈ যায়, কিন্তু চৰকাৰে আমাৰ এই দুখীয়া খেতিয়কসকলৰ পৰা কৰ আদায় কৰিবলৈ নাপাহৰে । উদাহৰণস্বৰূপে ঃ আমি বজাৰৰ কথাকে ক'ব পাৰো। এজন যুৱকে বজাৰলৈ জলকীয়া, বেঙেনা আদি কিছুমান শাক-পাচলি নিলে তেওঁৰ বস্তু বিক্ৰী হওঁক বা নহওঁক, হাতখোৱাই কৰ আদায় কৰিবই। আমাৰ সমাজৰ এচাম শিক্ষিত যুৱক-যুৱতীয়ে এইবিলাকৰ প্ৰতিবাদকল্পে হাতত মাৰণাস্ত্ৰ তুলি লৈছে আৰু ফলত অসমৰ আৰ্থ-সামাজিক ব্যৱস্থাত বিশৃংখলতাই দেখা দিছে। কিছুমানে আকৌ সহজ উপায়েৰে ধন আদায় কৰিবলৈ গৈ নিৰপৰাধী কিছুমান মানুহক যধে-মধে হত্যা কৰিছে। ফলত আমাৰ সমাজখন ভুল পথে আগবাঢ়ি গৈছে।

মোৰ ধাৰণা মতে ওপৰত উল্লেখ কৰা সমস্যাসমূহ আঁতৰ কৰিব পাৰিলেহে আমাৰ যুৱ-সমাজত বিশৃংখলতা আঁতৰ হ'ব ।

### কৌতুক

শিক্ষক ঃ হৰি, "গৰমত ঘাম ওলায়" – এইটো কোন কালৰ বাক্য ?

হৰি ঃ চাৰ, এইটো গ্ৰীষ্ম কালৰ বাক্য।

শিক্ষকে আকৌ হৰিক সুধিলে –

শিক্ষক ঃ আকৌ ক'চোন, তোৰ ককা ৮০ বছৰ বয়সত তীৰ্থ ভ্ৰমণ কৰিবলৈ গৈছিল। এইটো বাৰু কোন কালৰ বাক্য ?

হৰি ঃ চাৰ, 'গৈছিল' শব্দটোৱে অতীতক বুজাই যেতিয়া এইটো নিশ্চয় বৃদ্ধ কালৰ বাক্য হ'ব।

*সংগ্ৰহ ঃ দিপশিখা দেৱী*

# বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত চিনেমাৰ প্ৰভাৱ

মনালিছা দত্ত
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

"বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত চিনেমাৰ প্ৰভাৱ" এই বিষয়টোৰ এটা বস্তুনিষ্ঠ পৰ্য্যালোচনা আগবঢ়াবলৈ যাওঁতে আমি মূল দুয়োটা বিষয় অৰ্থাৎ ছাত্ৰ-ছাত্ৰীৰ মানসিকতাৰ দৰ্শনগত ভিত্তি আৰু বোলছবি বা চিনেমাৰ দৰ্শনগত ভিত্তিক বস্তুনিষ্ঠভাৱে চাব লাগিব।

মানুহৰ জীৱনৰ দৰ্শনগত ভিত্তিটো গঢ়ি উঠে আমি বাস কৰা সমাজখনৰ বাস্তৱ পৰিস্থিতিৰ ওপৰত । চেতনা যিহেতু বাস্তৱ পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল, সেয়ে ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনৰ দৰ্শনগত ভিত্তিটো গঢ়ি উঠিব তেওঁলোকে বাসকৰা সমাজখনত। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন সম্বন্ধীয় কেন্দ্ৰীয় মানসিকতাত বোলছবিয়ে পোনপতীয়াকৈ প্ৰভাৱ পেলাব নোৱাৰে । কাৰণ আমি যদি অন্যান্য আনুসঙ্গিক বিষয়বিলাকৰ পৰা আঁতৰি চিনেমাৰ দৰ্শনগত ভিত্তিটো লক্ষ্য কৰোঁ, তেতিয়া এটা কথা স্পষ্ট ৰূপত জানিব পাৰোঁ যে চিনেমাৰ মূল দৰ্শনগত ভিত্তিটো সদায়েই "সত্যৰ জয় আৰু অসত্যৰ পৰাজয়" এই বিষয়ৰ ওপৰত প্ৰতিষ্ঠিত ।

এইখিনিতে এটা প্ৰশ্ন উদয় হয়। সেয়া হৈছে — সত্যৰ সদায় জয় আৰু অসত্যৰ পৰাজয়, এই বাণীৰ জয়গান গোৱাটোৱেই যিহেতু চিনেমা বা বোলছবিৰ মূল দৰ্শনগত ভিত্তি। বাস্তৱত কিন্তু তাৰ বিপৰীত দিশটোহে প্ৰত্যক্ষ কৰা হয়। গতিকে আমি এইটো জানিব পাৰিলো যে চিনেমাৰ মূল দৰ্শনগত ভিত্তিটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত প্ৰভাৱ পেলাব নোৱাৰে । এই কথা অকপতে স্বীকাৰ কৰি লৈও আমি মানি ল'ব লাগিব যে, চিনেমাৰ মূল দৰ্শনগত ভিত্তিটোৰ পৰা নিলগত থকা অথচ কাহিনী আগবঢ়াই নিবলৈ বহুক্ষেত্ৰত আৱশ্যকীয় কিছুমান আনুসঙ্গিক বিষয়ে ছাত্ৰ-ছাত্ৰীৰ জীৱনত প্ৰভাৱ পেলোৱা দেখা যায়। উদাহৰণস্বৰূপে চিনেমাৰ নায়ক-নায়িকাৰ লগত নিজকে মিলাই চাবলৈ গৈ বহুতো ছাত্ৰ-ছাত্ৰীয়ে নিজৰ জীৱনধাৰাৰ ধৰণটোও (Life Style) বহুক্ষেত্ৰত অবাস্তৱ ধাৰণাৰে পৰিচালিত কৰা দেখা যায়। ফলত বহুতো ছাত্ৰ-ছাত্ৰীৰ খোজ-কাটল, সাজ-পোছাক, জ্যেষ্ঠজনৰ প্ৰতি ব্যৱহাৰ, শিক্ষা অনুষ্ঠানৰ প্ৰতি দায়বদ্ধতা ইত্যাদি বিষয়ত চিনেমাৰ প্ৰভাৱ পৰিলক্ষিত হয় । যিবোৰ বিষয় ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশৰ লগত ওতঃ প্ৰোতঃভাৱে জড়িত ।

ইয়াৰোপৰি ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত চিনেমাৰ আটাইতকৈ প্ৰতিকূল প্ৰভাৱ হ'ল – ই ছাত্ৰ-ছাত্ৰীক অধ্যয়ন বিমুখ হোৱাত সহায় কৰে । চিনেমাৰ দৃশ্য শ্ৰাব্যৰ যোগেদি অকণো মগজু খৰচ নকৰাকৈ লাভ কৰা সুলভ আনন্দই ছপা আখৰৰ পৰা লাভ কৰা দুৰ্লভ আনন্দক বহুদূৰ প্ৰতিহত কৰে। ৰূপালী পৰ্দাই ছাত্ৰ-ছাত্ৰীক আমোদ দিব পাৰে সঁচা; কিন্তু মগজুৰ বিকাশ ঘটাব নোৱাৰে।

সামৰণিত আমি ইয়াকে ক'ব পাৰো যে চিনেমা বা বোলছবিৰ মূল দৰ্শনটোৱে নহয় তাৰ আনুসাঙ্গিক উপকৰণবোৰেহে ছাত্ৰ-ছাত্ৰীৰ ওপৰত কু-প্ৰভাৱ পেলোৱা দেখা যায়।

# অসমৰ ভাস্কৰ্য্য

স্মৃতি বৰুৱা
স্নাতক তৃতীয় বাৰ্ষিক, বিজ্ঞান শাখা

আমাৰ অসম ৰাজ্য নানা সম্পদেৰে চহকী। ভাস্কৰ্য্যৰ ক্ষেত্ৰতো অসমে আমালৈ যি দান দি থৈ গৈছে সেয়া লেখত ল'বলগীয়া। শৈলী অনুযায়ী অসমৰ ভাস্কৰ্য্যক দুই ভাগত ভগাব পাৰি।

১) প্ৰাক আহোম যুগৰ ভাস্কৰ্য্য আৰু ২) আহোম যুগৰ ভাস্কৰ্য্য। প্ৰাক্-আহোম যুগৰ ভাস্কৰ্য্যত গুপ্ত ভাস্কৰ্য্যৰ প্ৰভাৱ স্পষ্ট। আহোম যুগৰ ভাস্কৰ্য্যতো কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয়। আহোম যুগৰ ভাস্কৰ্য্য শিল, ইটা, কাঠ আৰু ধাতু এই তিনিটাৰ ওপৰত কৰা হৈছিল। শিলৰ ভাস্কৰ্য্য হিচাপে অসমীয়া শিলাকুটিয়েই শিলৰ বুকুত শিল্পীৰ সপোন ফুটাই তুলিছিল। আহোম যুগৰ ভাস্কৰ্য্য কিছু খহতা বা স্থূল। বৰ্মণ শালস্তম্ভ আৰু পাল বংশ ৰাজত্ব কালেই প্ৰাক-আহোম যুগৰ ভাস্কৰ্য্য। আহোম ভাস্কৰ্য্য আহোম যুগৰ।

নিৰ্মাণৰ সামগ্ৰী অনুযায়ী অসমৰ ভাস্কৰ্য্যক চাৰিভাগত ভাগ কৰিব পাৰি -- (১) শৈলী ভাস্কৰ্য্য, (২) মৃন্ময় ভাস্কৰ্য্য, (৩) ধাতৱ ভাস্কৰ্য্য আৰু (৪) কাঠৰ ভাস্কৰ্য্য। বিষয়বস্তুৰ ফালৰ পৰা আকৌ ভাস্কৰ্য্যক তিনিটা ভাগত ভাগ কৰিব পাৰি -- মনুষ্য ৰূপৰ মূৰ্ত্তি, জীৱ-জন্তুৰ মূৰ্ত্তি আৰু অলংকাৰৰ নক্সা।

তেজপুৰৰ দ-পৰ্বতীয়া গাঁৱৰ ভগ্ন-মন্দিৰৰ স্থানত থিয় হৈ থকা শিলৰ কাৰুকাৰ্য কৰা দ্বাৰখন অসমৰ প্ৰাচীন ভাস্কৰ্য্যৰ নিদৰ্শন। এই দ্বাৰখন পঞ্চম-ষষ্ঠ শতিকাত নিৰ্মাণ কৰা বুলি ধৰা হৈছে। নগাঁও জিলাৰ বৰ গংগাত বৃহৎ শিলবটাত এখন লিপি আৰু তাৰ দুয়োকাষে স্থানক অৱস্থাত ত্ৰিশূলধাৰী দুটা দ্বাৰপালৰ মূৰ্ত্তি খোদিত কৰা হৈছে। ই ষষ্ঠ শতিকাৰ আগৰ। ডবকাৰ (মিকিৰআতি) মন্দিৰৰ নাৰীমূৰ্ত্তিত গুপ্ত শৈলীৰ প্ৰভাৱ পৰিছে। কুমাৰ ভাস্কৰবৰ্মাৰ ডুবি তাম্ৰলিপি কামৰূপৰ ভাস্কৰ্য্যৰ এটি নিদৰ্শন। ই সপ্তম শতিকাৰ। প্ৰাচীনত্বৰ ফালৰ পৰা ডবকাৰ ভগ্নমন্দিৰৰ বিষ্ণু মূৰ্তি, দেওপানীৰ ড'নশিৰ বিষ্ণু মূৰ্তি আদিয়েই প্ৰধান। গোৱালপাৰা জিলাৰ সূৰ্য্য-পাহাৰতো প্ৰাক-আহোম যুগৰ শৈল ভাস্কৰ্য্যৰ নিদৰ্শন পোৱা যায়। ইয়াত হিন্দু, বৌদ্ধ আৰু জৈন ধৰ্মৰ কীৰ্তিচিহ্ন শিলত খোদিত কৰা আছে। মৰনৈৰ পৰা প্ৰায় দুমাইল দূৰত এই পাহাৰৰ দাঁতিত শিলত কটা বহুতো মূৰ্তি আৰু বৌদ্ধস্তুপ আছে। এই মূৰ্তিবোৰ ৮ম / ৯ম শতিকাৰ বুলি অনুমান কৰা হৈছে। ইয়াৰ দক্ষিণে এটা আদিত্যচক্ৰ আছে। এনেকুৱা আদিত্যচক্ৰ অসমৰ আৰু ক'তো পোৱা নাযায়। গুৱাহাটীৰ কাহিলীপাৰাৰ ওদালবাক্ৰা গাঁৱত আৱিষ্কৃত হোৱা ব্ৰঞ্জৰ মূৰ্তিসমূহ অষ্টম আৰু নৱম শতিকাৰ। এই মূৰ্তিসমূহৰ ভিতৰত আটাইতকৈ বিতোপন মূৰ্তিটো হৈছে ইন্দ্ৰ দেৱতাৰ (৩২ X ১৬ ছেঃ মিঃ) বাইহাটা চাৰিআলিৰ উত্তৰে পিংগলেশ্বৰ মন্দিৰৰ ভগ্ন গৰ্ভ গৃহটো নতুনকৈ সজোৱাত তাত বহুতো প্ৰাক-আহোম যুগৰ কাৰুকাৰ্য কৰা শিল আৰু শিলত কটা মূৰ্ত্তি ওলায়। পিংগলেশ্বৰৰ ভাস্কৰ্য্যত পোৱা কামাসক্ত নৰ-নাৰী আৰু পশুৰ মূৰ্তি উল্লেখযোগ্য। দেওপৰ্বতৰ (নুমলিগড়) বৃহৎ আকৃতিৰ ভগ্নাৱশেষত এলানি অপ্সৰাৰ মূৰ্তি আছে। তেজপুৰৰ ভগ্ন মন্দিৰত খোদিত শিলবোৰ মন কৰিবলগীয়া। দৰং জিলাৰ শিঙৰী চাহ বাগিচাৰ মাজতো মন্দিৰৰ অৱশেষ আৰু শিলৰ মূৰ্তি উদ্ধাৰ কৰা হৈছে। হাজো আৰু কামাখ্যাত

প্ৰাক-আহোম যুগৰ ভাস্কৰ্য্যৰ নিদৰ্শন পোৱা যায় । কামাখ্যা মন্দিৰৰ চৌহদৰ কাষতে দুটা ধুনীয়া চামুণ্ডা দেৱীৰ মূৰ্তি আছে । এনেকুৱা মূৰ্তি নগাঁৱতো আছে । গুৱাহাটীৰ শুক্ৰেশ্বৰ মন্দিৰৰ পিছফালে ব্ৰহ্মপুত্ৰৰ পাৰত মহিষমৰ্দিনী, বিষ্ণু, সূৰ্য্য আৰু গণেশৰ মূৰ্তি আছে । শৈলীৰ ফালৰ পৰা এই ভাস্কৰ্য্যৰাজি ১০ম / ১১তম্ শতিকাৰ যেন অনুমান হয় । ব্ৰহ্মাপুত্ৰৰ উত্তৰ পাৰে কানাই বৰশী বোৱা শিলে আৰু দ'ল-গোবিন্দ মন্দিৰৰ প্ৰাংগণত থকা মূৰ্তিসমূহেও হিন্দু ভাস্কৰ্য্যৰ সাক্ষ্য দিয়ে ।

অসমৰ প্ৰাক-আহোম যুগৰ পালশৈলীৰ ভাস্কৰ্য্যৰাজিৰ পৰা এইটো প্ৰমাণ হৈছে যে মধ্যযুগৰ পূৰ্বভাৰতীয় ভাস্কৰ্য্যশৈলীৰ লগত অসমৰ ভাস্কৰ্য্য শৈলীৰ বিভিন্নতা নাই । আহোম যুগৰ ভাস্কৰ্য্যৰ চানেকি আমি প্ৰথম দেখিবলৈ পাওঁ কমলাবাৰীসত্ৰৰ নামঘৰৰ তামৰ দ্বাৰখনত । মহিষমৰ্দিনী মূৰ্তিটো পালশৈলীৰ, কিন্তু দ্বিতীয় মূৰ্তিটো আহোম যুগৰ । নামনি আৰু মধ্য অসমত আহোম যুগত নিৰ্মাণ কৰা মন্দিৰবোৰ প্ৰাক-আহোম যুগৰ মন্দিৰৰ ধ্বংসাৱশেষৰ ঠাইতেই আহোম শৈলীৰে নিৰ্মিত । মন্দিৰৰ বেৰতহে আহোমৰ স্বকীয়তাই নতুনকৈ স্থান পাইছে । শৈলীৰ ভাস্কৰ্য্যৰ দৰে আহোমৰ পোৱা মাটিৰ ভাস্কৰ্য্যও উল্লেখযোগ্য । জয়সাগৰ পুখুৰীৰ পাৰৰ ঘনশ্যাম দ'ল পোৱা মাটিৰ ভাস্কৰ্য্যৰে অলংকৃত । ইয়াত পোৱা তিনিটা ফলকত ক্ৰমে বিষ্ণুৰ মৎস্য, কূৰ্ম আৰু বৰাহ অৱতাৰৰ মূৰ্তি আছে। ধাতবী ভাস্কৰ্য্যৰো আহোম যুগত বিকাশ হৈছিল । আহোম যুগত বহুতো মন্দিৰত বিগ্ৰহ হিচাপে ধাতুৰ মূৰ্ত্তি নিৰ্মিত হৈছিল । এই ধাতুৰ মূৰ্ত্তিবোৰৰ ভিতৰত পিতলৰ মূৰ্ত্তি উল্লেখযোগ্য। কামৰূপ জিলাৰ পুঠিমাৰিত পোৱা অৰ্জুন, কৃষ্ণ, লক্ষীমপুৰৰ চামধৰাত পোৱা বেণুগোপাল আদি মূৰ্ত্তিয়ে শেষ যুগৰ ভাস্কৰ্য্যৰ নিদৰ্শন দাঙি ধৰিছে । এইদৰেই অসমৰ ভাস্কৰ্য্যই ঊনবিংশ শতিকালৈকে বেলেগ বেলেগ গঢ় লৈছিল আৰু দেশৰ বাকী ৰাজ্যৰ লগতো আৰু বিদেশীৰ লগতো সম্বন্ধ ৰাখি স্বকীয় ভাৱধাৰা প্ৰদৰ্শন কৰিছিল ।

## জ্ঞাতব্য

☞ খোৱাৰ সময়ত কথা পাতি থাকিলে খোৱা বস্তু প্ৰয়োজন অনুসৰি চোবোৱা নহয়। এইটো শৰীৰৰ পক্ষে ক্ষতিকাৰক। তাৰোপৰি অন্যমনস্ক হৈ থাকিলে খাদ্যবস্তু শ্বাসনলীত সোমাব পাৰে। সেয়েহে খোৱাৰ সময়ত অত্যন্ত মনোযোগ সহ ধীৰে-সুস্থিৰে খাব লাগে।

☞ খাদ্য দ্ৰব্য হজমৰ বাবে পানৰ ৰস বৰ উপকাৰী। ই পিত্ত আৰু কৃমি নাশ কৰাৰ উপৰিও মুখৰ দুৰ্গন্ধ দূৰ কৰাত সহায় কৰে। চুণেও একেদৰেই কাম কৰে। সেয়েহে গধুৰ খাদ্য বস্তু খোৱাৰ পাছত সাধাৰণতে তামোলখন মুখুদি বুলি খোৱা হয়।

☞ কাতি মাহত মাছৰ বসন্ত ৰোগ হয় বুলি জনা যায়। ফলত খাওঁতাৰ শৰীৰৰ ক্ষতিৰ সম্ভাৱনা নোহোৱা নহয়। সেই কাৰণেই কাতি মাহত মাছ খোৱাটো নিষেধ কৰা হৈছে।

*সংগ্ৰহ ঃ দিপশিখা দেৱী*

বিজ্ঞান ভিত্তিক প্ৰবন্ধ

# কফি বিজ্ঞান

✎ অঞ্জনা চন্দ
স্নাতক তৃতীয় বাৰ্ষিক, বিজ্ঞান শাখা

উদ্ভিদ জগতত কফি হ'ল ৰুবিয়েমী গোত্ৰৰ কফফিয়া গণভুক্ত উদ্ভিদ । এই গণৰ চাৰিটা প্ৰজাতিৰ বীজৰ পৰা প্ৰধানতঃ কফি পাউদাৰ তৈয়াৰ কৰা হয় । ইহঁত উষ্ণ মণ্ডলৰ চিৰ হৰিৎ উদ্ভিদ । ১৪-৩৬ ফুট ওখ এই গছবোৰৰ পাত ৩-৬ ইঞ্চি দীঘল আৰু গাঢ় সেউজীয়া ৰঙৰ হয় । পাতৰ কোঁচৰ পৰা যেতিয়া থোকে থোকে সৰু সৰু বগা সুগন্ধি ফুলবোৰ ফুলে তেতিয়া এনে লাগে যেন কফিৰ খেতিত বৰফ পৰিছে । ফুল ফুলাৰ পিছত ফল পকোতে ৫/৬ মাহ সময় লাগে। ফলবোৰৰ আকাৰ গোল হয় । ফলবোৰ কেঁচাত সেউজীয়া আৰু পকিলে ৰঙা হয়। ফলৰ ভিতৰত দুটা বীজ থাকে ।

আৰবিকা আৰু ৰোবুষ্ঠা এই প্ৰজাতি দুটা পূৰ্ব আফ্ৰিকাৰ আদি বাসিন্দা । আৰবিকা কফিৰ মৃদু ভূৰ ভূৰ গোন্ধ সকলো দেশৰে প্ৰিয় । কিন্তু এই প্ৰজাতিৰ গছ সহজেই ৰোগত আক্ৰান্ত হয় । আনহাতে ৰোবুষ্ঠা কফিৰ গোন্ধ কাঢ়া আৰু ইয়াৰ ৰোগ প্ৰতিৰোধ ক্ষমতা বেছি । ১১শ শতিকা পৰ্যন্ত আৰব ভূমিৰ বাহিৰত যেতিয়া যিমান কফিৰ আৱশ্যক হৈছিল ইয়েমেনৰ পৰা অনা হৈছিল । এতিয়া বিশ্বৰ বজাৰত সকলোতকৈ বেছি পৰিমাণৰ কফি যোগান ধৰে ব্ৰাজিলে । ইয়াত যে কেৱল কফি গছত অধিক ফল ধৰে তেনে নহয়, ব্ৰাজিলৰ কফি গছ আৰাবিকা প্ৰজাতিৰ হোৱাৰ বাবে স্বাদৰ ক্ষেত্ৰতো উৎকৃষ্ট। কিন্তু এতিয়া ব্ৰাজিলত আগতকৈ কফি ৰপ্তানিৰ পৰিমাণ কমি গৈছে। ব্ৰাজিলৰ পিছত কফি ৰপ্তানীৰ ক্ষেত্ৰত আছে -- কলম্বিয়া আৰু ইন্দোনেছিয়া। ইয়াৰ উপৰিও আমেৰিকাৰ নিকৰাগুৱা, হনডুৰাছ, গুয়াতেমাল, দক্ষিণ আমেৰিকাৰ পেৰু, ইকুয়েডৰ আৰু ভেনেজুয়েলাই কফি ৰপ্তানি কৰে। তাৰোপৰি এই তালিকাত আছে ৱেষ্টইণ্ডিজ দ্বীপপুঞ্জৰ হাইতি, ডামিনিকান ৰিপাবলিক, জামাইকা, মাৰ্টিনিক; আফ্ৰিকা আৰু এছিয়া মহাদেশৰ বহুতো ঠাই যেনে আইভৰি কোষ্ঠ, এঙ্গোলা, উগাণ্ডা, তানজেনিয়া, কেনিয়া. ইথিওপিয়া, ক্যামাৰুণ, মাদাগাস্কা, বুৰুন্দি আৰু ভাৰতবৰ্ষ ।

## ভাৰতৰ প্ৰথম কফি ঃ

ভাৰতবৰ্ষলৈ প্ৰথম কফি আহে ইয়েমেনৰ পৰা। এই কফি আছিল আৰবিকা প্ৰজাতিৰ । দক্ষিণ ভাৰতক বাছি লোৱা হ'ল ব্যৱসায়িক ভিত্তিক খেতিৰ বাবে । তাৰপিছত ১৯১০ চনত জাভাৰ পৰা ৰোবুষ্ঠা কফি আহে । দক্ষিণ ভাৰতৰ কৰ্ণাটক, কেৰেলা আৰু তামিলনাডুত প্ৰধানতঃ কফিৰ খেতি হয় । ইয়াৰোপৰি অন্ধ্ৰ প্ৰদেশ, অসম, উড়িষ্যা আৰু মধ্য প্ৰদেশতো কিছু পৰিমাণে কফিৰ খেতি কৰা হয়।

## কফি – এক অসাধাৰণ পানীয় ঃ

সাধাৰণতে কফি দুই প্ৰকাৰে খোৱা হয় । ব্লেক কফি আৰু গাখীৰ ও চেনীৰ সহযোগত পান কৰা। আজিকালি অৱশ্যে বৰফ দি কোল্ড কফিও খোৱা দেখা যায়। কেল'ৰি কমাবৰ বাবে আজিকালি প্ৰায় মানুহেই ব্লেক কফি পচন্দ কৰে । দক্ষিণ ভাৰতীয়সকলে পিতলৰ বাটিত কফি পান কৰে ।

দেশৰ চুকে-কোণে কফিৰ দোকান থাকে — সাধাৰণতে যিবিলাকক কফি হাউচ বোলা হয়। সেইবিলাকত সকলো মানুহ আহে-বহে, নানাধৰণৰ সামাজিক, ৰাজনৈতিক গল্প-গুজব হয় । দাবা খেলে, কোনোবাই আকৌ ধূমপাণ কৰে, কিন্তু সকলোৱে হৈ-চৈ কৰি কফি পান কৰে ।

বৰ্তমান বৰফ কফি, কফি ব্যাগ আৰু ইনষ্ট্যাণ্ট কফিৰ প্ৰচলন বজাৰত বেছি ।

ইংৰাজসকল সকলোতকৈ বেছি কফি ভক্ত জাত। সেয়ে ইংলেণ্ডত বহুতো ভাল ভাল কফি হাউচ আছে । প্ৰাচীন কালত অৰ্থাৎ ১৭শ শতিকাত গাৰওয়েস আছিল লণ্ডনৰ এটি নাম কৰা কফি হাউচ ।

কফি হ'ল এবিধ মৃদু উত্তেজক পানীয়। বৰ্তমান ই অতি জনপ্ৰিয় পানীয় হিচাপে পৰিগণিত হৈছে।

ভ্ৰমণ কাহিনী

# তিৰুপতি দৰ্শন কৰিলো

✎ ৰিজুমী শইকীয়া
স্নাতক তৃতীয় বৰ্ষ

ভাৰতৰ দক্ষিণৰ তীৰ্থস্থানসমূহৰ ভিতৰত তিৰুপতি এক বৃহৎ তীৰ্থস্থান। কোৱা হয় যে ভাগ্যৱান সকলেহে এই তীৰ্থস্থানখনিক দৰ্শন কৰিবলৈ পায়। সেয়েহে মই ভাবো যে মোকো ভগৱানে ভাগ্যৱান ৰূপে নি এই তীৰ্থস্থানখনিক দৰ্শন কৰালেগৈ।

১৯৯৮ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে আমি ঘৰৰ পৰা মাদ্ৰাজ অভিমুখে যাত্ৰা কৰিলো। আমাৰ দলটোত দাদা, বৰদেউতা, বৰমা, মামা আৰু মোৰ সৈতে পাঁচজন। আমি ৰাতি ১০ বজাত আমাৰ মাৰুতি ভানেৰে গৈ ৪-৩০ মান বজাত গুৱাহাটী ৰেল ষ্টেচন পালোগৈ। তাৰ পাছত আমি ৫.০০ বজাৰ ট্ৰেইনত চেন্নাই অভিমুখে যাত্ৰা আৰম্ভ কৰিলো। যাত্ৰাৰ পথত মনত এক স্ফুৰ্ত্তিৰ ভাৱ লৈ গৈ আছোঁ। সেই সময়ত বিজুলীবাতিৰ পোহৰত দুয়োপাৰ জকমকাই থকা শৰাইঘাট দলং পাৰ হৈ খুউব ভাল লাগিছিল। পাছদিনা পুৱা কলিকতাৰ থাওৱা ষ্টেচন পোৱাত কি যে চিঞৰ-বাখৰ কুলীবিলাকৰ! ভিক্ষা কৰি ফুৰা সৰু সৰু ল'ৰা-ছোৱালীবোৰে আমাৰ দেশৰ দৰিদ্ৰতাৰ চূড়ান্ত অৱস্থাটো মোক অৱগত কৰাত বেছি সময় নালাগিল।

১৩ ফেব্ৰুৱাৰীৰ দিনা আমি আবেলি ৫-৩০ মান বজাত "Chennai Central Station" পালোগৈ। সেই সময়ত সূৰ্য্য পশ্চিম আকাশত ডুব যোৱাৰ পথত গতি কৰিছিল। ট্ৰেইনৰ পৰা নামিয়েই আমি অট'ৰিক্সা ল'বলৈ গ'লো। তাৰ অট'ৱালাবিলাকে তামিল ভাষাত কথা কোৱাত মোৰ বুজি পোৱাত অলপ অসুবিধা হৈছিল। কিন্তু দাদাই তাৰ "Hindustan Institute of Engineering Technology" ত পঢ়োতে ভাষাটো সম্পূৰ্ণকৈ আয়ত্ব কৰাৰ বাবে কথা পতাত একো অসুবিধা হোৱা নাছিল। তাৰ পৰা অ'টৰে গৈ Southern Transport ৰ 18 Swamy street -ত থকা O.N.G.C. ৰ Guest House পালোগৈ। Guest House টোৰ সন্মুখৰ ফালে ডাঙৰ গছজোপাৰ তলত থকা শিবলিংগ আৰু দুৰ্গাদেৱীৰ মন্দিৰটোক কেন্দ্ৰ কৰি গঢ় লৈ উঠা পৰিবেশটোৰ প্ৰতি মই আকৰ্ষিত হৈছিলো। নিজকে এক অচিনাকী পৰিবেশ তথা মানুহৰ মাজত পাই মনত এটা বেলেগ অনুভূতি জাগৃত হৈছিল। পাছদিনা আমি সকলোৱে ইগমোৰৰ আশে-পাশে থকা মন্দিৰসমূহ দৰ্শন কৰিলো য'ত ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ বোমা বিস্ফোৰণত মৃত্যু হৈছিল। সেই ঠাইডোখৰ ৰস্তা ফুটমান ওখলৈ চাৰিওফালে দেৱাল মৰা আছে। ভিতৰ ভাগত কেইবাটাও ওখ গম্বুজৰ সৈতে মৃতদেহ পৰা ঠাইডোখৰত চিচাৰে বেৰা দি তেওঁৰ এখন ফটো সজাই তাৰ কাষত এটা ডাঙৰ আৰু এটা সৰু চাকি জ্বলাই থোৱা আছে। ঘূৰি অহাৰ পথত কথাছবিৰ শ্বুটিং লোৱা A.V.M. Rajashri ও ওপৰে ওপৰে চাই সন্ধ্যা Guest House পালোহি।

১৫ ফেব্ৰুৱাৰী দিনা আমি পুৱা ৬ বজাত এখন এম্বেচাদৰেৰে তিৰুপতিলৈ যাত্ৰা কৰিলো। যাত্ৰাৰ পথত মনত খুউব আনন্দ লাগিছিল, মোৰ জন্মদিনৰ দিনা তিৰুপতিৰ মন্দিৰ দৰ্শন কৰিবলৈ পাম বুলি। মাদ্ৰাজ অঞ্চলৰ পৰা অলপ দূৰ গৈ দুটা ৰাস্তা হৈ এফালে বাংগালোৰ আৰু আনফালে তিৰুপতিলৈ গৈছে। তিৰুপতিৰ এই বৈষ্ণৱ মন্দিৰটো তিৰুমালা পাহাৰৰ ওপৰত থকাৰ বাবে ইয়াক তিৰুমালা মন্দিৰ বুলিও কয় আৰু ই অন্ধ্ৰপ্ৰদেশৰ চিতোৰ জিলাত অৱস্থিত। পাহাৰৰ ওপৰেদি মন্দিৰলৈ প্ৰায় ২০ কিঃ মিঃ পথ, যিটো ৰাস্তাৰ কাষত

বৰ্ডাৰ দি সুৰক্ষিত কৰা আছে। ওখ ওখ বিৰাট প্ৰকাণ্ড শিলবোৰ পাহাৰৰ গাতে লাগি আছে। ওচৰেদি গাড়ী পাৰ হৈ গ'লে এনে ভাব হয় যেন পৰিবই এতিয়া ; কিন্তু ই বছৰ বছৰ ধৰি এনেকৈয়ে বৈ আছে। যাত্ৰাৰ পথত আমি তীৰ্থ যাত্ৰীৰ বহু সংখ্যক বাচ আৰু আন যান-বাহন অহা-যোৱা কৰা দেখা পাইছিলো। ৰাস্তাটোৰ কাষত ফুলি থকা নানা ৰঙৰ ফুলবোৰ আৰু গছ-গছনিবিলাকে গোটেই প্ৰাকৃতিক পৰিবেশটোৰ শোভা দুগুণে বৃদ্ধি কৰিছে। এনেদৰে বহুদূৰ পথ অতিক্ৰম কৰাৰ পাছত আমি ১১ মান বজাত মন্দিৰৰ ওচৰ পালোগৈ। মন্দিৰৰ ফালে অগ্ৰসৰ হওতেই তিনিজন পাণ্ডাৰ সহায়ত দৰ্শনী সংগ্ৰহ কৰাৰ পাছত শাৰী পাতি এটা মুকলি আহল-বহল কোঠাত প্ৰবেশ কৰিলো। মূল মন্দিৰত সোমাবলৈ এই ঘৰটোত T.V. Programe চাই কিছুসময় অপেক্ষা কৰিবলগীয়া হৈছিল। তাত বহি থাকোতে খাবলৈ তাৰ কৰ্মচাৰীয়ে নানা খোৱা বস্তু আৰু কল্ড ড্ৰীংকচ বিক্ৰী কৰিছিল। প্ৰায় ডেৰ ঘণ্টামান সময় অতিবাহিত কৰাৰ পাছতহে বালাজী তিৰুপতি দৰ্শন কৰিবলৈ পতা শাৰীৰ মাজত সোমালোগৈ। এই ঠাইডোখৰৰ ওপৰত টিং আৰু কাষত লোহাৰ জালিৰ নিচিনা বেৰা দিয়া আছে। দুটা শাৰী পাতিব পৰাকৈ কোনো ঠাইত সৰুকৈ খুঁটা দিয়া আছে। এনেকৈ শাৰী পাতোতে কেনেকুৱা এটা পৰিস্থিতি হয়, সেইটো একমাত্ৰ শাৰীপাতি তিৰুপতি বালাজী দৰ্শন কৰাজনেহে অনুভৱ কৰিব পাৰিব। দৰ্শনাৰ্থীসকল এখাজ-দুখোজকৈ অলপ গৈ ৫/১০ মিনিট বৈ পুনৰ যাবলৈ ধৰে। এজনী ১০ বছৰীয়ামান ছোৱালীয়ে মোক পানী খোৱা দেখি, দেউতাকক পানী খোৱাৰ কথা ক'লে। সেই সময়ত বাহিৰত খুউব ৰ'দ দি আছিল। মানুহজনে মোক ইংৰাজীৰে ছোৱালীজনীক অলপ পানী দি সহায় কৰিবলৈ ক'লে। ময়ো ছোৱালীজনীক পানী খাবলৈ দি ইংৰাজীৰে অলপ কথা পাতি চিনাকী হ'লো। মোৰ অলপ পাছতে দাদা, বৰদেউতা, বৰমা আৰু মামা আছিল। শাৰীপাতি যোৱা ৰাস্তাটো পোন নহয়, একাঁ-বেকাঁ। ৬/৭ টা মান চিৰি উঠি পুনৰ ৬/৭ মান চিৰি নামিব লাগে। এনেদৰে উঠি যাওঁতেই তাৰ কৰ্মচাৰীয়ে এটকা মূল্যৰ পলিথিনত থকা প্ৰসাদ আনি বিক্ৰী কৰিছিল, য'ত বালাজী মূৰ্ত্তিজনাৰ ফটো ছাব মৰা আছিল। ভিতৰেদি শাৰীপাতি গৈয়ে থাকিব লাগে। যাত্ৰীসকলৰ সুবিধাৰ্থে শাৰীপাতি যাওঁতে কাষত বহিব পৰাকৈ আৰু খোৱা পানীৰ ব্যৱস্থা কৰা আছে। সেইটো লাইন শেষ হৈ আমি মূৰ্ত্তিজনাৰ ওচৰ পোৱাৰ লাইনত সোমালো। সেই ঠাইত বেছি ঠেলা-হেঁচা। তেতিয়া দাদা মোৰ আগত হৈ গ'ল। মোৰ কাষৰ লাইনৰ এজনী ছোৱালীয়ে তামিল ভাষাত ইমান ঠেলিছে এনেকৈ ক'লে। ময়ো তাইক ভঙা ভঙা তামিলতেই ক'লো যে বৰ কষ্ট হৈছে। জীৱনত প্ৰথম এনেকৈ লাইন পাতিছোঁ। দাদায়ে ময়ে পুনৰ অসমীয়াত কথা পতাত তাই আচৰিত হৈ ক'লে আপ্পা . . . . . । মূৰ্ত্তিজনাৰ ওচৰ পাবলৈ অলপহে বাকী থকাত তলেদি অলপ পানী বৈ অহাৰ ব্যৱস্থা কৰা আছে যাতে যাত্ৰীসকলৰ ভৰিৰ ধূলিবোৰ ভিতৰলৈ যাব নোৱাৰে। সেই সময়ত এছাটি ঠাণ্ডা বতাহ বলিছিল। তেতিয়া সকলোৱে গোবিন্দ, গো - - - বি - - - ন্দ - - - অ - - - এনেকৈ চিঞৰিছিল। ৫/৬ ফুট মান ওখ সোণৰ মূৰ্ত্তিজনা গ্ৰিলৰ ভিতৰত ৰখা হৈছে। আমি সন্মুখৰ পৰা মাত্ৰ ৪/৫ ছেকেণ্ডহে দৰ্শন কৰি প্ৰণাম কৰিবলৈ পালো। প্ৰণাম কৰাৰ পাছত গ্ৰিলৰ সন্মুখত বৈ থকা মহিলা ছেক্ৰেটেৰী গৰাকীয়ে ওলাই অহাৰ পথৰ ফালে তৎক্ষণাত ঘূৰাই দিলে। সেই পথেদি আহি আমি পাণ্ডাৰ ওচৰত পানীয় খালো। তেওঁলোকে শ্লোক পাঠ কৰি আমাৰ মূৰত গুণ লগাই দিলে। তাৰ পৰা মূৰ্ত্তিজনা থকা মন্দিৰ ভাগ ভালকৈ চালো। মন্দিৰৰ কলচিৰ সৈতে গম্বুজৰ ওপৰ ভাগ সোণৰ। সময় কম হোৱাত এই মন্দিৰ ভাগৰ ফটো ল'বলৈ প'জ দিব নোৱাৰিলো। মানুহৰ ভীৰৰ মাজেদি আহি আমি পৰিচালনা সমিতিৰ কৰ্মচাৰীয়ে মধুপৰ্ক আৰু পায়স দিয়া ঠাই পালোহি। তাৰ পৰা প্ৰসাদ লৈ আমি মন্দিৰৰ ভিতৰেদি আনফালে গ'লো, য'ত পূৰ্বৰ দৰ্শনী সংগ্ৰহ কৰাৰ বাবদ ডাঙৰ সোৱাদ যুক্ত লাড়ু দিয়া হয়। ইয়াৰ পাছত আমি বালাজী মূৰ্ত্তিজনা আৰু আন মূৰ্ত্তি থকা ষ্টিকাৰ ক্ৰয় কৰিলো। সেই ঠাইৰ আনফালে মুকলি ঠাইত কিছুমান মানুহ বহি আছে নিজৰ চুলি দান কৰিবলৈ। কথিত আছে যে তিৰুপতি দৰ্শন কৰিলে পৰাপক্ষত নিজৰ চুলিখিনিকে দান কৰিব লাগে। এইবোৰ পুনৰ নতুনকৈ বনাই বজাৰত বিক্ৰী কৰা হয়। মন্দিৰৰ

সোণ ধাতুৰ পাত লগোৱা দুৱাৰখন তথা মূৰ্ত্তিজনাৰ সন্মুখত প্ৰত্যেকদিনা পুৱা বিখ্যাত স্তুতি -- "The Suprabatham" ভক্তিপূৰ্ণভাৱে একেলগে গোৱা হয়। গোটেই মন্দিৰ ভাগ অসংখ্য সৰু সৰু দেৱালয় আৰু বহুত অলংকৃত মূৰ্ত্তিৰে গঠিত। মূল মন্দিৰৰ বাহিৰ ভাগত হাজাৰ হাজাৰ স্তম্ভ আৰু দেৱালয় আছে, য'ত ভগৱানৰ মূৰ্ত্তিবিলাক শিলেৰে কাটি থোৱা আছে। মন্দিৰৰ চাৰিওফালে দেৱালেৰে বেৰা দিয়া আছে। এই মন্দিৰত দিনে প্ৰায় ৪০ হাজাৰতকৈও অধিক তীৰ্থযাত্ৰীৰ সমাগম হয় আৰু দিনে প্ৰায় এক ডেৰকোটি টকা মন্দিৰৰ পৰিচালনা সমিতিয়ে পায়, যিবোৰ দৰ্শনাৰ্থীৰ খোৱাৰ ব্যৱস্থা, প্ৰসাদ বনোৱাত আৰু কৰ্মচাৰীসকলৰ দৰমহা দিয়াত ব্যৱহাৰ কৰা হয়। তিৰুপতি চহৰখন বহুত ডাঙৰ নহয় যদিও, তাত শিক্ষানুষ্ঠান, বেংক, চিকিৎসালয়, হোটেল, ধৰ্মশালা আদি সকলো ব্যৱস্থা আছে। পৃথিৱীৰ ভিতৰত প্ৰথমটো সোণৰ মন্দিৰ ইটালীত আছে আৰু দ্বিতীয়টো হ'ল ভাৰতবৰ্ষৰ তিৰুপতিত থকা এইজনা মন্দিৰ। তিৰুমালাৰ এই তিৰুপতিৰ মন্দিৰ সংঘবদ্ধভাৱে এক বিশাল অনুষ্ঠান। আমি এই মনোমোহা উন্নত চহৰখন চাই ৫-৩০ মান বজাত পুনৰ Guest House লৈ ৰাওনা হ'লো। তিৰুপতিলৈ যোৱা আৰু ঘূৰি অহাৰ পথ দুটা। ঘূৰি অহাৰ পথত আমি পাহাৰৰ গাতে লাগি থকা গণেশ মন্দিৰ দৰ্শন কৰিলো। ৰাস্তাৰ কাষতে এখন বাগিছাৰ নিচিনা অঞ্চলত বহুতো হৰিণা পহু আৰু বান্দৰ দেখিলো যিবোৰ মন্দিৰ সৌন্দৰ্য্যৰ বাবেই ৰখা হৈছে। আন্ধাৰ হোৱাৰ আগতেই আমি পাহাৰীয়া ৰাস্তা অতিক্ৰম কৰি মাদ্ৰাজৰ এৰিয়াত সোমালো। অলপদূৰ আহি 'মা-লক্ষ্মী' মন্দিৰ দৰ্শন কৰি পুনৰ বহুদূৰ পথ অতিক্ৰম কৰি ৰাতি প্ৰায় ১১-৩০ মান বজাত Guest-House পালোহি।

১৬ তাৰিখৰ দিনা আমি তিৰুপতিৰ যাত্ৰাত ক্লান্ত হৈ জিৰণি ল'লো। সেইদিনা কেৱল সন্মুখত থকা দুৰ্গা মন্দিৰত গৈ পূজা সেৱা কৰিলো।

১৭ তাৰিখৰ দিনা আমি সকলোৱে Golden-Beach লৈ গৈ সাগৰৰ উপকূলীয় অঞ্চলৰ আনন্দ উপভোগ কৰিলো। কিমান যে গভীৰতা আছে এই নীলা সাগৰখনৰ মাজত! নিজকে এই গভীৰতাৰ মাজত সোমোৱাই বহুত ফটো উঠালো। একেবাৰে দূৰত জাহাজবোৰ গৈ আছে। এই দৃশ্যটো উপভোগ কৰি খুউব ভাল লাগিছিল। তাত আমি সন্মুখত তৈয়াৰ কৰি দিয়া সাগৰীয় মাছ খালো। তাৰ পৰা আহি Burma Bazaar আৰু Pondy Bazaar লৈ গ'লো অলপ শ্বপিং কৰিবলৈ। ৮ মান বজাত আহি প্ৰায় ১০ মান বজাত সকলোৱে নিজকে নিদ্ৰাদেৱীৰ কোলাত এৰি দিলো।

১৮ তাৰিখৰ দিনা আমাৰ ফুৰিব লগা ঠাই বেছি আছিল বাবে পুৱা সোনকালে পূৰ্বৰ এম্বেচাদৰখনেৰে মহাবলীপুৰম ভ্ৰমণত গ'লো। অলপদূৰ গৈ ৮ মান বজাত কাঞ্চীপুৰমৰ লক্ষ্মী নাৰায়ণ মন্দিৰ দৰ্শন কৰিলো। এই মন্দিৰটো দিনটোৰ ভিতৰত মাত্ৰ ১ ঘণ্টাৰ বাবেহে মূৰ্ত্তিজনা থকা দুৱাৰ খুলি দিয়ে। তাৰ পৰা প্ৰসাদ লৈ মন্দিৰৰ বাহিৰলৈ অহাত কেইজনমান বিক্ৰেতাই শাড়ী চাবৰ বাবে অনুৰোধ কৰিলে। আমিও কাঞ্চীপুৰমৰ চিনস্বৰূপে কেইখনমান শাড়ী কিনিলো। কাৰণ ইয়াতে তৈয়াৰ কৰা এই চিল্কৰ শাড়ীবোৰৰ প্ৰধান ঠাই বুলি কাঞ্চীপুৰমক জনা যায়। কাঞ্চীপুৰমৰ ওচৰা-ওচৰিকৈ প্ৰায় ২০০ মান মন্দিৰ আছে। তাৰ পৰা মহাবলীপুৰমলৈ যাত্ৰা কৰি প্ৰায় ১০-৩০ মান বজাত পালোগৈ। মন্দিৰলৈ সোমোৱা দুৱাৰখন শিলেৰে মূৰ্ত্তি কাটি প্ৰায় ৫০ ফুট মান ওখলৈ ওপৰলৈ ঠেক কৰি বনোৱা আছে। প্ৰধান শিৱলিংগজনা পূজা কৰা ঠাইডোখৰ আন্ধাৰ আৰু ৭/৮ টা মান চিৰিয়েদি তললৈ নামি যাব লাগে। আমাৰ ড্ৰাইভাৰ আৰু পাণ্ডাকেইজনে সাৱধানে খোজকাঢ়ি যাবলৈ কৈছিল। তাৰ পাছত আমি মন্দিৰৰ ভিতৰেদি শিৱ-পাৰ্বতীৰ মূৰ্ত্তিপূজা কৰা ঠাই পালোহি। গোটেই মন্দিৰৰ ভিতৰ ভাগত ১০০০ টা সৰু কোঠা আৰু ১০১ জনা শিৱলিংগ আছে। ভিতৰভাগৰ এঠাইত গণেশ, কাৰ্ত্তিক, সৰ্পফেনা, উটপক্ষী আদিৰ মূৰ্ত্তিবোৰ সজাই থোৱা আছে। য'ত সতী পাৰ্বতীয়ে ১০০ বছৰ তপস্যা কৰি ভগৱান শিৱৰ লগত বিবাহ হৈছিল সেয়াই হ'ল এই মহাবলীপুৰম মন্দিৰ। এই মন্দিৰ মহাবাহু ৰজাই নিৰ্মাণ কৰিছিল। মন্দিৰৰ বাহিৰভাগত অলপ পানী থকা ঠাইত বহুত মাছ আৰু এজোপা আমগছ দেখা পালো। পাণ্ডাজনে কোৱামতে এই

আমজোপাত মিঠা-টেঙা, জলা আৰু তিতা আম লাগে। এই মন্দিৰ দৰ্শন কৰি আমি 'Proxi Temple' লৈ গ'লো। প্ৰায় ১২-৩০ মান বজাত পালোগৈ। এই মন্দিৰটো পাহাৰৰ ওপৰত আছে। ৪০০ টা চিৰি উঠি আমি মন্দিৰটো দৰ্শন কৰিলো। নামি অহা পথটো বেলেগ। উভতি আহোতে আমি মন্দিৰৰ কাষতে বহুত বান্দৰ দেখা পালো। তাৰ মাজৰ এটা ডাঙৰ বান্দৰে আমাৰ হাতৰ পৰা ফল-মূল নি খালে। এই মন্দিৰটোক তেওঁলোকে বিষ্ণু মন্দিৰ বুলি কোৱাৰ পৰিবৰ্তে পক্ষী মন্দিৰ বুলিহে কয়। কাৰণ ইয়ালৈ আগতে দুটা পক্ষীয়ে আহি পূজাৰীয়ে দিয়া পায়স দিনৰ ১২ বজাৰ আগতে খাই পুনৰ উৰি গুছি যায়। অহাৰ পথত এজনা ডাঙৰ শিৱলিংগ আৰু গুহাৰ ভিতৰত থকা হনুমানৰ মূৰ্ত্তিজনা দেখিলো।

Guest House লৈ ওভতাৰ পথত আমি Mamallapuram Road ত থকা Crocodile Bank চালো, য'ত বহু সংখ্যক ঘৰিয়াল ডাঙৰ আৰু সৰুকৈ ভাগ কৰি সংৰক্ষণ কৰি থোৱা আছে। এটা সৰু ঘৰত কেইবাটাও Aquarium ত ডাঙৰ কাছ আৰু সাগৰীয় মাছ জীয়াই থোৱা আছে। এইবোৰ চাই আহি আমি 'Golden Park' চালো। পাৰ্কখন বহুত ঠাই জুৰি আছে। গেট কীপাৰৰ পৰা অলপ দূৰ গৈয়ে পোৱা অজান মূৰ্ত্তিটো চাই খুব ভাল লাগিছিল, যিজন নেকি জীৱন্ত মানুহ। পাৰ্কখনৰ ভিতৰত নানা খেলৰ কৌশল, ফুল, জীৱ-জন্তুৰ মূৰ্ত্তি, বহুত ওখ স্তম্ভ আৰু এখন ডাঙৰ কেন্টিন আছে য'ত চাহ-কফি, কল্ড ড্ৰীংকচৰ লগতে নানাবিধ মিঠাই পোৱা যায়। তাত বহুতো বিদেশী পৰ্যটক লগ পাইছিলোঁ। পাৰ্কখন যে ইমান সুন্দৰ তাক ভাষাৰে ব্যাখ্যা কৰিব নোৱাৰি। তাৰ পৰা আহি আমি Children Park আৰু Snake Park চালো। 'Snake Park' ত প্ৰায় ২০০ তকৈ অধিক কেইবাজাতৰো সাপ, জেঠী, ঘঁৰিয়াল আৰু কাছ আছে। আমি প্ৰথমতেই বেৰাৰ ভিতৰত সৰু-ডাঙৰ বহুতো ফেটি সাপক বীণৰ তালত এজন মানুহে নচুৱাই থকা দেখা পালো। কেইবাটাও ডাঙৰ অজগৰ সাপ বেৰাৰ ভিতৰত ৰখা হৈছে। বেৰাৰ ভিতৰতে আনফালে গছবোৰত কিছুমান সেউজীয়া সাপ বগাই থকা দেখিলো। একুৱাৰিয়ামৰ ভিতৰত এটা ফেটী সাপ থোৱা হৈছে, যিটো ওচৰৰ পৰা ভালকৈ নাচালে মৃত বুলি গম পোৱা নাযায়। এইবোৰ চাই আমি ৰাস্তাত আহি থাকোতে এটা সৰু অঞ্চলত সোমালো যি ঠাইডোখৰ স্থাপত্য শিল্পৰ কেন্দ্ৰস্বৰূপ। তাত নানা ভগৱানৰ মূৰ্ত্তি আৰু জীৱ-জন্তুৰ মূৰ্ত্তি বনাই সজাই থোৱা আছে। এই অঞ্চলৰ লোকৰ এইটো উত্তৰাধিকাৰী সূত্ৰে পোৱা বৃত্তি স্বৰূপ। প্ৰায় ৬ মান বজাত আহি আমি Guest House পালোহি।

১৯ তাৰিখৰ দিনা আমি পুৱা ৯ বজাত পুনৰ ট্ৰেইনতে কলিকতালৈ আহিব লগা হ'ল, অতি কমসময়ৰ ভিতৰত প্লেনৰ টিকট নোপোৱাৰ বাবে। ২০ তাৰিখৰ দিনা ৩ মান বজাত হাওৰা ষ্টেচন পোৱাত এখন হোটেলত থকাৰ ব্যৱস্থা কৰিলো। তাৰ সমীপতে দাদাৰ এজন বন্ধুৰ ঘৰ আছিল। তেওঁক ফোন কৰি জনোৱা হ'ল আমি কলিকতা আহি পোৱাৰ কথা। তেওঁ ৪-৩০ মান বজাত হোটেললৈ আহি আমাক ৬ মান বজাত তেওঁলোকৰ ঘৰলৈ লৈ গ'ল। ১০ মিনিটৰ পাছত তেওঁলোকৰ ঘৰ পাই তাত সকলোৰে লগত কথা-বাৰ্তা হ'ল। চাহ-জলপান খাই আমি পুনৰ ৮-৩০ ত হোটেল পালোহি।

২১ তাৰিখৰ দিনা আমি কলিকতাৰ 'ডমডম এয়াৰপৰ্ট'ৰ পৰা ৭ বজাৰ ফ্লাইটত আহি ৭-৫০ মিনিটত গুৱাহাটী পালোহি। এয়াৰপৰ্টত নামিয়েই অলপ ঠাণ্ডা অনুভৱ কৰিছিলো, কাৰণ মাদ্ৰাজত তেতিয়া অলপ গৰম পৰি আছিল। বৰঝাৰ বিমানবন্দৰৰ বাহিৰত আমাৰ ড্ৰাইভাৰ আৰু আন এজন দাদাই আমালৈ অপেক্ষা কৰি আছিল। আমাৰ ভ্ৰমণৰ এই স্মৃতিবিলাক যদিও দাদাই ভিডিঅ' কেমেৰাত সংৰক্ষণ কৰি আনিছিল তথাপি মনত অলপ বেয়া লাগিছিল। নিজৰ মনক বুজাই এই সমধুৰ স্মৃতিবিলাক ৰোমন্থন কৰি ঘৰলৈ বুলি ভানেৰে যাত্ৰা কৰিলো।







# চুলি

✎ দেৱীকা দত্ত
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

এইবাৰ ১৯৯৭ চনৰ ষষ্ঠ শ্ৰেণীৰ অসমীয়া বিষয়ত ৰচনা আহিছিল "চুলি"। সকলো পৰীক্ষাৰ্থীয়ে চুলিৰ বিষয়ে নিজৰ নিজৰ মন্তব্য দাঙি ধৰিছিল । পৰীক্ষকে সকলো বহী চাই তাৰ মাজতে এজন লৰাই চুলিৰ বিষয়ে এনেদৰে লিখা ৰচনা এখন পালে।

**আৰম্ভণি ঃ** বান্দৰৰ পৰিণতি মানুহৰ সকলোৰে মূৰত চুলি দেখা যায় যদিও এই সন্মানবোধক শব্দটি কেৱল মানুহৰ মুধচত আবৰি থকা পদাৰ্থখিনিৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰা হয়। জন্মতে কোনো কোনো ভাগ্যবানে মুধচ শুৱনি কৰি ইয়াক লৈ আহে । যিসকলে লৈ নাহে বা গজাত দেৰি হয় তেওঁলোকে আইতাকহঁতৰ উপদেশ মতে গছৰ শিপাৰ পৰা আৰম্ভ কৰি গোবৰৰলৈকে মূৰত ভৰণৰ অত্যাচাৰ সহিব লগা হয় ।

**আকৃতি ঃ** ইয়াৰ আকৃতি সাধাৰণতে মৰাপাটৰ পাতল আঁহৰ দৰে । ৰং সাধাৰণতে কলা হয় যদিও আজিকালি প্ৰায়বিলাকৰ মূৰত ৰঙচুৱা, মুগা, সোণালী আকৃতিৰ চুলি দেখা যায় । মানুহৰ মুধচত ই বিভিন্ন ধৰণেৰে শোভাবৰ্দ্ধন কৰা দেখা যায়। মহিলাসকলে "বানকাট", "ব কাট," "বয়জ কাট", "হৃচ কাট", "ব্লান কাট" "ষ্টেপ কাট" আদিৰ জৰিয়তে ইয়াক বিভিন্ন আকৃতি দিয়ে । পুৰুষসকলে বাটি কাট, গিলাচ কাট, সঞ্জয় দত্ত কাট, অজয় দেবগন কাট, আলেকজেণ্ডাৰ কাট, পুলিচ কাট আদিৰে চুলিক বিভিন্ন আকৃতি দিয়ে ।

**উপকাৰ ঃ** চুলিয়ে নাপিত নামৰ এটা সেৱাৰ জন্ম দিছে। টিকাফটা ৰ'দত ই মানুহক উতলাৰ পৰা ৰক্ষা কৰে । পুৰুষসকলে দীঘলীয়াকৈ চুলি ৰাখি এটা বিশেষ কায়দাৰে পিছলৈ হাতেৰে মাৰি নিজকে দাদা বুলি পৰিচয় দিয়ে । আৰু দম দি ব্যৱসায়ীৰ পৰা টকা আদায় কৰিব পাৰে । ইয়াৰ বাবে 'হেয়াৰ অইল' কোম্পানীবোৰ জীয়াই আছে। বৰমতা গিৰিয়েকহঁতে এইকেইডালত ধৰি ঘৈণীয়েকহঁতক অলপ কথাতে নগুৰ-নাগতি কৰিব পাৰে । চুলিৰ ওপৰত ভিত্তি কৰিয়েই কাটা, বেণু, নকলিখোপা, নকলি চুলি, হেনা, বিউটি পাৰ্লাৰ, তেল, প্লাষ্টিকৰ কপৌফুল আদি উদ্যোগবোৰ ঠন ধৰি উঠিছে ।

**অপকাৰ ঃ** মূৰটো অলপ তললৈ কৰক, বাওঁফালে চাওঁক, সোঁফালে চাওঁক ইত্যাদি আদেশত সাত টকাৰ বিনিময়ত মাহেকে-পষেকে পুৰুষসকলে চুলিৰ বাবেই ১৫, ২০ মিনিটিয়া অস্বস্তি ভোগ কৰিব লাগে ।

চাহত মিঠা কম বা বেছি হ'লে অথবা পতিদেৱৰ কোনো কথা নুশুনিলে এই চুলিত ধৰিয়েই স্বামীদেৱতাসকলে পতিব্ৰতাক লম্ফ-জম্ফ কৰিব পাৰে । কোনেবাই যদি ক'ৰবাত চুৰ কৰি ধৰা পৰে তেনেহ'লে বখলাবখলকৈ চুলি কাটি মূৰত ঘোল ঢলা হয় । মহিলাৰ বাবে চুলিৰ ডাঙৰ অপকাৰটো হৈছে ওকণি । পিলৌ পিলৌ ওকণিয়ে সমাজত মহিলাসকলক লাজত পেলাব পাৰে । ট-টকৈ জিলিকি থকা লেখিবোৰে চুলিৰ সৌন্দৰ্যত কলংক আনে ।

**ৰাজনৈতিক ক্ষেত্ৰত চুলি ঃ** ৰাজনৈতিক ক্ষেত্ৰত চুলিবোৰ বৰ কম । কাৰণ নৰসিংহ ৰাও, দেৱগৌড়া, ৰাজীৱ গান্ধী, আদৱানী, হিতেশ্বৰ শইকীয়া, প্ৰফুল্ল মহন্ত আদিৰ চুলি একেবাৰে কম ।

**সামৰণি ঃ** মুঠতে মানুহৰ মুধচত অৱস্থান কৰা চুলি এবিধ সন্মানজনক বস্তু । ইয়াত কোনোবাই ধৰাতো চৰম অপমানজনক কথা । চুলি পৰম পবিত্ৰ । তীৰ্থ যাত্ৰীসকলে মুণ্ডন কৰি কেশ দান কৰে । এনে এটা পৰম পবিত্ৰ বস্তু ভাতৰ পাতত দেখিলে আকৌ সকলোতে ওকালি অহাটো চৰম অপমানজনক কথা নহয়নে ?

# সান্নিধ্যৰ সোণাৱালী আভাৰে - ককা লক্ষ্যধৰ চৌধুৰী

✎ দ্বীপান্বিতা বৰা

শ্ৰীলক্ষ্যধৰ চৌধুৰী কেৱল এক ব্যক্তি নহয়, এক বিৰাট অনুষ্ঠান স্বৰূপ। সাম্প্ৰতিক অসমৰ ৰাজনীতি, সাহিত্য, কলা-সংস্কৃতি, সমাজ জীৱন আদি সকলোতে এক বিৰল প্ৰভাৱ বিস্তাৰ কৰি থকা অসামান্য ব্যক্তিত্বৰ অধিকাৰী লক্ষ্যধৰ চৌধুৰী প্ৰকৃততে আজিৰ অসমৰ সবাতোকৈ জনপ্ৰিয় ব্যক্তি। এক বৈচিত্ৰ্যময় জীৱনৰ বিভিন্ন পৰিক্ৰমাত বিচৰণ কৰি যশস্যা আৰু খ্যাতিৰ উচ্চ শিখৰত অধিষ্ঠিত হোৱা লক্ষ্যধৰ চৌধুৰীৰ জীৱনৰ অভিজ্ঞতাও অনন্য।

স্বনামধন্য এই তিৰাশী বছৰ অতিক্ৰম কৰো কৰোঁকৈ থকা সদা হাস্যময় ব্যক্তি গৰাকী সকলোৰে শ্ৰদ্ধাৰ 'ককা' সম্বোধনৰেই বেছি জনপ্ৰিয়। সেয়ে আমিও 'ককা' স্বৰূপেই একান্তবোধ অনুভৱ কৰি তেখেতৰ আমোদজনক জীৱনৰ অভিজ্ঞতাৰে পৰিপুষ্ট কথাবোৰ জানিবলৈ কেইটামান প্ৰশ্ন লিখিতভাৱে ককালৈ প্ৰেৰণ কৰিছিলো। তাৰেই আন্তৰিকভাৱে ককা লক্ষ্যধৰ চৌধুৰীদেৱে প্ৰেৰণ কৰা উত্তৰৰ কিয়দংশ।

(১) দ্বীপান্বিতা ঃ আপুনি একেধাৰে এজন সফল সাহিত্যিক, চিত্ৰ পৰিচালক, বিশিষ্ট অভিনেতা আৰু এজন সু-বক্তা। এই দিশ সমূহৰ প্ৰতিষ্ঠাৰ গুৰিতে বিশেষকৈ কাৰ ওচৰত আপুনি অতি ঋণী ?

ককা ঃ তোমাৰ এই প্ৰশ্নৰ 'সফল' শব্দটোৱে মোক অকণমান অসুবিধাত পেলাইছে।

মই এইবোৰ দিশত জড়িত অৱশ্যে হয়; কিন্তু পাৰ পালো বুলি ক'বলৈ সাহস নহয়।

মই সৰুৰে পৰাই অভিনয় কৰিছিলো। আমাৰ গাঁৱত দুটাকৈ অভিনয় দল আছিল। এটাই মঞ্চত অভিনয় কৰে, আনটোৱে যাত্ৰা অভিনয় কৰে। এই দুয়োটা অভিনয়ৰ গোষ্ঠীৰ অভিনয়ত মই 'কৃষ্ণ' হৈ নাচোঁ।

তেতিয়া প্ৰথমে অনুপ্ৰেৰণা দিছিল মা, পেহী, খুড়ী আদিয়ে পিছত ৰাইজে। শেষত, মই সকলো দিশতে পৰিবাৰ ঊষাৰ পৰা প্ৰেৰণা আৰু সহায় পাইছিলো। এতিয়া আৰু প্ৰেৰণা নালাগে। নিজৰ আনন্দৰ কাৰণে অভিনয় কৰোঁ।

(২) দ্বীপান্বিতা ঃ সাহিত্য, সংস্কৃতিৰ কোনটো দিশে আপোনাৰ জীৱনত বেছিকৈ প্ৰভাৱ বিস্তাৰ কৰিছে ? অসমৰ ভাষা, সংস্কৃতিৰ ভৱিষ্যত সম্পৰ্কে আপোনাৰ মত?

ককা ঃ অভিনয়ে। ঘাইকৈ মঞ্চ অভিনয়ে। মই সদায় আশাবাদী। আমাৰ সাহিত্য-সংস্কৃতিয়ে এদিন বিশ্বৰ মন চুব বুলি মোৰ দৃঢ় বিশ্বাস।

(৩) দ্বীপান্বিতা ঃ সাম্প্ৰতিক অসমৰ দুৰবস্থাৰ কাৰণে আপুনি ঘাইকৈ কাক জগৰীয়া কৰিব ? নতুন প্ৰজন্মৰ প্ৰতি আপুনি আশাবাদীনে ?

ককা ঃ আমি সকলোৱে জগৰীয়া। আমাৰ এই দুৰ্য্যোগ অচিৰেই সুযোগলৈ পৰিণত হ'ব। নৱ প্ৰজন্মৰ প্ৰতি মই বৰ আশাবাদী।

(৪) দ্বীপান্বিতা ঃ আপোনাৰ জীৱনৰ স্মৰণীয় মুৰ্হূত ?

ককা ঃ ১৯৩২ চনৰ ২৫ ডিচেম্বৰ। সেইদিনা আমাৰ নিজা নাট 'একলব্য' গুৱাহাটীৰ বিখ্যাত মঞ্চ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত অভিনয় কৰা হৈছিল। একলব্যৰ ভাও লৈ দৰ্শকৰ মন চুইছিলো। আমাৰ এই নাট অভিনয়ত আন আন চৰিত্ৰত আছিল অমল নাৰায়ণ চৌধুৰী, চাৰু বৰদলৈ, ভূপেন হাজৰিকা আদি।

(৫) দ্বীপান্বিতা ঃ জীৱনক আপুনি কিদৰে গ্ৰহণ কৰে ?

ককা ঃ জীৱন ৰূপে ।

(৬) দ্বীপান্বিতা ঃ কোনজনা লেখকৰ গ্ৰন্থই আপোনাক বেছি প্ৰভাৱান্বিত কৰে ?

ককা ঃ মই বেছি পুথি-পাঁজি পঢ়া নাই। সেইবাবে মোৰ জ্ঞান বা বিদ্যা সীমিত। মই মানুহকহে গ্ৰন্থতকৈ বেছি মূল্য দিওঁ। সাধাৰণ মানুহৰ মাজতে অসাধাৰণ ত্যাগ, মৰম, উদাৰতা আৰু মনুষ্যত্ব বিচাৰি পাওঁ।

(৭) দ্বীপান্বিতা ঃ বৰ্তমান সুদীৰ্ঘ সময়খিনি আপুনি কিদৰে পাৰ কৰে আৰু অনাগত দিনৰ পৰিকল্পনা ?

ককা ঃ মই ৰাজ্যৰ বহু অঞ্চলৰ নাতি-নাতিনী, ভতিজা-জী, পুত্ৰ-বোৱাৰী, জী-জোঁৱাই আদিলৈ চিঠি লেখি সময় কটাওঁ। এওঁলোকেই মোক সজীৱ কৰি ৰাখে। এই সকলৰ ভিতৰত তুমিও এগৰাকী বৰ মৰমৰ নাতিনী নহয় জানো? ভৱিষ্যতে দুখনমান উপন্যাস লিখাৰ কথা ভাবিছো। জানো, সময় পাওঁ নে নাপাওঁ !

(৮) দ্বীপান্বিতা ঃ মৃত্যুৰ ভয়ে আপোনাক আমনি কৰে নেকি ?

ককা ঃ মৃত্যু সত্য বুলি জানো যেতিয়া তালৈ ভয়ৰ কথা নুঠে। মই কিন্তু সহজে মৰিব নোখোজো।

(৯) দ্বীপান্বিতা ঃ বৰ্তমান শৈক্ষিক অৱস্থা সম্পৰ্কে আপোনাৰ মত ?

ককা ঃ মই একালত শিক্ষা মন্ত্ৰী আছিলো। এতেকে এই প্ৰশ্ন মোক নকৰাই ভাল ।

(১০) দ্বীপান্বিতা ঃ জীৱনৰ বিয়লি পৰত কাৰ সান্নিধ্য বেছিকৈ অনুভৱ কৰে ?

ককা ঃ তোমালোকৰ সান্নিধ্য ! নতুন চামৰ সান্নিধ্য মই বিচাৰো। তাৰ ফলশ্ৰুতি 'অগ্ৰদূত'ৰ 'ককাৰ ডাকঘৰ' শিতান।

## পলকতে ঃ

- জন্মদিন ঃ ১৯১৫ চনৰ দ্বীপান্বিতা তিথি।
- প্ৰিয় ব্যক্তি ঃ তোমালোক। মোক ভালপোৱা নতুন চাম।
- খঙ উঠে কেতিয়া ঃ উঠিলে কম বাৰু।
- প্ৰিয় খাদ্য ঃ এতিয়া প্ৰিয় খাদ্যৰ ঠাই সহজে হজম হোৱা খাদ্যই অধিকাৰ কৰিছে।
- ভগৱানক বিশ্বাস কৰেনে ঃ মই মুকলিভাৱে আনকি বিধান সভাৰ মজিয়াতো কৈছো মই কেৱল ভগৱান আৰু পৰিবাৰক ভয় কৰো। ভগৱানক ভয় কৰিলে মানুহ সমাজচ্যুত নহয়। পৰিবাৰক ভয় কৰিলে মানুহ চৰিত্ৰচ্যুত নহয়। এইষাৰ মোৰ প্ৰাণৰ উক্তি। বহু ঠাইত কৈছোঁ। বহু ঠাইত লেখিছো। কিন্তু এই ভয় ভক্তিৰ পৰা উপজা ভয়।
- প্ৰিয় বাক্য ঃ "জীৱন জুখিবা হাঁহিৰে, চকুলোৰে নহয়।
  বয়স জুখিবা বন্ধুৰে, বছৰেৰে নহয়।"

কৃতজ্ঞতা ঃ দীপজ্যোতি আৰু অসমী বাইদেউলৈ।

## জ্ঞাতব্য

অমাৱস্যা আৰু পূৰ্ণিমাত পৃথিৱী চন্দ্ৰৰ ওচৰ চাপে। সেয়ে জোৱাৰ-ভাটাৰ সৃষ্টি হয়। এনে সময়ত ভাত খালে শ্লেষ্মা জাতীয় ৰোগৰ সৃষ্টি হ'ব পাৰে আৰু বাত বেমাৰত ভুগি থকাসকলেও কষ্ট পাব পাৰে। সেয়ে অমাৱস্যা আৰু পূৰ্ণিমাত সম্ভৱ হ'লে উপবাস কৰিব লাগে, নোৱাৰিলে লঘু আহাৰ গ্ৰহণ কৰিব লাগে।

সংগ্ৰহ ঃ দিপশিখা দেৱী

# কবিতা

# ইয়াত জীৱনৰ মূল্যই বা কিমান

রেখা বৰগোহাঁই
স্নাতক প্ৰথম বাৰ্ষিক

ইয়াত জীৱনৰ মূল্যই বা কিমান
চৌদিশে আজি ধ্বংস যজ্ঞ
এ, কে ফৰটি চেভেন ৰকেট লাঞ্চাৰ, মৰ্টাৰৰ
গুৰুম-গুৰুম শব্দ
আৰু এটমৰ বিষময় ধোঁৱাহি
আজি জীৱনৰ মূল্য জোখা হয়
এতিয়া ইয়াকে লৈ ব্যস্ত
ৰাতিৰ ৰাজপথবোৰ
জোনাকৰ বাটত সন্ধান কৰিব বিচৰা
ফুলৰ দৰে কোমল শিশুও
থকা-সৰকা হয় এই মৃত্যুদূতবোৰৰ পৰা
যন্ত্ৰই কেনেকৈ বুজিব
সেউজী পৃথিৱীৰ মৰমবোৰ
জীৱন নীলা আকাশৰপৰা
সৰি পৰে এটা এটাকৈ অনুভূতিবোৰ
আজি কোনে কাৰ বাবে কান্দিব
কান্দিবলৈ সময়ে বা ক'ত
এটা যন্ত্ৰৰ দৰে ঘূৰিছে মানুহৰ জীৱনবোৰ
সুখ-দুখবোৰ পৰিণত হৈছে কঠিন শিলালৈ
যান্ত্ৰিকতা, ধোঁৱা আৰু ছাঁইৰ লগত
কোন, কেতিয়া মিলি যাব
কোনে বাৰু ক'ব পাৰে? ★★



# বিদায়

লীনা বৰুৱা
স্নাতক প্ৰথম বাৰ্ষিক

আবেলিৰ ৰঙটোত
মোৰ পদূলিটো
হেৰাই গ'ল।
ক্ৰমশঃ
কলিজাৰ শব্দবোৰ
কুচি-মুচি সোমাল
ছট্-ফটাই ছট্-ফটাই
বিফল কোণত।
তুমি দিয়া সুকীয়া
শব্দকেইটাই এতিয়াও
বুকুখন কুটি কুটি খাইছে। ★★

# আত্মা

মনু দত্ত
স্নাতক দ্বিতীয় বাৰ্ষিক

এদিন
গভীৰ নিশা মই আগবাঢ়ি গৈছিলো
এটা সমাধিৰ কাষলৈ ;
এটা নৰকঙ্কালৰ কাষলৈ,
তেতিয়া
তেতিয়া আকাশখন মেঘাচ্ছন্ন হৈ
আছিল।
দূৰৈত নিশাচৰ চৰাইৰ কিৰিলি,
আৰু মোৰ চাৰিওফালে সিচঁৰিত হৈ
পৰি আছিল কিছুমান নৰকঙ্কাল।
উহঃ কি যে ভয়লগা দৃশ্য সিহঁতৰ
কি যে এক ভয়ানক অশৰীৰী আত্মাৰ
ক্ৰন্দন।।
কিন্তু মোৰ ভয়লগা নাছিল
কাৰণ সেই আত্মাৰ আন এটা
ৰূপ যে মইয়ে।।★★





# প্ৰতিশ্ৰুতি

মানবী বৰপাত্ৰ গোহাঁই
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

আঘোনৰ ঘন কুৱঁলীৰ মাজে মাজে
মই গতি কৰিছো অসমীলৈ
প্ৰতিটো নিয়ৰৰ টোপালে
মোক স্পৰ্শ কৰিছে।
আকাশখন পৰিস্কাৰ নহয় মেঘাছন্ন
জোনটোক অকলে এৰি থৈ আহিছোঁ।
তৰাবোৰকো দেখা নাই।
শব্দবোৰ পলাই ফুৰিছে
ভাষাবোৰ শিল হৈ পৰিছে
নিজেই নাজানো আন্ধাৰ
মোৰ বাবে কিমান ভয়ানক।
এতিয়া আন্ধাৰে মোক আকৰ্ষণ কৰিছে
তয়ে ময়ে এৰাতি আন্ধাৰত কটালো।
শিপাবোৰে ওপৰলৈ গতি নকৰে। ★★

# সংঘাত

✎ উৎকৰ্ষা বৰুৱা
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

ডাৱৰে আৱৰা মুকলি আকাশৰ তলত
কেতিয়াবা বৈ পাইছানে ?
শুনিছানে কেতিয়াবা,
কলিয়া ডাৱৰৰ তীব্ৰ আস্ফালন!

শুকুলা মেঘে হেনো সিহঁতক হাঁহিছিল
সিহঁতে তেতিয়া কৈছিল -
'আমি এৰি অহা
মলিন সময়বোৰত
খোজ দি চোৱাচোন,
পংকিলতাৰ কলিয়া গহ্বৰবোৰৰ পৰা
নিজৰ শুভ্ৰতা কিমান বচাব পাৰা
তাৰ খতিয়ান সময়ে ল'ব ;

সেয়ে এই তীব্ৰ চিৎকাৰ
শুনিবা; কিন্তু তেনে আকাশৰ
তললৈ নাযাবা,
তুমি জানো নাজানা -
বাৰিষাৰ বজ্ৰপাতৰ শক্তি
কিমান প্ৰবল! ☆☆



# প্ৰতিটো ক্ষণ বসন্তৰ

✎ মিতালী বৰগোহাঁই
স্নাতক দ্বিতীয় বাৰ্ষিক (শিক্ষা বিভাগ)

কি যে মিঠা শিহৰণ জাগে
বসন্তৰ মৃদু পৰশত!
বহাগ মাথোঁ এটি ঋতু নহয়
বহাগ আহিব বুলি মন উদুলি-মুদুলি।
জাংফাই কেৰুযোৰ, পাণিয়লী বাখৰবোৰ
কাৰেংনো গাত জিলিমিলি কৰে।
বিৰিখে বিৰিখে জানো ব'হাগেই লিখে
মনোৰম প্ৰেমৰ কবিতা!

বসন্তৰ প্ৰতিটো প্ৰভাত যেন
সূৰ্য্যস্নাত বাসন্তী ফুলৰ সূৰভিত ছন্দ।
কুলি কেতেকীয়ে গীত গাই গাই
ঢালি দিয়ে সুৰৰ নিজৰা
তাতে থাকে হিয়াৰ আতৰা।

কপৌফুলৰ ছন্দায়িত সুবাসত
প্ৰতিটো ক্ষণতে মই অনুভৱ কৰো
তোমাৰ বাসন্তিক স্পৰ্শ।
বুকু মোৰ দুৰু দুৰু কঁপে
উদাস উদাস লগা আবেলিবোৰে
বৰকৈ আমনি কৰে।
কাৰোবাৰ অপেক্ষাত আছে মোৰ
মৰমৰ বিহুৱানখনি। ☆☆

# ব'হাগ

✎ দ্বীপান্বিতা বৰা
স্নাতক দ্বিতীয় বৰ্ষ (অসমীয়া বিভাগ)

ফটিকৰ দৰে চকু চমকোৱা
কোন তুমি স্বপ্নময়ী
ওঁঠত তোমাৰ
বড়মথুৰিৰ বোল।।
কলডিলীয়া খোপাৰ
কপৌফুল পাহ।
খামুচীয়া কঁকালৰ
গাঁৰিদিয়া ৰিহাখন,
ক'ত থৈ আহিলা।।
হয়নে বাৰু তুমি
পিকসনা আইতাৰ সাধুকথাৰ
কোনোবা অস্পৰা, কিন্নৰী
ৰূপহী বালিকা !
নে বিদেশীৰ পীড়নত
উটি ফুৰা
কোনোবা শ্যেলীৰ
ৰাঙলী সাজে সুশোভিতা।
মই কওঁ তুমি
একো নোহোৱা
শিহৰিত আমাৰ মস্তিষ্কত
কিছুমান অনুভৱ!
'বহাগ' চৌদিশৰ
বৰদৈচিলা,
বন-বিৰিষৰ এটি মাথো
মিঠা আলিঙ্গন! ★★



# কবিতা

✎ বীনাপানি গগৈ
স্নাতক দিতীয় বাৰ্ষিক

কি নাম দি মাতিম তোমাক
অনুৰাধা, অনুপমা,
কি নামেৰে মাতিলে তোমাক
তুমি নিজকেই নিজে চিনি পাবা।।
তুমিতো জানা ......................
সেইযে এজন কবিয়ে কলে,
"যি নামেৰে নেমাতো তোমাক
গোলাপ, তুমি গোলাপৰ সুগন্ধি
বিলাবা।"
তুমি কোন কবিৰ কাম্য কাননৰ
অনাঘ্ৰতা এপাহি কুসুম,
এনেকৈয়ে আবেগৰ কোনো মূৰ্হুতৰ
তুমি এটি আকাশৰ তৰা আৰু
হয়তোবা তুমি এটি সাগৰৰ ঢৌ
আৰু ..........................
তুমি মোৰ বুকুৰ মাজৰ
কত জীৱনৰ,
কত জনমৰ
মানিকি মাধুৰী মৌ।। ★★

# তুমি নাই

✎ অঞ্জনা চম্ন
স্নাতক তৃতীয় বাৰ্ষিক (বিজ্ঞান)

তুমি নাই,
ফাগুনৰ বতাহেৰে কি কৰিম মই ?
এই ঋতু,
উন্মাদিনীৰে কি কৰিম মই ?
তালে তালে নামি অহা
বাৰিষাৰ এই বৰষুণৰ জাক
স্পৰ্শ কৰি যায় মোৰ অঙ্গ।
মৃদু পৱনৰ লগে লগে
অহা এই চঞ্চল
মোৰ মনেৰেই বা কি কৰিম মই ?
পখীৰ কাকলিৰ
কৰ্ণস্পৰ্শী সুৰৰ চাপ,
মনত এক শিহৰণ জাগে।
দিগন্তলৈকে বিয়পি
পৰা গুঞ্জিত লয়,
ৰাগিনীৰেই বা কি কৰিম মই ? ☆☆



# জীৱন

✎ কুইন গগৈ
স্নাতক প্ৰথম বাৰ্ষিক

মায়াই জীৱন নে ?
জীৱনেই মায়া
মই নাজানো
মই নুবুজো
সুখ-ভোগ বিলাসেই জানো জীৱন ?
ওঁহো!
জন্ম লয় ধৰিত্ৰীৰ বুকুত
অলেখ মানুহ
সিহঁতৰ জন্ম লোৱাৰ সাৰ্থকতা কি ?
জানে সকলোৱে
মইও জানো
জন্মিলে মৃত্যু অৱশ্যে আছে নিশ্চয়
নিজক গঢ়াৰ সমাজক গঢ়াৰ
য'ত প্ৰতিশ্ৰুতি নাই
সিয়েই জানো হয় জীৱন ? ☆☆



# গল্প

SIBSAGAR GIRLS' COLLEGE LIBRARY
Dt. SIBSAGAR

# অন্তৰ্গিৰিত মাৰ খোৱা সূৰ্য্য

✎ জীনামণি বৰগোহাঁই
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

অনবৰতে কেৱল গুলীয়াগুলী, মাৰ-পিট, হৈ হাল্লা। তাৰ বাদে যেন কোনো কামৰ অন্য প্ৰকাৰৰ সমাধান নাথাকেই! সিহঁতৰ বিবেচনাত মহান সেই কৰ্মৰাজিয়ে যে সাধাৰণ মানুহৰ দশা কৰে তাৰ প্ৰতি কাৰো ভ্ৰূক্ষেপেই নাই। এই কৰ্মবোৰে যে সাধাৰণ লোকৰ অন্তৰতো ক্ষোভাগ্নি জ্বলাই তোলে তাৰ জানো কিবা খবৰ ৰাখে।

"টিলিং-টিলিং-টিলিং" পদুলিমুখৰ পৰা অহা শব্দ কেইটা শুনি কৰবীয়ে ঘৰৰ ভিতৰৰ পৰা লৰি ওলাই আহিল। ওলাইয়ে তাই দেখিলে যে সিহঁতৰ পদূলিমুখত পিয়নজন ৰৈ আছে। তাই প্ৰায় দৌৰি যোৱাৰ দৰে গৈ পিয়নজনৰ কাষ পালেগৈ। পিয়নজনে কৰবীক চিঠি এখন দিলে। চিঠিখন লৈ তাই উৎফুল্লিত হৈ ঘৰৰ ভিতৰলৈ দৌৰ দিলে। কাৰণ তাই জানিছিল যে চিঠিখন তাইৰ ককায়েকৰ বাদে আন কাৰো নহয়। খামৰ ওপৰত লিখা ঠিকনাটোৰ আখৰকেইটা দেখিয়ে কৰবীয়ে চিনি পাইছিল। ঘৰৰ ভিতৰত সোমাইয়ে তাই মাক আৰু দেউতাকক লৰালৰিকৈ তাইৰ ওচৰলৈ আহিবলৈ চিঞৰিলে। মাকে তাইৰ চিঞৰ শুনি উধাতু খাই লৰি-ঢাপৰি আহি কিনো হ'ল বুলি সোধাত তাই আনন্দতে চিঠি-চিঠি বুলি চিঞৰিবলৈ ধৰিলে। এনেতে দেউতাকো ক'ৰবাৰপৰা লৰা-ঢপৰাকৈ আহি ঘটনাৰ বুজ ল'বলৈ মাক-জীয়েক দুয়োৰে সন্মুখত উপস্থিত হ'ল। কৰবীয়ে লৰালৰিকৈ চিঠিখনৰ খামটো ফালি সাদৰেৰে ককায়েকৰ চিঠিখন খুলি পঢ়িবলৈ আৰম্ভ কৰিলে। চিঠিখনত লিখা মতে ককায়েকৰ সকলোফালৰপৰাই ভাল। লগতে টকা এহেজাৰো মণিঅৰ্ডাৰ কৰি ঘৰলৈ পঠোৱাৰ কথা লিখিছে। কৰবীয়ে চিঠিখন পঢ়ি থাকোতে মাক-দেউতাকৰ আনন্দতে চকুলো ওলাই আহিল। যিমানেই নহ'লেও নিজৰ ল'ৰা দূৰত থাকি কি কি বা খাইছে, কেনেকৈ বা আছে ইত্যাদি বিভিন্ন ধৰণৰ চিন্তাই মাক-দেউতাকক অনবৰতে হাৰাশাস্তি কৰি থাকে। চিঠিখন পাই প্ৰায় সকলোৱে আনন্দমুখৰ হৈ পৰিল।

কৰবীহঁতৰ পৰিয়ালত আছে তাইৰ মাক-দেউতাক, একমাত্ৰ ককায়েক দীপক আৰু তাই। সংখ্যাত কম হ'লেও দেউতাকৰ কোনো সংস্থাপন নোহোৱাৰ বাবে ঘৰখনত সঘনে আৰ্থিক অনাটনে দেখা দিয়ে। সেয়েহে দীপকে হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰাৰ পিছতে কামৰ সন্ধানত ঘূৰিবলৈ ধৰিলে। বহুতো ঘূৰা-পকা কৰাৰ পিছত অৱশেষত যেনিবা প্ৰতিৰক্ষা বিভাগৰ এটি সৰু চাকৰিত নিযুক্তি লাভ কৰে আৰু দীপক ঘৰৰ পৰা বহু দূৰত থাকিব লগাত পৰিল। চাকৰিৰ বাবে। সেয়েহে মাক-দেউতাকে অনবৰতে তালৈ চিন্তা কৰি থাকে। দীপকে চাকৰি পোৱাৰ পাছত এইখনেই প্ৰথম চিঠি দিছে।

দিনবোৰ পাৰ হ'ল। কৰবী বৰ্তমান দশম শ্ৰেণীৰ ছাত্ৰী। এদিন তাই স্কুলৰ পৰা ঘৰলৈ আহোঁতে কাৰোবাৰ মুখত ক'ৰবাত গুলীয়াগুলী হোৱাৰ কথা শুনিছিল। শুনিয়েই তাইৰ ভীষণ খং উঠিছিল। মনতে তাই ভাবিলে দেশখনৰ যে কি অৱস্থা হ'ল। অনবৰতে কেৱল গুলীয়াগুলী, মাৰ-পিট, হৈ হাল্লা তাৰ বাদে যেন কোনো কামৰ অন্য প্ৰকাৰৰ সমাধান নাথাকেই! সিহঁতৰ বিবেচনাত

মহান সেই কৰ্মৰাজিয়ে যে সাধাৰণ মানুহৰ কি দশা কৰে তাৰ প্ৰতি কাৰো ভ্ৰূক্ষেপেই নাই। এই কৰ্মবোৰে যে সাধাৰণ লোকৰ অন্তৰতো ক্ষোভাগ্নি জ্বলাই তোলে তাৰ জানো কিবা খবৰ তেওঁলোকে ৰাখে? হঠাতে কৰবী প্ৰতিবাদী হৈ উঠিল। বৰ্তমান তাই যিটো বয়সত ভৰি দিছে এই সময়ছোৱা অন্য ছোৱালীৰ বাবে হয়তো কল্পনাত উটি-ভাঁহি ফুৰাৰ সময়। কিন্তু কৰবীৰ বাবে সেইয়া এক অলীক স্বপ্ন। আৰ্থিক অনাটনে অনবৰতে জুৰুলা কৰি থকা ঘৰখনৰ বাবে জীৱনৰ মধুৰতম কল্পনাবোৰ কৰিবলৈ তাইৰ অৱকাশ নাই। অৱশ্যে দীপকে চাকৰি পোৱাৰ পিছত ঘৰখনলৈ অলপ সকাহ আহিছিল। কিন্তু কৰবীয়ে আজি গুলীয়াগুলী হোৱাৰ কথা শুনি মনে মনে বৰ ভয় খালে। তাইৰ মনত বিভিন্ন ধৰণৰ চিন্তাই খলকনি লগাবলৈ ধৰিলে। এনেদৰে কিবা কিবি কথাবোৰ ভাবি থাকোতেই কেতিয়ানো আহি তাই ঘৰ পালেহি গমেই নাপালে।

পিচদিনা পুৱা কৰবীয়ে কিবা এটা কাম কৰি আছিল। এনেতে মাকে তাইৰ ওচৰলৈ আহি দীপকৰ পৰা বহুদিন একো খবৰ নোপোৱাৰ বাবে তালৈ এখন চিঠি লিখিবলৈ ক'লে। এই কেইদিন তাইৰো ককায়েকলৈ বৰকৈ মনত পৰি আছিল। বিশেষকৈ আগদিনা শুনা গুলীয়াগুলীৰ কথাটোৰ পৰা তাই মনে মনে ভয় খাইয়ে আছিল। মাকৰ কথামতে কৰবীয়ে ককায়েকলৈ চিঠি এখন লিখিবলৈ বুলি ঠিক কৰি ল'লে। এনেতে পদুলিৰ পৰা পুনৰ ভাঁহি আহিল "টিলিং-টিলিং-টিলিং" শব্দ কেইটা। তাই একে দৌৰে ভিতৰৰ পৰা পদুলি মুখত বৈ থকা পিয়নজনৰ কাষ পালেগৈ। পিয়নজনৰ হাতৰ পৰা চিঠি বুলি টেলিগ্ৰামখনকে তাই লৰালৰিকৈ ললে। পিছত তাই দেখি অবাক যে সেইখন টেলিগ্ৰামহে। হঠাতে তাইৰ মূৰত বিনা মেঘে বজ্ৰপাত পৰা যেন লাগিল। যদি কিবা অঘটন ঘটিছে। ককায়েকৰ বাৰু . . . ?? নাই, নাই, সেইটো কেতিয়াও হ'ব নোৱাৰে। তাই আৰু ভাবিব নোৱাৰিলে। কিন্তু এইয়া তাই কি দেখিছে ? টেলিগ্ৰামখন খুলি পঢ়াত তাই হাত দুখন থৰথৰকৈ কঁপিবলৈ ধৰিলে। টেলিগ্ৰামখনত লিখা আছে যে গুলীয়াগুলীত দীপক নিহত হৈছে। মানে তাইৰ ককায়েক আৰু এইখন পৃথিৱীত নাই !! ঘৰখনত যি এগছি বন্তি জ্বলিছিল সিও অৱশেষত নুমাই থাকিল এনেদৰেই! তাই হুকহুকাই কান্দি উঠিল। অলপ সময় পদুলিমুখত থকা নঙলাৰ খুঁটাটোতে ধৰি কন্দাৰ পিছত তাইৰ মনলৈ জ্ঞান ফিৰি আহিল। দীপকৰ প্ৰথমখন চিঠি পোৱাৰ পিছত আনন্দৰ অশ্ৰু নিগৰি অহা মাক-দেউতাকক তাই বাৰু টেলিগ্ৰামখন কেনেদৰে পঢ়ি শুনাব? কামৰ মাজতে বাৰান্দালৈ ওলাই দীপক আহিব বুলি পদুলিমুখলৈ চাই থকা মাকক বাৰু কি বুলি ক'ব তাই ? সেই প্ৰাণৰ পুতলী দীপক যে আৰু কোনোদিনে ঘূৰি নাহে, মৰমী মাতৃৰ কাষলৈ। আৰু দেউতাক! দীপকলৈ মনত পেলাই মাক-জীয়েকৰ আঁৰ হৈ কোনোবা এচুকত মন মাৰি নিশ্চুপ হৈ বহি থকা দেউতাকক বাৰু তাই কি ক'ব ? আৰু তাই নিজে . .? টেলিগ্ৰামখন হাততে লৈ কৰবী এখোজ-দুখোজকৈ আগুৱাই গ'ল ঘৰৰ অভিমুখে।



# অনিৰ্বাণ

✎ ৰূপামণি বেজবৰুৱা
স্নাতক তৃতীয় বাৰ্ষিক (অসমীয়া বিভাগ)

*আচলতে গাঁওখনত কেইজনমান বৰ্বৰ স্বভাৱৰ ব্যক্তিৰ বাবেই এই গোটেইবোৰ খেলিমেলি। সেইসকলৰ ঘৰত যিমানেই অঘটন নঘটক কিয় সকলো দোষ ক্ষমা কৰা হয়। কিন্তু গাঁৱৰ সাধাৰণ পৰিয়ালবোৰত হোৱা সামান্য দোষ এটাকো সিহঁতে সহজভাৱে ল'ব নোৱাৰে। হয় এটকা চাৰিঅনা দণ্ড ভৰা হয়, নহয় এঘৰীয়া কৰা হয়। হেমেনে ডাঙৰ অপৰাধ কৰিছে, গতিকে হেমেনে এটকা চাৰিঅনা দণ্ড ভৰিলে নহ'ব। তাক সমাজৰ পৰা বাদ দিব লাগিব।*



উলুগুৰি গাঁওখনত এতিয়া তিনিটা খেল হ'ল। অহা বহাগতে গাঁওখন মিল হোৱাৰ কথা। সেই সময়তে ঘটনাটো ঘটি গ'ল। হেমেনে মালতীক পলুৱাই আনিলে। সেই কথাটোকে লৈ গাঁওখনত ৰাতিপুৱাৰ পৰা হুলস্থুল। মালতী আৰু হেমেনৰ জাত নিমিলে। সেই কাৰণে সমাজৰ ৰীতি-নীতিৰ মতে সিহঁতৰ বিয়া হ'ব নোৱাৰে। এই সক্ৰান্তত গাঁৱৰ ৰাইজে মেল্ পাতি আলোচনা-বিলোচনা কৰি এটা সিদ্ধান্ত ল'লে যে -- হেমেনক ঘৰৰ পৰা বেলেগ কৰিব লাগিব। হেমেনৰ সৈতে ঘৰখনৰ কোনো ধৰণৰ সংস্পৰ্শ নাথাকিব। যদি তাকে নকৰে, সিহঁতৰ ঘৰখনক এঘৰীয়া কৰিব।

আচলতে গাঁওখনত কেইজনমান বৰ্বৰ স্বভাৱৰ ব্যক্তিৰ বাবেই এই গোটেইবোৰ খেলিমেলি। সেইসকলৰ ঘৰত যিমানেই অঘটন নঘটক কিয় সকলো দোষ ক্ষমা কৰা হয়। কিন্তু গাঁৱৰ সাধাৰণ পৰিয়ালবোৰত হোৱা সামান্য দোষ এটাকো সিহঁতে সহজভাৱে ল'ব নোৱাৰে। হয় এটকা চাৰিঅনা দণ্ড ভৰা হয়, নহয় এঘৰীয়া কৰা হয়। হেমেনে ডাঙৰ অপৰাধ কৰিছে। গতিকে হেমেনে এটকা চাৰিঅনা দণ্ড ভৰিলে নহ'ব। তাক সমাজৰ পৰা বাদ দিব লাগিব।

কিন্তু হেমেন ঘৰখনৰ একমাত্ৰ ল'ৰা। মাক-দেউতাকে তাক এৰি থাকে কেনেকৈ? হেমেনৰ দেউতাক বুদ্ধেশ্বৰে

ভাৱি চিন্তি এটা সিদ্ধান্ত ল'লে যে গোঁসাই এজনক মাতি মালতীক শৰণ-ভজন দিয়াই শুদ্ধ কৰি ল'ব। আৰু হেমেনক শহুৰেকৰ ঘৰলৈ যাবলৈ নিদিয়ে। সেই সিদ্ধান্ত লৈ বুদ্ধেশ্বৰে নামঘৰত মেল চপালে। মেলত বুদ্ধেশ্বৰে কথাটো উল্লেখ কৰিলে। গাঁৱৰ কেইজনমানে কথাটো মানি ল'লে ; কিন্তু কি হ'ব, ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি। গাঁৱৰ মুখিয়াল ৰত্নেশ্বৰে কথাটো মানি নল'লে। অকল গোঁসাইক মাতিলে নহ'ব বোলে, ৰাইজকো জলপান খুৱাব লাগিব।

কিন্তু হেমেনহঁত অতি দুখীয়া। খেতিৰ পইচাই কোনোমতে ভাত মুঠিৰ যোগাৰ হয়। ৰাইজক খুৱাব ক'ৰ পৰা? ৰাইজৰো বিচাৰ শক্তি নাই, ৰত্নেশ্বৰে যি কয় তাকেই শুনে। বুদ্ধেশ্বৰ মেলৰ পৰা আহি ঘৰত আলোচনা কৰি ৰাইজৰ লগত নথকাটোৱেই ঠিক কৰিলে।

ইফালে মালতীৰ ঘৰে পুলিচ কেচ দিছে। আজিকালি টকায়েই সকলো। মালতী অৱস্থাসম্পন্ন ঘৰৰ ছোৱালী। গাঁওখনৰ কাষেদি বোৱা নদীখন পাৰ হ'লেই মালতীহঁতৰ ঘৰ পোৱা যায়। হেমেনে সিপাৰৰ পৰা কঠিয়া আনিবলৈ যাওঁতেহে মালতীৰ লগত চিনাকি।

বহাগৰ বিহুলৈ আৰু এসপ্তাহ বাকী। গাঁওখন মিল হোৱাৰ আশাত গাঁৱৰ মানুহৰ উনৈশত বা-বলিছে। ইফালে হেমেনৰ মাক কালিৰ পৰা নৰীয়াত পৰিছে। সিহঁতৰ ঘৰলৈ যেনিবা বিহু অহা নাই বৰবিহহে আহিছে। খেতিৰ পইচাইনো কি কৰিব? ডাক্তৰকে দিবনে, কেচতে দিব? নে ঘৰৰ অভাৱ পূৰাব? মালতীয়ে যিমান পাৰে শাহুয়েকক আলপৈচান ধৰিছে। বেচেৰীয়েনো কৰিব কি? হেমেনে কাম বিচাৰি যায়। ক'তো নাপায়। গাঁৱত কাম বিচাৰি গ'লে সকলোৱে তাক ঠাট্টা-বিদ্রূপ কৰে।

ইফালে সঠিক সময়ত কেচলৈ নোযোৱাৰ বাবে বিচাৰত মালীতহঁতৰ ঘৰৰ দলক বিজয়ী বুলি ঘোষণা কৰিলে। গতিকে মালতীৰ আপত্তি থকা সত্বেও বিধিমতে দেউতাকে মালতীক ঘৰলৈ লৈ গ'ল।

আজি গাঁওখনো মিল হ'ল। তিনিটা খেল গুচি এটা খেল হ'ল। কিন্তু হেমেনহঁতক এঘৰীয়া কৰা হ'ল। ইফালে হেমেনৰ মাকৰ অসুখ বেছি। গাঁৱৰ পিপৰা এটাও খবৰ ল'বলৈ অহা নাই। কথাতে কয় নহয় সম্পদৰ সময়ত মানুহ নিবিচাৰিলেও পোৱা যায় ; কিন্তু বিপদৰ সময়ত কাকো পোৱা নাযায়। আৰু আহিবনো কেনেকৈ? খবৰ ল'বলৈ আহিলে খবৰ লোৱা মানুহকেইঘৰকো এঘৰীয়া কৰিব। যিহেতু হেমেনহঁতক এঘৰীয়া কৰি থৈছে।

অৱশেষত হেমনৰ মাক ঢুকাল। কোনো মানুহেই নাহিল। হেমেন আৰু বুদ্ধেশ্বৰেই দাহ কৰিলে।

হেমেনৰ সকলো হেৰাল। ৰাইজ হেৰাল, মালতী হেৰাল আনকি মৰমৰ মাকো হেৰাল।

হেমেনক আৰু একো নালাগে। এই সমাজৰ আৰু একো বস্তুকেই হেমেনক নালাগে। এতিয়া অনদাৰ, অৱহেলা . . . এইবোৰ হেমেন আৰু বুদ্ধেশ্বৰৰ ভূষণ।

হেমেনহঁত আজিকালি গাঁৱত নাথাকে। চহৰৰ অলিয়ে-গলিয়ে সিহঁত ঘূৰি ফুৰে। ❖❖

## কৌতুক

এবাৰ গিৰীয়েকে ঘৰত উচপিচাই থকা দেখি ঘৈণীয়েকে ক'লে—হেৰি, কি হৈছেনো? উচপিচাই আছে যে ।

গিৰীয়েকে ক'লে — এটা খানা আছিল বুজিছা, অলপ বেছি খালো।

তাকে শুনি ঘৈণীয়েকে ক'লে — আপুনি এটা কাম কৰক, আঙুলি দুটা মুখত ভৰাই দিয়কচোন। বমি হৈ গ'লে ভাল পাব পাৰে।

তেতিয়া গিৰীয়েকে ক'লে — কি কোৱাহে, আঙুলি দুটা সোমোৱাৰ ঠাই থাকিলেনো দুটাকৈ মালভোগ কল এৰি থৈ আহিলোহেঁতেন নে ?

— দিপশিখা দেৱী

# এইখন সমাজতে

✎ *পাপৰী চাংমাই*

স্নাতক দ্বিতীয় বৰ্ষ (অসমীয়া বিভাগ)

মণিমাই উপলব্ধি কৰিলে এই মদ নামৰ বস্তুটোৰ বাবেই আজি বহুতো ঘৰ ধ্বংসৰ পথলৈ আগবাঢ়ি গৈছে। অকল তাই দেখি থকা এই বৰুৱাৰ ঘৰখনেই নহয় আন বিভিন্নজনৰ বহুতো ঘৰ ভাঙি গৈছে। যাৰ বাবে আজি তেওঁলোকৰ সন্তানসকল পথৰ ভিক্ষাৰী হৈ ওলাই আহিবলগীয়া হৈছে। ৰাস্তাৰ অলিয়ে-গলিয়ে ঘূৰি ফুৰা সিহঁতৰ নিস্পাপ মুখবোৰৰ কথা ভাবি মণিমাৰ অন্তৰৰ কোনোবাখিনি বিষাই যোৱা যেন লাগিল।

ৰাতিপুৱা খিড়িকীখন খুলিয়েই মণিমাৰ ইমান খং উঠি গ'ল যে তাই লগে লগে খিড়িকীখন জোৰেৰে বন্ধ কৰি দিলে। পাকঘৰত চাহ কৰি থকা মাকে জীয়েকৰ খং উঠাৰ কাৰণ ভালদৰে বুজিব পাৰিলে যদিও তেওঁৰ মনত ইয়াৰ বাবে কোনো বিশেষ প্ৰতিক্ৰিয়া নহ'ল। কাৰণ এনেকুৱা ৰাতিপুৱা তেওঁৰ বাবে অপৰিচিত নহয়। মাথোন জীয়েক মণিমাই হোষ্টেলত থকা বাবে এনেকুৱা ৰাতিপুৱাৰ লগত আজি দুদিনমানৰ পৰাহে সন্মুখীন হৈছে।

চাহকাপ মুখলৈ নিওঁতেই বাহিৰৰ পৰা ইমান চিঞৰ-বাখৰ, কন্দা-কটাৰ মাত ভাঁহি আহিবলৈ ধৰিলে যে মাক-জীয়েক এজনীৰো চাহ খোৱা নহ'ল। মাকে লৰালৰিকৈ চাদৰখন সলাই বৰুৱাৰ ঘৰলৈ দৌৰ মাৰিলে। মণিমায়ো দুৱাৰ মুখলৈ ওলাই গৈ মাক যোৱালৈ চাই ৰ'ল। দুৱাৰ মুখত ৰৈ থাকি মানুহঘৰৰ পৰা অহা চিঞৰ-বাখৰবোৰ, মাতবোৰ শুনি থাকি মণিমাৰ খঙটো ক্ৰমান্বয়ে বেছি হৈ আহিল। তাইৰ এনেকুৱা লাগিল এতিয়াই গৈ যেন তাই সেই নতুনকৈ সিহঁতৰ ঘৰৰ ওচৰলৈ অহা পদ্ম বৰুৱা নামৰ মানুহজনৰ মুখত দুই চৰ মাৰি থৈ আহিব।

মাক আহি নোপোৱালৈকে মণিমা স্থিৰেৰে থাকিব পৰা নাই। বাৰে বাৰে তাইৰ মনলৈ আহিছে মানুহঘৰৰ অকণমাণি ছোৱালী দুজনীৰ মুখ কেইখন। বেচেৰী এই দুৰ্ভগীয়া ছোৱালী দুজনীয়ে বাৰু এতিয়া কি কৰিছে ? মাক-দেউতাকৰ কাজিয়া দেখি সিহঁত কেইজনীয়ে চাগে কৰবাত ভয়ে ভয়ে লুকাই থাকি কান্দি আছে। তাতে দেউতাকক মদ খাই অহা দেখি আৰু ভয় কৰিছে চাগে! মণিমাৰ মনটোত বৰুৱা মানুহজনৰ প্ৰতি ঘৃণা উপজিবলৈ ধৰিলে। ৰাতিপুৱাতে মদ এগাল গিলি আহি ঘৈনীয়েকৰ লগত অবান্তৰ তৰ্ক কৰি মাৰ-পিট কৰা এই মানুহজনৰ কথা ভাবি মণিমা সঁচাই আচৰিত হ'ল। কাৰণ তেওঁতো কোনো অশিক্ষিত লোক নহয়। এজন শিক্ষিত লোক হৈ তেওঁৰ বাবেই গোটেই চুবুৰীটোৰ শান্তিত ব্যাঘ্যাত জন্মিছে। এই কথা মণিমাই উপলব্ধি কৰিব নোৱাৰা দেখি তেওঁ আৰু আচৰিত হৈছে।

কথাবোৰ ভাবি থাকোঁতে মণিমাৰ মনত নানা চিন্তা কিছুমানে আগুৰি ধৰিলেহি। মণিমাই উপলব্ধি কৰিলে এই মদ নামৰ বস্তুটোৰ বাবেই আজি বহুতো ঘৰ ধ্বংসৰ পথলৈ আগবাঢ়ি গৈছে। অকল তাই দেখি থকা এই বৰুৱাৰ ঘৰখনেই নহয় আন বিভিন্নজনৰ বহুতো ঘৰ ভাঙি গৈছে। যাৰ বাবে আজি তেওঁলোকৰ সন্তানসকল পথৰ ভিক্ষাৰী হৈ ওলাই আহিবলগীয়া হৈছে। ৰাস্তাৰ অলিয়ে-গলিয়ে ঘুৰি ফুৰা সিহঁতৰ নিস্পাপ মুখবোৰৰ কথা ভাবি মণিমাৰ অন্তৰৰ কোনোবাখিনি বিষাই যোৱা যেন লাগিল।

যিবোৰ মাক-দেউতাকে আজি এই শিশুবোৰক

ভৱিষ্যতৰ বাবে একোজন নাগৰিক ৰূপে গঢ় দিবলৈ যত্নপৰ হ'ব লাগিছিল ; তেওঁলোকেইচোন সিহঁতক পথৰ ভিক্ষাৰী হ'বলৈ বাধ্য কৰিছে। হঠাৎ মণিমাৰ সমগ্ৰ পুৰুষ জাতিটোৰ ওপৰতে ঘৃণা জন্মিল। আমাৰ এই পুৰুষ প্ৰধান সমাজত আজি এই পুৰুষ জাতিটোৱে এনে এখন শক্তিশালী দেৱাল হৈ থিয় দিছে যে তেওঁলোকে নাৰীক এক পণ্য সামগ্ৰী ৰূপে ব্যৱহাৰ কৰিছে যাৰ বাবে আজি নাৰী অৱহেলিত হৈছে। ফলত বৈবাহিক জীৱন আৰম্ভ কৰি একোখন সুন্দৰ সংসাৰৰ কল্পনা কৰা নাৰীসকলৰ সেই সপোন আধাতেই ভাঙি থান-বান হৈ গৈছে।

ঘড়ীটোৰ টং টং শব্দত মণিমা ভাৱৰ সাগৰৰ পৰা উলটি আহিল। ইতিমধ্যে মাকো আহি বৰুৱাৰ ঘৰৰ পৰা পালেহি। মাকে আহোঁতে লগত বৰুৱাৰ ছোৱালী দুজনীও লৈ আহিছে। সিহঁতকেইজনীৰ মুখকেইখনত ফুটি উঠা কৰুণতা দেখি মণিমাৰ সিহঁতলৈ বৰ পুতৌ উপজিল। বেচেৰী এই অকণমানি ছোৱালী দুজনীয়ে বাৰু কি বুজিছে সিহঁতে কল্পনা কৰা এই ৰঙীন পৃথিৱীখনত আৰু যে কিমান কষ্ট, কিমান সংঘাত সিহঁতৰ বাবে ভৱিষ্যতৰ দুৱাৰদলিত ৰৈ আছে।

দূৰৰ মন্দিৰৰ পৰা ঘণ্টাৰ মাত ভাঁহি আহিছে। মণিমাই প্ৰাৰ্থনা কৰিলে, "হে প্ৰভু ইহঁতক তুমি অকণমান শান্তি দিয়া। সাহস আৰু ধৈৰ্য্য দিয়া, যাতে ইহঁতে পৃথিৱীত জীয়াই থাকিব পাৰে। জীৱন সংগ্ৰামৰ এই অবিৰত যাত্ৰাত জয়ী হ'বলৈ সিহঁতক আশীৰ্বাদ দিয়া প্ৰভু।"





## কৌতুক

তিনিজন বন্ধুৰ মাজত কাৰ দেউতাক কিমান কৃপন তাৰ ওপৰত আলোচনা চলি আছিল।

প্ৰথম বন্ধু ঃ আমাৰ দেউতা কৃপন যে বজাৰৰ পৰা বিছনীখন কিনি আনি ক্ষয় যোৱাৰ ভয়ত বিছনীখন হাতেৰে নুঘূৰাই টেবুলত থৈ মূৰটো লৰাই থাকে।

দ্বিতীয় বন্ধু ঃ থৈ দে তোৰ কথা। আমাৰ দেউতাই আকৌ পানী খাই গিলাচটোত যিখিনি পানী ৰৈ যায় সেইখিনি কুঁৱাত ঢালি থৈ আহে।

তৃতীয় বন্ধু ঃ থ-থ, তহঁতৰ পিতাদেউৰ কথা। আমাৰ দেউতাই কি কৰে জান ? দেউতাই দাড়ি খুৰাই থাকোঁতে ডেটলৰ বটলৰ পৰা ডেটল উলিয়াই পৰিলে তৎক্ষণাত নিজৰ আঙুলি এটা কাটি মাটিত পৰা ডেটলখিনি আঙুলিটোত লগাই থয়।

# স্বাধীনতা

✎ *দীপামণি দাস*
স্নাতক তৃতীয় বাৰ্ষিক



বতাহত নাচিথকা ত্ৰিৰঙ্গ নিচানৰ তলত থিয় হৈ তাই শুনিবলৈ চেষ্টা কৰে বিকলাঙ্গ পিয়লিৰ সেই তেজোদীপ্ত কণ্ঠস্বৰ- 'মোক স্বৰ্গ নালাগে, মোক বৈকুণ্ঠ নালাগে, মই সোণৰ সঁফুৰা দেৰবো দুৰ্লভ অসমলৈ আকৌ আহিম, আকৌ জনম ল'ম। ........ সিঁহতে মোক এবাৰ ফাঁচী দিব, মই দুবাৰ আহিম। সিহঁতে দুবাৰ ফাঁচী দিব। মই দহবাৰ আহিম।' কনকলতাৰ প্ৰতিমূৰ্ত্তিৰ আগত থিয় দিলে তাইৰ দুগাল চকুৰ পানীৰে তিতি যায়।

এটা চেপা উত্তেজনা। বিশ্ববিদ্যালয়ত পঢ়া ছোৱালীজনীক দেউতাকে মতাই আনিছে। কোন সময়ত কি হয় কোনে জানে। তাই ঘৰত থাকিলে অন্ততঃ মাক- দেউতাকহাল নিঃচিন্তে থাকিব পাৰিব। ছোৱালীজনী ভিতৰি ভিতৰি উত্তেজিত হৈ আছে। তাইৰ চিন্তা-ধাৰাত আউল লাগি গৈছে। বাৰে বাৰে দেউতাকক প্ৰশ্ন কৰিছে 'কিয় কৰিব নালাগে ?' দেউতাকক জেদ ধৰিছে। কৰিবই তাই। সকতে ভয় অথবা মৰমেৰে বুজোৱাৰ দৰে, দেউতাকে ছোৱালীজনীক বুজাব পৰা নাই তাইৰ কামৰ প্ৰতিক্ৰিয়া কিমান ভয়াৱহ হব পাৰে। আবেগিক হৈ পৰিছে

ছোৱালীজনী। সাহস আৰু ত্যাগৰ এই প্ৰতীকে সিঁহতৰ আদৰ্শ বা নীতিত কি বাধাৰ সৃষ্টি কৰিব পাৰে?

সৰুতে যেতিয়া এই বিশেষ দিনটোত সিহঁতৰ ঘৰত উচ্চশিৰে নিচানখন বতাহত ঢৌ খেলি থাকে, তেতিয়া তাই গৰ্ব অনুভৱ কৰিছিল নিচানখনৰ বাবে, দেউতাকৰ বাবে। দেউতাকে তাইক নিচানখনৰ কথা কয়, নিচানখনক সন্মান কৰাৰ কথা কয়। শান্তি, সাহস আৰু ত্যাগৰ কাহিনী শুনায়। শান্তি মানেই তাই বুজে ভগৱান বুদ্ধ আৰু গান্ধীজীৰ কথা। শান্তিয়েই আচলতে পৰম প্ৰশান্তি। নহ'লেনো কলিংগৰ সেই বিৰাট সফলতাৰ পিছতো সম্ৰাট অশোক তেনেদৰে শোকত ম্ৰিয়মান হৈ পৰেনে ? দেউতাকে ছোৱালীজনীক স্বাধীনতা যুঁজৰ কাহিনী কয়, দুচকু পানীৰে ভৰি যোৱাকৈ। বগা ফিৰিঙ্গীৰ কথা কয়। ছিৰাজ-উদ-দৌল্লা, টিপু চুলতানৰ পৰা ৰাণী গাইদালু, টিকেন্দ্ৰজীৎ, কুশল কোঁৱৰৰ আত্মত্যাগৰ কাহিনী কয়। ছিৰাজ-উদ-দৌল্লাৰ বিশ্বাসঘাটকতাৰ সেই কাহিনী শুনিলে তাই হৃদয়ৰ কোনোবা এটা কোণত বিষ অনুভৱ কৰে। *চ্ছ্ৰচ* ৰ গণ আন্দোলন অথবা পথৰুঘাট, ফুলগুৰিৰ কৃষক বিদ্ৰোহৰ কাহিনী শুনিলে তাই শিহৰিত হৈ উঠে। জনতাৰ কি প্ৰচণ্ড শক্তি! জালিয়ানাবাগৰ নিৰীহ জনগণৰ আৰ্তনাদে তাইৰ দুচকু পানীৰে উপচাই পেলায়। দেউতাকে ছোৱালীজনীক উধম সিঙৰ কাহিনী কয়। কি প্ৰচণ্ড ক্ষোভ ল'ৰাটোৱে এৰকৈশ বছৰ কঢ়িয়াই লৈ ফুৰিছিল। হত্যাকাণ্ডৰ উদ্যোক্তা মাইকেল ডায়াৰক উধম সিঙে লণ্ডনত গুলীয়াই হত্যা কৰিছিল জালিয়ানাবাগৰ হত্যাৰ এৰকৈশ বছৰৰ পাছত। উধমৰ পিতৃ জালিয়ানাবাগত শ্বহীদ হৈছিল।

ত্ৰিৰঙ্গ নিচানৰ তলত থিয় হৈ ছোৱালীজনী আকাশৰ দৰে কোনোবা বিশাল অৰণ্যৰ মাজত বিলীন হৈ যায় সংকীৰ্ণতাৰ প্ৰাচীৰ ভাঙি। য'ত তাই একেলগে অনুভৱ কৰে বিষাদ, আনন্দ আৰু পৱিত্ৰতাৰ এক অপূৰ্ব অনুভূতি। বতাহত নাচিথকা ত্ৰিৰঙ্গ নিচানৰ তলত থিয় হৈ তাই শুনিবলৈ চেষ্টা কৰে বিকলাঙ্গ পিয়লিৰ সেই তেজোদীপ্ত কণ্ঠস্বৰ- 'মোক স্বৰ্গ নালাগে, মোক বৈকুণ্ঠ নালাগে, মই সোণৰ সঁফুৰা দেৱৰো দুৰ্লভ অসমলৈ আকৌ আহিম, আকৌ জনম ল'ম। ........ সিঁহতে মোক এবাৰ ফাঁচী দিব, মই দুবাৰ আহিম। সিহঁতে দুবাৰ ফাঁচী দিব। মই দহবাৰ আহিম।' কনকলতাৰ প্ৰতিমূৰ্ত্তিৰ আগত থিয় দিলে তাইৰ দুগাল চকুৰ পানীৰে তিতি যায়। দুচকু মুদি অনুভৱ কৰে পৰাধীনতা কি ভয়ংকৰ।

স্বাধীনতাৰ স্বৰ্ণজয়ন্তীত অসন্মানিত হৈ পৰি থকা ত্ৰিৰঙ্গ নিচানখন দেখি তাইৰ দুগাল তিয়াই সৰসৰকৈ বাগৰি আহিছে দুচকুৰ পানীবোৰ। ত্ৰিশ কোটি সন্তানৰ সাহস আৰু ত্যাগৰ জলন্ত প্ৰতীক এই নিচান। অকল জানো সেয়ে? সমগ্ৰ জাতিৰ চেতনা, ঐতিহ্য, আশা, আকাংক্ষা আৰু আদৰ্শৰো পৰিচায়ক এই ত্ৰিৰংগ নিচানখন। সেয়ে তাই এই নিচানৰ তলত থিয় হৈ অনুভৱ কৰে আকাশৰ দৰে বিশালতা, বাৰিষাৰ নদীৰ দৰে গম্ভীৰতা অথবা জুৰিৰ চঞ্চলতা। তাইৰ জানিবৰ মন গৈছে স্বাধীনতা বিচৰা ল'ৰাজাকে, স্বাধীনতাৰ প্ৰতীক ত্ৰিৰঙ্গ নিচানখন দেখি কোনো অনুকম্পা অনুভৱ নকৰেনে ?

## কৌতুক

কালু ঃ বুজিছ লালু, মই ৰাতিপুৱা হ'মৱৰ্ক কৰাৰ আগতে আটাইতকৈ টান কামটো কৰি পেলাওঁ।

লালু ঃ কি কামনো কৰ'?

কালু ঃ শোৱাৰ পৰা উঠা।

সংগ্ৰহ ঃ দিপশিখা দেৱী



# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

শ্ৰদ্ধাস্পদ শিক্ষাগুৰুবৃন্দ, সন্মানীয় কৰ্মচাৰীসকল আৰু অতি মৰমৰ বাইদেউ, বান্ধৱী আৰু অনুজপ্ৰতীম ভন্টীসকল। জয়জয়তে এই জ্ঞান মন্দিৰত আত্মনিয়োগ (শিক্ষা গ্ৰহণৰ বাবে) কৰিবলৈ অহা সমূহ সতীৰ্থবৃন্দলৈ শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী একতা সভাৰ তৰফৰ পৰা শ্ৰদ্ধান্বিত প্ৰীতি সম্ভাষণ জনাই সম্পাদকীয় প্ৰতিবেদনৰ আঁক মাৰিছো।

হে মোৰ জ্ঞান পিপাসুসকল – মোৰ কাৰ্য্যকালৰ খতিয়ান দাঙি ধৰিবলৈ যোৱাৰ আগতে একাঁজলি শ্ৰদ্ধাঞ্জলি যাচিছোঁ – স্বদেশ আৰু স্বজাতিৰ হকে জীৱন আহুতি দিয়া বীৰ-বীৰংগণাসকলৰ পৱিত্ৰ স্মৃতিত। শত সহস্ৰ প্ৰণাম যাচিছো সেইসকল ব্যক্তিলৈ যিসকলে ত্যাগ আৰু অশেষ কষ্টৰে এই জ্ঞান মন্দিৰটিৰ জন্ম দিলে। ১৯৬৪ চনত স্থাপিত হোৱা এই জ্ঞান মন্দিৰটিৰ পৰাই বহুতো ছাত্ৰীয়ে শিক্ষা লাভ কৰি জীৱনত সু-প্ৰতিষ্ঠিত হৈছে। ই নিশ্চয় আমাৰ মহাবিদ্যালয়ৰ বাবে গৌৰৱৰ কাৰণ। "জীৱন মৃত্য চিৰ শ্বাশ্বত" কবিৰ ভাষাত "মৃত্যুওতো এটা শিল্প জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য।" এই মহাবিদ্যালয়ত জ্ঞান লাভ কৰিবলৈ আহি অকালতে আমাৰ মাজৰ পৰা হেৰাই যোৱাসকললৈ একাঁজলি শ্ৰদ্ধা নিবেদিছোঁ।

জ্ঞান বৃক্ষৰ ছাঁত দীক্ষা লোৱাৰ উদ্দেশ্যেৰে এদিন পদাৰ্পণ কৰিছিলোঁহি বুৰঞ্জীয়ে পৰশা শিৱসাগৰ নগৰৰ মাজ মজিয়াত অৱস্থিত শিৱসাগৰ ছোৱালী কলেজত। গৌৰৱ উদ্বেলিত এই জ্ঞান মন্দিৰটিত ১৯৯৭-৯৮ চনৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকাৰ পদৰ বাবে যিসকল ছাত্ৰী বান্ধৱীয়ে সহায়-সহযোগ কৰি নিৰ্বাচিত হোৱাত সহায়-সহযোগ আগবঢ়ালে সেইসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে ছাত্ৰী নিবাসৰ সমূহ আবাসীলৈ এই আপাহতে কৃতজ্ঞতা নিবেদিছোঁ। মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদিকাৰ দৰে এক গুৰুত্বপূৰ্ণ দায়িত্ব লৈ অনুষ্ঠানটোৰ সৰ্বাংগীন উন্নতিৰ হকে নিজকে সম্পূৰ্ণৰূপে উচৰ্গা কৰাটো খুবেই কঠিন যদিও মই তথা আমাৰ ছাত্ৰী একতা সভাৰ সদস্যসকলে অনুষ্ঠানটিৰ উন্নতিৰ হকে নিজকে আত্মনিয়োগ কৰাত কোনো ত্ৰুটি কৰা নাছিলোঁ।

১৯৯৭ চনৰ ৬ ডিচেম্বৰ তাৰিখে সাধাৰণ সম্পাদিকাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰো। মোৰ কাৰ্য্যকালত কৰা কাৰ্য্যাৱলীসমূহৰ বিষয়ে চমু আভাস দিবলৈ আগবাঢ়িছো। মোৰ কাৰ্য্যকালৰ খতিয়ান আপোনালোকৰ বিচাৰ্য্যৰ বাবে অনুৰোধ জনালো।

১। সংস্কৃতি এটা জাতিৰ মেৰুদণ্ড স্বৰূপ। সাহিত্য মানুহৰ জীৱনৰ ছন্দোময় ধাৰা আৰু ক্ৰীড়া হৈছে মানৰ সভ্যতাৰ বিচিত্ৰ চানেকি । আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মাজত সুপ্তভাৱে থকা প্ৰতিভাসমূহ বিকাশৰ বাবে একমাত্ৰ মাধ্যম হৈছে "বাৰ্ষিক কলেজ সপ্তাহ"। ১৯৯৭-৯৮ চনৰ "বাৰ্ষিক কলেজ সপ্তাহ" ৩০/১২/৯৭ ৰ পৰা ৬/১/৯৮ তৰিখলৈকে অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। এই "বাৰ্ষিক কলেজ সপ্তাহৰ" প্ৰথম কাৰ্য্যসূচী হিচাপে পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মহোদয় মঃ হাফিজুৰ ৰহমান চাৰে। "কলেজ সপ্তাহৰ" লগত সংগতি ৰাখি ৫/১/৯৮ তাৰিখে "অসমীয়া ভাষাত অশুদ্ধ ৰূপৰ ব্যৱহাৰ" এই শীৰ্ষক এখনি আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয়। এই আলোচনাচক্ৰখনি সঞ্চালনা কৰে শ্ৰীযুত যোগেন চেতিয়াদেৱে। ৬ জানুৱাৰী দিনটো আমাৰ বাবে বৰ স্মৰণীয় দিন। কিয়নো এই দিনটোত ১৯৯৬-৯৭ চনৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ স্নাতক চূড়ান্ত পৰীক্ষাত বিভিন্ন বিভাগত প্ৰথম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱা হয়। লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভূগোল বিষয়ত শ্ৰেষ্ঠ স্নাতক হোৱা মিছ্ গীতাঞ্জলী বৰা

বাইদেউক এই সভাতেই সম্বৰ্দ্ধনা জনোৱা হয়। ৬ জানুৱাৰীৰ বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় মাননীয় শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ তালুকদাৰদেৱে। বিভিন্ন বিভাগত কৃতিত্ব অনুসৰি বঁটা লাভ কৰা প্ৰতিযোগীসকলক বঁটা প্ৰদান কৰে ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা শ্ৰীযুতা সুধা ভূঞা বাইদেৱে।

২। ৯/১/৯৮ তাৰিখৰ পৰা ১১/১/৯৮ তাৰিখলৈকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় এথলেটিকছ্ প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যায়ৰ দলটিয়ে দ্বিতীয় শ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হয়। শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী মণিকা বৰুৱাই শ্বটপুটত ৰেছ বছৰীয়া অভিলেখ ভংগ কৰিছে। মহিলাৰ শ্বটপুটত নতুনকৈ অভিলেখ গঢ়ে ১২.৩৭ মিটাৰেৰে শিৱসাগৰৰে বুধেশ্বৰী থাপাই। ১১.৩৮ মিঃত ১৯৮২-৮৩ চনত প্ৰতিষ্ঠা কৰা অভিলেখ ভংগ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃ মহাবিদ্যালয় এথলেটিকছ্ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়খনিলৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰী খেলুৱৈৰ দলটিলৈ আপাহৰে কৃতজ্ঞতা নিবেদিছোঁ।

৩। শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত বিভিন্ন স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত ১৭ আৰু ১৮ জানুৱাৰী '৯৮ তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে শিৱসাগৰ নাট্য মন্দিৰত "শিল্পী দিৱস" উদ্‌যাপন কৰা হয়। এই 'শিল্পী দিৱস'ৰ লগত সংগতি ৰাখি আয়োজন কৰা ৰচনা আৰু আবৃত্তি প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীৰ দলটিয়ে যোগদান কৰি মহাবিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনে।

৪। "গড়গাঁৱৰ চিন্তা-চৰ্চ্চা কেন্দ্ৰ"ৰ সৌজন্যত সদৌ শিৱসাগৰৰ জিলা ভিত্তিত অনুষ্ঠিত হোৱা বক্তৃতা প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰী মনালিছা দত্তই অংশ গ্ৰহণ কৰি মহাবিদ্যালয়খনিলৈ গৌৰৱ কঢ়িয়াই আনে।

৫। "বাৰ্ষিক কলেজ সপ্তাহ"ৰ পিছতে শ্ৰীশ্ৰীসৰস্বতী পূজা অন্য বছৰৰ তুলনাত এই বছৰ অতি উলহ-মালহেৰে পালন কৰা হয়।

৬। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় মঃ হাফিজুৰ ৰহমান চাৰে তেখেতৰ কৰ্মময় জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত ৫ ফেব্ৰুৱাৰী '৯৮ তাৰিখে এখনি বিদায় সম্ভাষণ সভা অনুষ্ঠিত কৰা হয়।

৭। ৯ ফেব্ৰুৱাৰী '৯৮ তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আছু গোটে অনুষ্ঠিত কৰা "মহাবিদ্যালয়সমূহৰ শৈক্ষিক সমস্যাৱাজি" শীৰ্ষক আলোচনাচক্ৰত মহাবিদ্যালয়ৰ হৈ অংশ গ্ৰহণ কৰো।

৮। মহাবিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী শ্ৰীযুত ফটিক শইকীয়াদেৱে চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পৰিপ্ৰেক্ষিতত ৭।৩।৯৮ তাৰিখে আন এখনি বিদায় সভা অনুষ্ঠিত কৰা হয়।

৯। আমাৰ মহাবিদ্যালয়ত বিভিন্ন ঠাইৰ পৰা উচ্চ শিক্ষা গ্ৰহণ কৰিবলৈ অহা ছাত্ৰীসকলক আদৰণি জনোৱাৰ মানসেৰে ইংৰাজী ৯।৯।৯৮ তাৰিখে "নৱাগতা আদৰণি" সভাখনি অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় মাননীয় শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ তালুকদাৰদেৱে। নিমন্ত্ৰিত অতিথিৰূপে যোগদান কৰে মাননীয় শ্ৰীযুত ইমৰাণ শ্বাহদেৱ আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত বীৰেণ বৰকটকীদেৱ আৰু শ্ৰীযুত দ্ৰোণ কলিতাদেৱে। এই নৱাগতা আদৰণি সভাতেই মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা "প্ৰবাহিনী" উন্মোচন কৰা হয়। এই প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মহোদয় তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত বীৰেণ বৰকটকীদেৱে।

১০। শিৱসাগৰৰ অন্যতম সাহিত্য গোষ্ঠী "প্ৰপঞ্চ" সংঘৰ সৌজন্যত ছাত্ৰী একতা সভাৰ সহযোগত সদৌ শিৱসাগৰ জিলা ভিত্তিত এখনি কুইজ প্ৰতিযোগিতা আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হয়।

১১। ৩০ আগষ্ট '৯৮ তাৰিখে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা "নাগৰিক

সভা’’ত ছাত্ৰী একতা সভাৰ সমূহ সদস্যাবৃন্দই অংশ গ্ৰহণ কৰোঁ।

১২। মহাবিদ্যালয়ত নিয়ম-শৃংখলা অটুট ৰাখিবৰ বাবে ছাত্ৰীসকলক মহাবিদ্যালয়ৰ পোছাক পৰিধানৰ বাবে আবেদন জনোৱা হয়।

১৩। মহাবিদ্যালয়ৰ নবাগতা ছাত্ৰীসকলৰ লগত চিনাকীৰ নামত যি ৰেগিং পৰ্ব হয় তাক বন্ধ কৰিবৰ বাবে কঠোৰ ব্যৱস্থা লোৱা হয়।

১৪। আমাৰ কাৰ্য্যকালতে সাংসদ পুঁজিৰ পৰা ৮ লাখ টকাৰ এটা অনুমোদন লাভ কৰো। আৰু এই টকাৰে ১৬০০ বৰ্গ ফুটৰ এটা দুই মহলাৰ পকীঘৰ সজাৰ কাম সম্পূৰ্ণপ্ৰায় হৈছে।

১৫। ছাত্ৰী আৰু কাৰ্য্যালয়ৰ সুবিধাৰ অৰ্থে মহাবিদ্যালয়লৈ এটা ‘জেৰক্স মেচিন’ অনা হয়।

১৬। অধ্যক্ষ মহোদয়ৰ কোঠাৰ সন্মুখৰ মজিয়াখন শেলুৱৈয়ে ধৰাত নতুনকৈ নিৰ্মাণ কৰা হয়।

১৭। কলেজ আৰু হোষ্টেলৰ মাজত যোগসূত্ৰ ৰখা P.W.D. ৰাস্তাটো আৰু কলেজ কাৰ্য্যালয়ৰ মাজৰ ঠাইডোখৰত দূষিত পানীসমূহ উলিয়াই পঠাবৰ কাৰণে এটা নলাৰ ব্যৱস্থা কৰা হয়।

১৮। কলেজৰ বিল্ডিংৰ টিনপাতত মামৰে ধৰাত নতুনকৈ ৰং কৰা হয়। আৰু Black Board বিলাকতো নতুনকৈ ৰং কৰা হয়।

১৯। কলেজ চৌহদৰ ভিতৰত নতুনকৈ এটা ‘চিনটেক্স’ বহুওৱা হয়। এই চিনটেক্সটোৰ পৰা ছাত্ৰীৰ জিৰণী কোঠা, শিক্ষকৰ জিৰণী কোঠা আৰু কাৰ্য্যালয়লৈ পানীৰ যোগান পৰিবাহিত কৰা হয়।

২০। আমাৰ কাৰ্যকালতে মহাবিদ্যালয়ত ডেক্স-বেঞ্চৰ লগতে ডাষ্টবিনৰো যোগান ধৰা হয়। ছাত্ৰীনিবাস, গ্ৰন্থাগাৰ আৰু কলেজৰ দৰ্জা, খিৰিকী নতুনকৈ তৈয়াৰ কৰা হয়।

২১। গ্ৰন্থাগাৰৰ ঘৰটো চৰকাৰৰ পৰা যিমান টকাৰ প্ৰয়োজন হয় সেইমতে টকা নোপোৱাত আজি বহু দিন ধৰি আধা সজা অৱস্থাত পৰি আছিল। এতিয়া সেই গ্ৰন্থাগাৰটো কলেজ ফান্দৰ পৰা টকা খৰচ কৰি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াক দুমহলীয়া কৰাৰ কামো আগবাঢ়িছে।

২২। মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ চাইকেল থবৰ কাৰণে চাইকেল ষ্টেণ্ডটো সৰু হোৱাত তাক পুনৰ আহল-বহলকৈ নিৰ্মাণ কৰাৰ আঁচনি লোৱা হৈছে। ইয়াৰ উপৰিও ‘একুৱা গাৰ্ডৰ’ যোগেদি বিশুদ্ধ খোৱা পানীৰ আঁচনি গ্ৰহণ কৰা হৈছে।

ইয়াৰোপৰি মহবিদ্যালয়ৰ ছাত্ৰী একতা সভাই সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিটো কাৰ্য্যসূচীতে অংশ গ্ৰহণ কৰি কাৰ্য্যসমূচীসমূহ মহাবিদ্যালয়ত সফল কৰি তোলোঁ।

## শিৱসাগৰ ছোৱালী কলেজৰ বিভিন্ন অভাৱ-অভিযোগসমূহ ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে কোৱা হৈছে যে ১৯৬৪ চনতে স্থাপিত হোৱা শিৱসাগৰ জিলাৰ ভিতৰত শিৱসাগৰ ছোৱালী কলেজে নাৰী শিক্ষাৰ অগ্ৰগণী ভূমিকা গ্ৰহণ কৰি আহিছে। ইমান পুৰণি যদিও আমাৰ মহাবিদ্যালয়খন বহুতো সমস্যাৰে জৰ্জৰিত হৈ আছে। এইটো সঁচাকৈয়ে বৰ পৰিতাপৰ কথা। সেয়েহে আশা ৰাখিছো মহাবিদ্যালয় কৰ্তৃপক্ষই এই অভাৱসমূহ দূৰ কৰিবলৈ যত্নবান হ’ব।

(ক) ছোৱালীৰ অনুপাতে মহাবিদ্যালয়ৰ শ্ৰেণী কোঠাৰ সংখ্যা একেবাৰে সীমিত।

(খ) মহাবিদ্যালয়ত স্থায়ী শ্বহীদ বেদী নিৰ্মাণ কৰিব লাগে।

(গ) ছাত্ৰী একতা সভাৰ নিজস্ব সংবিধান নোহোৱাৰ বাবে বহুতো সমস্যাৰ সন্মুখীন হ’বলগীয়া হয়।

(ঘ) মহা[illegible]লয়ত স্থায়ী প্ৰেক্ষাগৃহ আৰু নিজস্ব খেলপথাৰৰ বাৰুকৈয়ে অভাৱ অনুভৱ হয়।

(ঙ) ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকলক “ইউনিফৰ্ম” দিয়াৰ ব্যৱস্থা কৰিব লাগে।

এখন পূৰ্ণাংগ পৰ্য্যায়ৰ মহবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ মাত্ৰ এটি বছৰ তেনেই কম সময়। এই অতি কম সময়ছোৱাত আপোনালোকে যি আশা আৰু প্ৰত্যয়েৰে মোক তথা আমাৰ ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকলক নিৰ্বাচন কৰিলে তাক মই তথা আমি কিমান দায়িত্ব সহকাৰে পদমৰ্য্যাদা ৰাখিব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্যৰ কাঠগড়াত। এই নাতিদীৰ্ঘ মোৰ কাৰ্য্যকালৰ এটি চমু আভাষ দাঙি ধৰিলো। নতুন ছাত্ৰী একতা সভাসমূহে এই শিক্ষানুষ্ঠানৰ চিন্তা-চৰ্চ্চা, নিয়মানুৱৰ্তিতা, ঐকান্তিকতা, সুস্থ শৈক্ষিক বাতাবৰণ তথা কৰ্ম উদ্দীপনাৰে সময়ৰ ওপৰত প্ৰভাৱ পেলাই মহাবিদ্যালয়ৰ প্ৰগতিৰ পথ প্ৰশস্ত কৰিব বুলি আমি আশাবাদী।

কৃতজ্ঞতা জ্ঞাপন ঃ

সাধাৰণ সম্পাদিকা হিচাবে মোৰ কাৰ্য্যকালত বিভিন্ন কাৰ্য্যসূচী তথা অনুষ্ঠানবিলাক সুকলমে আৰু সুচাৰুৰূপে পৰিচালনা কৰাত যিসকলে সহায় কৰিলে তেখেতলোককৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। বিভিন্ন দিশত সহায়-সহযোগ তথা দিহা-পৰামৰ্শ দি সহায় কৰাৰ বাবে মাননীয় শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ তালুকদাৰ, শ্ৰীযুত সমৰজিৎ চৌধুৰী, শ্ৰীযুতা মনোৱাৰ বেগম বাইদেউ, শ্ৰীযুত অৰুণ বৈৰাগী, শ্ৰীযুত শিৰীষ ভট্টাচাৰ্য্য, শ্ৰীযুত প্ৰসন্ন ভূঞা, মঃ ইনামুল হুছেইন, শ্ৰীযুতা অসমী গগৈ বাইদেউৰ লগতে বিজ্ঞান শাখাৰ শিক্ষকবৃন্দলৈ কৃতজ্ঞতা নিবেদিছোঁ। তাৰোপৰি অফিচৰ মূখ্য সহায়ক শ্ৰীযুত ৰোহিত চন্দ্ৰ বড়াদেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। "বাৰ্ষিক কলেজ সপ্তাহৰ" ক্ৰীড়া প্ৰতিযোগিতাবিলাক পিয়লী ফুকন ষ্টেডিয়ামত খেলিবলৈ অনুমতি প্ৰদান কৰাৰ কাৰণে ষ্টেডিয়াম কমিটিৰ সম্পাদক শ্ৰীযুত প্ৰণৱজিৎ চলিহাদেৱলৈ এই আপাহতে শলাগৰ শৰাই আগবঢ়াইছোঁ। পোন প্ৰথমবাৰৰ বাবে অতি কম খৰচতে অস্থায়ীভাৱে মঞ্চ সাজি "বাৰ্ষিক কলেজ সপ্তাহ"ৰ বিভিন্ন প্ৰতিযোগিতাবিলাক সুকলমে পৰিচালনা হোৱাত সহায় কৰাৰ বাবে শ্ৰীযুত কামাখ্যা দত্তদেৱলৈ শলাগৰ শৰাই আগবঢ়াইছো। বিভিন্ন প্ৰতিযোগিতাবিলাকত বিচাৰকৰ আসন গ্ৰহণ কৰা আৰু সংগীত প্ৰতিযোগিতাৰ বাদ্য সংগতকাৰীসকললৈ এই আপাহতে শলাগৰ শৰাই আগবঢ়াইছোঁ। ইয়াৰ বাহিৰেও শিৱসাগৰ জিলা ছাত্ৰ সন্থা, শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়া, অফিচৰ কৰ্মচাৰী, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকল আৰু কেন্টিনৰ কৰ্মচাৰীসকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ প্ৰতিটো কাৰ্য্যতে দিহা-পৰামৰ্শ দি সহায়-সহযোগ আগবঢ়োৱাৰ বাবে ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকললৈ শলাগৰ শৰাই আগবঢ়াইছোঁ। মোৰ বান্ধৱী মণিষা, মমী, মালবিকা, কৰবী, ৰেখা, মৌচুমী আৰু মণিকাই মোক প্ৰতিটো ক্ষেত্ৰতে সহায়-সহযোগ আগবঢ়োৱাৰ বাবে তেওঁলোককৈ শলাগৰ শৰাই আগবঢ়াইছো।

শেষত ইতিহাসৰ পাতৰ পৰা মূৰ দাঙি উঠা এই জ্ঞানৰ মন্দিৰটিৰ সৰ্বাংগীন উন্নতিৰ কামনা কৰি লগতে ইয়াৰ মাজত জ্ঞান অন্বেষণ কৰিবলৈ অহা সকলোৰে ভৱিষ্যত উজ্জ্বল কামনা কৰি অজ্ঞানিতে হৈ ভুল-ত্ৰুটীৰ ক্ষমা বিচাৰি ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন সামৰণি মাৰিছো।

*জয়তু শিৱসাগৰ ছোৱালী কলেজ*

*জয়তু শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভা*

ধন্যবাদেৰে —

*মাম্পী বৰুৱা*

*সাধাৰণ সম্পাদিকা*

*ছাত্ৰী একতা সভা, শিৱসাগৰ ছোৱালী কলেজ*



# সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

সম্পাদকীয় প্ৰতিবেদনৰ বাটচ'ৰাতে যিসকল বীৰ শ্বহীদে অসম মাতৃক নিজৰ বুকুৰ তেজ দি পূজা কৰি গ'ল সেইসকল বীৰ শ্বহীদলৈ আৰু অসম মাতৃৰ বীৰঙ্গনাসকললৈ সমবেদনা জ্ঞাপন কৰিছোঁ।

ঐতিহ্যমণ্ডিত ৰংপুৰ আজিৰ শিৱসাগৰ। এই শিৱসাগৰ নগৰৰ মাজমজিয়াত অৱস্থিত নামোজ্বল "শিৱসাগৰ ছোৱালী কলেজ"। এই কলেজত শিক্ষা গ্ৰহণ কৰিবলৈ আহি ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ উন্নয়নৰ স্বাৰ্থত কাম কৰিবলৈ যিসকলে সুবিধা দিলে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

মহাবিদ্যালয়ৰ দায়িত্ব লোৱাৰ পিছৰে পৰা মহাবিদ্যালয়ৰ উন্নয়নৰ স্বাৰ্থত নিজকে আত্মনিয়োগ কৰিছিলো আৰু চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। এই ক্ষেত্ৰত কিমানদূৰ সফল বা বিফল হৈছিলো সেইকথা আপোনালোকৰ বিচাৰ্য্য।

মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ কোনো কাৰণতে যাতে বিনষ্ট নহয় তাৰ প্ৰতি ছাত্ৰী একতা সভাৰ তৰফৰ পৰা যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছিলো।

কাৰ্য্যকালত অনুষ্ঠিত হোৱা কাৰ্য্যসূচী ঃ

মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ ৩০।১২।৯৮ ৰ পৰা ৬।১।৯৮ তাৰিখলৈ অতি সুকলমে অনুষ্ঠিত কৰা হয়। ২।৯৮ তাৰিখে শ্ৰীশ্ৰীসৰস্বতী পূজা পালন কৰা হয়। ৫।২।৯৮ তাৰিখে মহম্মদ হাফিজুৰ ৰহমান চাৰৰ বিদায় সম্বৰ্দ্ধনা সভা অনুষ্ঠিত কৰা হয়। ৭।৩।৯৮ তাৰিখে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী শ্ৰীযুত ফটিক শইকীয়াদেৱৰ বিদায় সম্বৰ্দ্ধনা সভা অনুষ্ঠিত কৰা হয়।

আন বছৰৰ লগত সংগতি ৰাখি এই বছৰো নবাগত ছাত্ৰীসকলক ৯।৯।৯৮ তাৰিখে নবাগত আদৰণি জনোৱা হয়।

লগতে বিগত বছৰটোত অনুষ্ঠিত আন সভা-সমিতি আৰু অন্য কাৰ্য্যসূচীতো ছাত্ৰী একতা সভাৰ তৰফৰ পৰা সহায়-সহযোগিতা আগবঢ়োৱা হয়।

মোৰ এই এবছৰীয়া কাৰ্য্যকালত সহায়-সহযোগিতা আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ তালুকদাৰদেৱ, সন্মানীয় শিক্ষাগুৰুসকল, কলেজৰ সমূহ কৰ্মচাৰী আৰু ছাত্ৰী-বান্ধবীসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সদৌ শেষত কাৰ্য্যকাল চলাই নিওঁতে অজানিতে হৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। আৰু অনাগত দিনবোৰত কলেজৰ ছাত্ৰী একতা সভা আৰু সকলো ছাত্ৰীৰ সৰ্বতোপ্ৰকাৰে উন্নতি কামনা কৰি শেষ বাৰ্ষিক প্ৰতিবেদন সামৰিলো।

।। জয়তু শিৱসাগৰ ছোৱালী কলেজ ।।

*ৰুলী ফুকন*
*সহকাৰী সাধাৰণ সম্পাদিকা*

# সাহিত্য আৰু কলেজ আলোচনী বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



ঐতিহ্যমণ্ডিত শিৱসাগৰ নগৰৰ মাজমজিয়াত এক পৱিত্ৰ স্থানত অৱস্থিত শিৱসাগৰৰ একমাত্ৰ মহিলা শিক্ষানুষ্ঠান "শিৱসাগৰ ছোৱালী কলেজ"। এই শিৱসাগৰ ছোৱালী কলেজৰ ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকা পদত বিজয়ী হোৱা বাবে নিজকে ধন্য মানিছোঁ আৰু সেইসকল ছাত্ৰী-বান্ধৱীলৈ পৰম কৃতজ্ঞতা আৰু অন্তৰভৰা সস্নেহ শুভ-ইচ্ছা যাচিছোঁ। অসমীয়া সাহিত্য জগতলৈ যৎ-কিঞ্চিত সেৱা আগবঢ়োৱাৰ মানসেৰে আৰু ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী কলেজৰ সাহিত্য চৰ্চাৰ নেতৃত্ব দিয়াৰ প্ৰবল ইচ্ছাৰে এই গুৰু দায়িত্ব অকৃত্ৰিমভাৱে গ্ৰহণ কৰি কাৰ্য্যক্ষেত্ৰত অগ্ৰসৰ হ'লো। নাজানো ছাত্ৰী একতা সভাৰ এই আসন গ্ৰহণ কৰি ছাত্ৰী-বান্ধৱীসকলৰ স্বপ্নক বাস্তৱত ৰূপ দিব পাৰিলো নে নোৱাৰিলো। সেইয়া আপোনালোকে বিচাৰ কৰিব। মোৰ সকলো ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছোঁ।

আমাৰ কলেজৰ সীমিত সুবিধা আৰু পুঁজিৰ অভাৱৰ বাবে ভৱামতে বিশেষ একো কৰিব নোৱাৰিলো। তথাপি গভীৰ আস্থা আৰু বিশ্বাসেৰে যিখিনি মোৰ কাৰ্য্যকালত সম্পন্ন কৰা হ'ল তাৰ খতিয়ান দাঙি ধৰাৰ প্ৰয়াস কৰিছোঁ।

**বাৰ্ষিক কলেজ সপ্তাহ ঃ**

১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰী একতা সভাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই ১৯৯৭ চনৰ ৩০ ডিচেম্বৰৰ পৰা ৬ জানুৱাৰী '৯৮ লৈকে "বাৰ্ষিক কলেজ সপ্তাহ" অনুষ্ঠিত কৰা হৈছিল। মোৰ বিভাগত প্ৰতিভাৰ বিকাশ কৰিবলৈ যিখিনি চেষ্টা চলোৱা হৈছিল পুঁজিৰ অভাৱৰ বাবে সেইয়া সম্পূৰ্ণ কৰি তুলিব নোৱাৰিলো। মাত্ৰ কেইটামান প্ৰতিযোগিতাহে অনুষ্ঠিত কৰিব লগা হৈছিল।

সীমিত প্ৰতিযোগিতাৰ ভিতৰতে যিসকল ছাত্ৰীয়ে বুকুত আশা বান্ধি সাহিত্য প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল সেই সকলো ছাত্ৰী-বান্ধৱীলৈ শুভাশীষ জনাইছোঁ।

প্ৰতিযোগিতাৰ উপৰিও মোৰ বিভাগৰ পৰা বাৰ্ষিক কলেজ সপ্তাহত 'অসমীয়া ভাষাত অশুদ্ধ ৰূপৰ ব্যৱহাৰ' এই বিষয়ৰ ওপৰত এক বৰ্ণাঢ্য আলোচনাচক্ৰ অনুষ্ঠিত কৰা হৈছিল। ছাত্ৰীসকলৰ উৎসাহ আৰু সহযোগিতা আগবঢ়াই আলোচনাচক্ৰ সফল কৰি তোলাৰ বাবে ছাত্ৰীসকললৈ ধন্যবাদ জ্ঞাপন কৰিলো। আলোচনাচক্ৰত নিজৰ বহুমূলীয়া সময় খৰচ কৰি অংশ গ্ৰহণ কৰাৰ বাবে শিৱসাগৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক শ্ৰীযুত যোগেন চেতিয়া (সঞ্চালক), শিৱসাগৰ মহাবিদ্যালয়ৰে অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক ইমৰাণ শ্বাহ (আলোচক) আৰু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মূৰব্বী অধ্যাপক শ্ৰীযুত দ্ৰোণ কলিতাদেৱ (আলোচক) লৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিলো।

**প্ৰাচীৰ পত্ৰিকা প্ৰৱাহিনী ঃ**

প্ৰাচীৰ পত্ৰিকা "প্ৰৱাহিনী" সময়ৰ অভাৱত নিৰ্দিষ্ট সময়ত প্ৰকাশ কৰিব নোৱাৰিলো। সেই কাৰণে নৱাগতা আদৰণী অনুষ্ঠানত প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ১৯৯৮ চনৰ ৯ ছেপ্টেম্বৰত নৱাগতা আদৰণী সভাৰ দিনা প্ৰৱাহিনীক সজাই-পৰাই প্ৰকাশ কৰিলো। মোৰ বিশ্বাস প্ৰাচীৰ পত্ৰিকাখনি আন কেই বছৰৰ তুলনাত উন্নত মানদণ্ডৰ হৈছে। সেইদিনা প্ৰাচীৰ পত্ৰিকাখনি উদ্বোধন কৰি আমাক কৃতাৰ্থ কৰা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত বীৰেণ বৰকটকী দেৱলৈ ধন্যবাদ জ্ঞাপন কৰিলো। লগতে প্ৰাচীৰ পত্ৰিকাখনি সজাই-পৰাই দিয়াত সহায় কৰা ছাত্ৰী-বান্ধৱীসকলৰ ওচৰত মই আজীৱন ঋণী।

**মুখপত্ৰ কলেজ আলোচনীৰ ভিতৰৰ কথা ঃ**

কলেজ আলোচনীখন হ'ল এখন কলেজৰ এটা বছৰৰ ইতিহাস। গতিকে তাক প্ৰকাশ কৰিবলৈ যথেষ্ট

অৰ্থৰ প্ৰয়োজন। কিন্তু আমাৰ কলেজৰ পুঁজিৰ অভাৱৰ বাবে যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছিল। ১৯৯৬-৯৭ বৰ্ষৰ আলোচনীখন এইকাৰণেই নিৰ্দিষ্ট সময়তকৈ বহু পলমকৈ প্ৰকাশ পাইছিল। এই কাৰণতেই মোৰ আলোচনীখন পলমকৈ প্ৰকাশ হ'ল। ছাত্ৰী-বান্ধৱীসকলৰ লেখনীসমূহ সময়মতে পোৱাৰ পিছতো আপোনালোকৰ হাতত সময়মতে আলোচনীখন তুলি দিব নোৱৰাৰ কাৰণে মোৰ আশা আৰু সপোনবোৰ সপোন হৈয়ে ৰ'ব বুলি ভাবিছিলো।

সৰ্বশেষত বহু পলমকৈ হ'লেও শিৱসাগৰ ছোৱালী কলেজ আলোচনী ১৯৯৭-৯৮ বৰ্ষৰ সংখ্যাটি আপোনালোকৰ হাতত তুলি দিবলৈ পাই আনন্দিত হৈ পৰিছোঁ। নাজানো আলোচনীখনৰ মানদণ্ড কিমান উন্নত কৰিব পাৰিলো। ই মোৰ বাবে সন্দেহৰ বিষয়। আপোনালোকৰ আশাবোৰক কিমান বাস্তৱত পৰিণত কৰিব পাৰিলো নে নোৱাৰিলো সেয়া আপোনালোকে বিচাৰ কৰিব। আশা ৰাখিছোঁ, আপোনালোকে আলোচনীখন গ্ৰহণ কৰি মোক কৃতাৰ্থ কৰিব।

ছাত্ৰী একতা সভাৰ কাৰ্যনিৰ্বাহক সদস্যা হিচাবে ঃ

ছাত্ৰী একতা সভাৰ কাৰ্যনিৰ্বাহক সদস্যা হিচাবে বিভিন্ন সময়ত বিভিন্ন পৰিস্থিতিত সহযোগিতা কৰিছিলো। ছাত্ৰী একতা সভাৰ সকলো কাৰ্যসূচীতে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰাৰ উপৰিও নিজৰ পৰামৰ্শ আগবঢ়াইছিলো আৰু আনৰ পৰাও পৰামৰ্শ গ্ৰহণ কৰিছিলো। ছাত্ৰী একতা সভাৰ সদস্যা হিচাবে নিজৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰিছিলো। ইয়াৰ উপৰিও সদৌ অসম ছাত্ৰ সন্থাৰ সকলো কাৰ্যসূচীতে অংশ গ্ৰহণ কৰিছিলো।

কৃতজ্ঞতা নিবেদন ঃ

মোৰ কাৰ্যকালত যিসকল শিক্ষা গুৰু, বান্ধৱী তথা কলেজৰ সমূহ কৰ্মচাৰীবৃন্দই বিভিন্ন সময়ত তেখেতসকলৰ সহায়-সহযোগ, দিহা-পৰামৰ্শ দি মোক উৎসাহী কৰিলে তেখেতসকললৈ কেনেদৰে কৃতজ্ঞতা জনাম তাৰ বাবে মই ভাষাই বিচাৰি পোৱা নাই। সেইসকলৰ ওচৰত মই ব্যক্তিগতভাৱে চিৰ কৃতজ্ঞ।

সামৰণি ঃ

সময় গতিশীল। সময়ৰ লগত খোজ মিলাই এটি বছৰ আগবাঢ়ি আহিলো। এই এবছৰীয়া কাৰ্যকালত আপোনালোকক কিবা দিব পাৰিলো বুলি মোৰ নিজৰে সন্দেহ। গতিকে আপোনালোকৰ হাততে এই বিচাৰৰ ভাৰ অৰ্পণ কৰিলো। সদৌশেষত ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি পুনৰ সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ আৰু অনাগত দিনলৈ অন্তৰভৰা শুভ-ইচ্ছা জ্ঞাপন কৰি মোৰ বিভাগীয় প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

***দীপজ্যোতি শইকীয়া,***
*সম্পাদিকা, সাহিত্য আৰু আলোচনী বিভাগ*

**১৯৯৭-৯৮ বৰ্ষৰ কলেজ সপ্তাহৰ সাহিত্য প্ৰতিযোগিতাৰ ফলাফল সমূহ ঃ**

কবিতাৰ পাণ্ডুলিপি ঃ

প্ৰথম ঃ ৰেখা বৰগোঁহাই (স্নাতক প্ৰথম বৰ্ষ)
দ্বিতীয় ঃ মানবী বৰপাত্ৰগোঁহাই (স্নাতক দ্বিতীয় বৰ্ষ)
তৃতীয় ঃ মৃণালী বেজবৰুৱা (স্নাতক প্ৰথম বৰ্ষ)

চুটি গল্প ঃ

প্ৰথম ঃ চয়নিকা গগৈ (স্নাতক দ্বিতীয় বৰ্ষ)
দ্বিতীয় ঃ মনালিচা দত্ত (স্নাতক দ্বিতীয় বৰ্ষ)
তৃতীয় ঃ ৰিজুমী শইকীয়া (স্নাতক দ্বিতীয় বৰ্ষ)

# Results of Major Games and Sports Section

**Shot Put -**

1st : Deepjyoti Chetia, (T.D.C. 3rd Year)
2nd : Bhanu Bura Gohain, (T.D.C. 1st Year.)
3rd : Tulumoni Baruah, (T.D.C. 2nd Year)
Sajida Begaum (T.D.C. 2nd Year)

**Javelin Throw -**

1st : Deepjyoti Chetia (T.D.C. 3rd Year)
2nd :
3rd :

**Discus Throw -**

1st : Deepjyoti Chetia (T.D.C. 3rd Year)
2nd : Tulumoni Baruah (T.D.C. 2nd Year)
3rd : Sajada Begam (T.D.C. 2nd Year)
Geetanjoli Bora (T.D.C. 2nd Year)

**800 mtr. Race -**

1st : Biju Saikia (T.D.C. 1st Year)
2nd : Popimoni Bora (T.D.C. 1st Year)
3rd : Sumi Boruah (T.D.C. 1st Year)
4th : Kiranmoi Buragohain (T.D.C. 1st Year)

**400 mtr. Race -**

1st : Biju Saikia (T.D.C. 1st Year)
2nd : Binita Padon (H.S. 2nd Year)
3rd : Madhurima Chetia (T.D.C. 2nd Year)
Mamoni Gogoi (T.D.C. 2nd Year)

**200 mtr. Race -**

1st : Pallobi Chetia (H.S. 1st Year)
2nd : Mamoni Gogoi (T.D.C. 3rd Year)
3rd : Monalisha Das (H.S. 1st Year)

**100 mtr. Race -**

1st : Biju Saikia (T.D.C. 1st Year)
2nd : Sajida Begum (T.D.C. 2nd Year)
3rd : Manju Chetia (H.S. 1st Year)
Madhurima Chetia (T.D.C. 2nd Year)

**Go-As-You-Like -**

1st : Syamalima Baruah
Maya Phukan
2nd : Jinu Baruah, Nitu Baruah
Maduhusmita Saikia
3rd : Lipika Deori

**Broad Jump -**

1st : Biju Saikia, Sumi Baruah
2nd : Manju Chetia
3rd : Pollobi Chetia

**Kabadi-1st Group -**

1. Sumi Baruah, 2. Geetanjali Dutta,
3. Pinky Hazarika, 4. Jyti Vird
5. Mandakini Chetia 6. Junmoni Gogoi

**Kabadi-2nd Group -**

1. Bithika Arandhara 2. Ritu Mahapatra
3. Lipika Deori 4. Utpala Chetia
5. Manalisa Das 6. Deepanjali Duarah

**Tag of War - 1st. Group -**

1. Manalisha Das 2. Utpala Chetia
3. Bithika Arandhara 4.Pubali Dihingia
5. Lipika Deori 6. Depanjoli Duarah

**Tag of War - 2nd Group -**

1.Manju Chetia 2. Rashmipriya Dadhara
3. Luna Gogoi 4. Rita Mahapatra
5. Mamoni Das 6. Sabita Barthakur



# সঙ্গীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

সৰ্বপ্ৰথমে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সঙ্গীত বিভাগৰ সম্পাদিকা পদত সম্পূৰ্ণ গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত কৰি আপোনালোকৰ সেৱা আৰু এনে এটা ডাঙৰ অভিজ্ঞতা লাভ কৰাৰ সুযোগ দিয়াৰ বাবে সকলো ছাত্ৰী, বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা, অকৃত্ৰিম মৰম আৰু ধন্যবাদ জ্ঞাপন কৰিলো। অধ্যক্ষ মহোদয়, অধ্যাপিকা সকলৰ পৰা পোৱা সু-দিহা পৰামৰ্শৰ বাবে তেখেতসকললৈ মোৰ ভক্তিপূৰ্ণ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই বছৰৰ সঙ্গীত বিভাগৰ সম্পাদিকা হিচাপে দায়িত্ব পালন আৰু বছৰটোৰ বিভিন্ন কাৰ্য পৰিচালনাত কিমান দূৰ কৃতকাৰ্য্যতা লাভ কৰিলো সেইটো আপোনালোকৰ বিচাৰ্য বিষয়। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই 'মহাবিদ্যালয় সপ্তাহ'ৰ বিভিন্ন কাৰ্য্যসূচীৰে সৈতে সঙ্গীত প্ৰতিযোগিতা সুকলমে সমাধা হয়। প্ৰতিযোগিতাত বিজয়ীসকলক পুৰস্কাৰৰ লগতে একোখনিকৈ মানপ্ৰত্ৰ প্ৰদান কৰা হয়। আমাৰ সকলোৰে বাবে দুখৰ বিষয় এইবাৰ আমাৰ মহাবিদ্যালয়ত শ্ৰেষ্ঠা গায়িকাৰ বিবেচিতা নহ'ল। প্ৰতিযোগীসকলৰ উৎসাহ-উদ্দীপনা সঁচাকৈয়ে প্ৰশংসনীয়। এনে ক্ৰমবৰ্দ্ধমান উৎসাহলৈ লক্ষ্য ৰাখি মই তেখেতসকলৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো। মোৰ কাৰ্যকালত "কলেজ সপ্তাহ"ৰ উপৰিও নৱাগতা আদৰণি সভাত সঙ্গীতৰ মুৰ্ছনাৰে দুগুণ উলহ-মালহেৰে নৱাগতাসকলক আদৰণি জনোৱা হয়।

বিভিন্ন ধৰণেৰে, সকলো সময়তে মোক সহায় কৰা সহকাৰী সঙ্গীত সম্পাদিকা শ্ৰীপণী গগৈলৈ মই অশেষ ধন্যবাদ জ্ঞাপন কৰিলো। লগতে প্ৰতিটো সময়তে সু-পৰামৰ্শ আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰীযুত ভাস্কৰ দত্ত দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ভক্তিপূৰ্ণ নমস্কাৰ জ্ঞাপন কৰিলো। তাৰোপৰি সকলো সময়তে মোক সহায় কৰা বান্ধৱী এনিশা, পূৰ্ণিমা, দিপজ্যোতি, চফিয়া, ৰুলী, মৰমজ্যোতি, মমী, মাম্পী, মৈত্ৰী, জোনাভাৰতী, ৰুপুমণি, মধুস্মিতা আৰু এই প্ৰতিবেদন লিখি থকা সময়ত নাম মনত নপৰা বান্ধৱীসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। তদুপৰি নৱাগতা আদৰণি সভাত ছাত্ৰীসকলক বাদ্যযন্ত্ৰত সহায় কৰা "ৰূপৰাজ মিউজিকেল পাৰ্টি"লৈ মোৰ অশেষ ধন্যবাদ জনাইছোঁ। কাৰ্য্যভাৰ পালন কৰাৰ সময়ত অজ্ঞাতে কিছুমান ত্ৰুটি-বিচ্যুতি ৰৈ গৈছে যদি তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। সদৌ শেষত "শিৱসাগৰ ছোৱালী মহাবিদ্যালয়"ৰ সৰ্বতোপ্ৰকাৰে উন্নতি কামনা কৰিলো।

*সংগীতা গগৈ*

*সম্পাদিকা, সঙ্গীত বিভাগ*

## সঙ্গীত বিভাগত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাসমূহৰ ফলাফল

১। বৰগীত ঃ
১ম — শ্ৰীমতী স্বস্তীব্ৰতা ভটাচাৰ্য্য
২য় — শ্ৰীমতী চাবিহা চাহিন হুচেইন
৩য় — শ্ৰীমতী মৃনালী বেজবৰুৱা
শ্ৰীমতী এনিশা ৰয়

২। লোকগীত ঃ
১ম — শ্ৰীমতী বিনীতা চিৰিংফুকন
২য় — শ্ৰীমতী অঞ্জুমণি বৰদলৈ আৰু
শ্ৰীমতী ত্ৰিবেণী বৰা
৩য় — শ্ৰীমতী বিচিত্ৰা বৰুৱা
শ্ৰীমতী দিপাঞ্জলী হাজৰিকা

৩। ভজন ঃ
১ম — শ্ৰীমতী নাজিফা ৰহমান
২য় — শ্ৰীমতী এনিশা ৰয়
৩য় — শ্ৰীমতী অঙ্কিতা দেৱৰয়
শ্ৰীমতী মৌচুমী বৰুৱা

৪। গজল ঃ
১ম — শ্ৰীমতী গীতাঞ্জলী শৰ্মা
২য় — শ্ৰীমতী এনিশা ৰয়
৩য় — শ্ৰীমতী চাবিহা চাহিন হুচেইন

৫। ৰাভা সংগীত ঃ
১ম — শ্ৰীমতী ৰিতামণি দত্ত
২য় — শ্ৰীমতী মৃনালী বেজবৰুৱা
৩য় — শ্ৰীমতী এনিশা ৰয়
শ্ৰীমতী মিনাকুমাৰী দত্ত

৬। জ্যোতি সংগীত ঃ
১ম — শ্ৰীমতী মৃনালী বেজবৰুৱা
২য় — শ্ৰীমতী চাবিহা চাহিন হুচেইন
শ্ৰীমতী মিনাকুমাৰী দত্ত
৩য় — শ্ৰীমতী ৰিনা বৰা
শ্ৰীমতী গিতিমা বৰুৱা

৭। ৰাভা সংগীত ঃ
১ম — শ্ৰীমতী সংগীতা বৰঠাকুৰ
২য় — শ্ৰীমতী গিতীমা শৰ্মা
৩য় — শ্ৰীমতী চাবিহা চাহিন হুচেইন
শ্ৰীমতী বিনীতা চিৰিং ফুকন

৮। জিকিৰ ঃ
১ম — শ্ৰীমতী মৃনালী বেজবৰুৱা (দলনেত্ৰী)
শ্ৰীমতী মনালিচা দত্ত
শ্ৰীমতী ৰূপামণি বেজবৰুৱা
শ্ৰীমতী অপৰাজিতা কলিতা
শ্ৰীমতী ৰিমা কলিতা
২য় — শ্ৰীমতী মামিন আহমেদৰ দল।
২য় — শ্ৰীমতী সংগীতা বৰঠাকুৰ (দলনেত্ৰী)
শ্ৰীমতী নয়নিমা কাকতি
শ্ৰীমতী নিকুমণি বৰা
শ্ৰীমতী নৱযানি গগৈ
শ্ৰীমতী চাকিলা পাৰবিজ
৩য় — শ্ৰীমতী সংগীতা গগৈ (দলনেত্ৰী)
শ্ৰীমতী এনিশা ৰয়
শ্ৰীমতী ভাৰতী সোণোৱাল
শ্ৰীমতী পূৰ্ণিমা সন্দিকৈ
শ্ৰীমতী পপী গগৈ
৩য় — শ্ৰীমতী অঞ্জুমণি বৰদলৈ (দলনেত্ৰী)
শ্ৰীমতী অঞ্জলী বৰা
শ্ৰীমতী জয়া দাস
শ্ৰীমতী অনামিকা চেতিয়া
শ্ৰীমতী মামনী দাস
শ্ৰীমতী আফিফা বৰা

৯। সমৱেত সঙ্গীত ঃ
১ম — বিবেচিত নহ'ল।
২য় — শ্ৰীমতী মৈত্ৰী গগৈ (দলনেত্ৰী)
শ্ৰীমতী অঞ্জুমণি বৰদলৈ
শ্ৰীমতী মনালিচা বৰুৱা
শ্ৰীমতী বিজুমণি দুৱাৰা
শ্ৰীমতী মানৱী বৰপাত্ৰগোহাঁই
শ্ৰীমতী ছয়নিকা বৰুৱা
৩য় — শ্ৰীমতী মৃনালী বেজবৰুৱা (দলনেত্ৰী)
শ্ৰীমতী ৰূপামণি বেজবৰুৱা
শ্ৰীমতী মনালিচা দত্ত
শ্ৰীমতী ৰিমা কলিতা
শ্ৰীমতী অপৰাজিতা কলিতা
৩য় — শ্ৰীমতী বিচিত্ৰা বৰুৱা আৰু লগৰীয়া সকল।

১০। দিহানাম ঃ
১ম — শ্ৰীমতী মৃদুলা দত্ত আৰু তেওঁৰ দল।
শ্ৰীমতী মিতালী বৰগোহাঁই
শ্ৰীমতী বিথিকা আৰন্ধৰা
শ্ৰীমতী মিতালী দত্ত
২য় — শ্ৰীমতী সীমা চাংমোই আৰু লগৰীয়া সকল।
৩য় — শ্ৰীমতী উষামণি বৰা (দলনেত্ৰী)
শ্ৰীমতী মিনু দত্ত
শ্ৰীমতী ওৱচুম বড়া
শ্ৰীমতী বিথিকা বড়া
শ্ৰীমতী বৰ্ণালী গগৈ
৩য় — শ্ৰীমতী ৰিনা কলিতা আৰু তেওঁৰ দল।



# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰৰ প্ৰাণ কেন্দ্ৰত আমাৰ শিৱসাগৰ ছোৱালী কলেজ অৱস্থিত। ১৯৬৪ চনত প্ৰতিস্থা কৰা কলেজখন আজি এক পূৰ্ণপৰ্য্যায়ৰ কলেজলৈ আগুৱাইছে। বৰ্ত্তমান কলেজত ছাত্ৰীৰ সংখ্যা পূৰ্বৰ সংখ্যাতকৈ বহুত বাঢ়িল আৰু আগলৈও বাঢ়ি গৈ থাকিব। ছাত্ৰীৰ অনুপাতে ছাত্ৰীসকলৰ সাধাৰণ শিক্ষা আয়ত্ব কৰাৰ উপৰিও মনৰ উৎকৰ্ষ সাধন কৰিবলৈ আমাৰ কলেজত পূৰ্বৰ পৰা এতিয়ালৈকে প্ৰেক্ষাগৃহ আৰু মঞ্চৰ স্থায়ী ব্যৱস্থা হোৱা নাই। এইবাৰ বাহিৰত মঞ্চ প্ৰস্তুত কৰি মুকলিভাৱে সকলো বিভাগৰ অনুষ্ঠান সুন্দৰকৈ প্ৰদৰ্শন কৰা হ'ল যদিও প্ৰত্যেক বাৰে মঞ্চ কৰোতে বহুতো অসুবিধাৰ সন্মুখীন হ'ব লগা হ'ল। গতিকে স্থায়ী মঞ্চ প্ৰস্তুত কৰি ল'ব পাৰিলে কলেজ কৰ্তৃপক্ষই এক ডাঙৰ সমস্যাৰ পৰা হাত সাৰিব পাৰিব।

এইবাৰ সাংস্কৃতিক বিভাগৰ সকলো অনুষ্ঠান সুচাৰু ৰূপে প্ৰদৰ্শন কৰা হয়। আৰু মাননীয় বিচাৰক মণ্ডলীৰ দ্বাৰা ছাত্ৰী সকল প্ৰশংসিত আৰু অনুপ্ৰাণিত হয়। কলেজ সপ্তাহৰ উপৰিও শ্ৰীশ্ৰীসৰস্বতী পূজা উৎসাহ আৰু উদ্যমেৰে পালন কৰা হয়।

মোৰ কাৰ্য্যকালৰ প্ৰতিটো পদক্ষেপতে বহুতো বহুমূলীয়া দিহা পৰাৰ্মশ দি সহায় সহযোগ আগবঢ়োৱাৰ বাবে কলেজৰ অধ্যক্ষ মাননীয় শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ তালুকদাৰ দেৱ, বিভাগীয় উপদেষ্টা শ্ৰীযুত সমৰজিৎ চৌধুৰীদেৱ, শ্ৰীযুত অৰুণ বৈৰাগীদেৱ, শ্ৰীযুত প্ৰসন্ন ভূএগ্ৰাদেৱ, শ্ৰীযুত ভাস্কৰ দত্ত দেৱৰ ওচৰত বিশেষ ভাবে কৃতজ্ঞতা প্ৰকাশিলো।

তাৰোপৰি বিভিন্ন সময়ত সু-পৰাৰ্মশ দিয়া আমাৰ কলেজৰ মাননীয় চাৰ বাইদেউসকল, কাৰ্য্যকালত সহায় কৰা কাৰ্যালয়ৰ কৰ্ম্মচাৰীসকল আৰু মোৰ সহযোগী ছাত্ৰী বান্ধৱী সকললৈ আন্তৰিক কৃতজ্ঞতা জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো আৰু আমাৰ কলেজৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

***চফিয়া বেগম***

*সম্পাদিকা, সাংস্কৃতিক বিভাগ*

বিহু নৃত্য ঃ

| | | |
|---|---|---|
| প্ৰথম | ঃ | শ্ৰীমতী জুনজুন বৰা |
| দ্বিতীয় | ঃ | শ্ৰীমতী মৌচুমী বৰুৱা |
| | | শ্ৰীমতী জ্যোতি শৰ্ম্মা |
| তৃতীয় | ঃ | শ্ৰীমতী গীতিৰানী ডেকা |

আধুনিক সৃষ্টিমূলক নৃত্য ঃ

| | | |
|---|---|---|
| প্ৰথম | ঃ | শ্ৰীমতী মনালিচা বৰুৱা |
| দ্বিতীয় | ঃ | শ্ৰীমতী লুনা গগৈ |
| তৃতীয় | ঃ | শ্ৰীমতী ত্ৰিবেনী বৰা |
| | | শ্ৰীমতী পপি গগৈ |

শ্ৰেষ্ঠ নাট্য দ'ল ঃ অৰক্ষয়

দ্বিতীয় শ্ৰেষ্ঠ দ'ল ঃ নৱজাগৰণ

তৃতীয় শ্ৰেষ্ঠ দ'ল ঃ অনুতাপ

শ্ৰেষ্ঠ পৰিচালক ঃ শ্ৰীমতী ৰূপামনি বেজবৰুৱা (অৰক্ষয়)

শ্ৰেষ্ঠ অভিনেত্ৰী ঃ শ্ৰীমতী সংগীতা গগৈ (ৰাচিকা চৰিত্ৰত) (নৱজাগৰণ)

দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰীঃশ্ৰীমতী প্ৰনিতা দত্ত (ধনাই) (অনুতাপ)

দ্বিতীয় শ্ৰেষ্ঠ অভিনেত্ৰী ঃ শ্ৰীমতী ৰূপামণি বেজবৰুৱা (মীনা) (অৰক্ষয়)

তৃতীয় শ্ৰেষ্ঠ অভিনেত্ৰী ঃ শ্ৰীমতী মৃণালী বেজবৰুৱা (জুৰী) অৰক্ষয়।

উদ্‌গনিমূলক ঃ শ্ৰীমতী অঞ্জলী বড়া (ব্ৰাহ্মণ) গুৰুদক্ষিণা।

শ্ৰেষ্ঠ হুচৰী দল ঃ শ্ৰীমতী নিবেদিতা দাসৰ দল।

দ্বিতীয় শ্ৰেষ্ঠ হুচৰী দল ঃ শ্ৰীমতী দীপাঞ্জলি গগৈৰ দল।

কন্যা প্ৰতিযোগিতা ঃ মণিপুৰী কন্যা শ্ৰীমতী সংগীতা বৰঠাকুৰ।

# তৰ্ক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ অস্তিত্বৰক্ষাৰ হকে আন্দোলন কৰা মৃত্যুঞ্জয়ী বীৰসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। কলেজৰ যোৱা বাৰ্ষিক নিৰ্বাচনত ১৯৯৭-৯৮ চনৰ বাবে তৰ্ক বিভাগৰ সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰিবলৈ সুযোগ দিয়াৰ বাবে শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী-বান্ধৱীসকললৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিলো। দায়িত্বভাৰ গ্ৰহণ কৰিয়েই কলেজ সপ্তাহৰ কাৰ্য্যসূচী চলাই নিয়াত কিছু অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয় যদিও মোৰ পূজনীয় শিক্ষাগুৰুসকলৰ পৰামৰ্শ আৰু ছাত্ৰী-বান্ধৱীসকলৰ সহায়ত কলেজ সপ্তাহ আমি সূচাৰুৰূপে উদ্‌যাপন কৰিলো। বিগত বছৰত মোৰ বিভাগৰ দ্বাৰা সম্পাদিত হোৱা কাম-কাজৰ এটি চমু আভাস আপোনালোকৰ আগত দাঙি ধৰিব খুজিছোঁ।

বাৰ্ষিক কলেজ সপ্তাহৰ লগত সংগতি ৰাখি এই বিভাগত তৰ্ক, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তৰ্ক প্ৰতিযোগিতাৰ বাহিৰে এই বিভাগৰ অন্য প্ৰতিযোগিতাসমূহে প্ৰতিযোগিতাৰ মানদণ্ড বজাই ৰাখিবলৈ সক্ষম হৈছে বুলি বিচাৰকসকলে মত পোষণ কৰিছে। অতি দুখৰ বিষয় যে অন্যবাৰৰ দৰে এই বাৰ কলেজ সপ্তাহৰ তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা ছাত্ৰীসকলৰ পৰা বিচাৰকে শ্ৰেষ্ঠ তাৰ্কিক নিৰ্বাচিত কৰিব নোৱাৰিলে। মাত্ৰ নিচুকণি বঁটাহে প্ৰদান কৰা হ'ল।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত বিভিন্ন ঠাইত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাত আমাৰ কলেজৰ হৈ ছাত্ৰীসকলে অংশ গ্ৰহণ কৰিছিল। জিলা প্ৰশাসন আৰু যুৱ দলৰ সৌজন্যত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতা, স্থানীয় নাট্যমন্দিৰত উজ্জ্বল সংঘই অনুষ্ঠিত কৰা কুইজ প্ৰতিযোগিতা, যুবদ'লৰ সৌজন্যত আয়োজন কৰা কুইজ আৰু কবিতা আবৃত্তি আদি প্ৰতিযোগিতাত আমাৰ কলেজৰ ছাত্ৰীসকলে বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল। স্থানীয় নাট্যমন্দিৰত অনুষ্ঠিত কৰা শিল্পী দিৱসত কবিতা আবৃত্তি প্ৰতিযোগিতাত শ্ৰীঅঞ্জলী বড়াই প্ৰথম স্থান লাভ কৰিছিল। গড়গাওঁ চিন্তাচৰ্চা কেন্দ্ৰই অনুষ্ঠিত কৰা বক্তৃতা প্ৰতিযোগিতাত আমাৰ কলেজৰ শ্ৰীমনালিচা দত্তই তৃতীয় স্থান লাভ কৰি সুনাম অৰ্জন কৰিছিল।

বিগত বছৰত এই বিভাগৰ কাম কাজ চলাই যোৱাত সহায় কৰাসকলৰ ভিতৰত সৰ্ব্ব প্ৰথমেই বিভাগীয় উপদেষ্টা শ্ৰীৰীতা বৰকটকী বাইদেউৰ দিহা পৰামৰ্শ আৰু উপদেশৰ বাবে মই কৃতজ্ঞ। কলেজৰ পূজনীয় শিক্ষাগুৰু সকল, ছাত্ৰী-বান্ধৱী সকললৈ তেখেত সকলৰ সময়োচিত সহায় সহযোগিতাৰ বাবে তথা প্ৰতিযোগিতাসমূহত বিচাৰকৰ আসনত বহা বিচাৰক সকললৈ আমাৰ আন্তৰিক ধন্যবাদ জনালোঁ। মোৰ কাৰ্য্যকালত বিশেষ সহায় আগবঢ়োৱা মোৰ সহপাঠী বান্ধৱীসকললৈ আৰু ছাত্ৰী একতা সভাৰ সমূহ ছাত্ৰী বৃন্দলৈ মোৰ কৃতজ্ঞতা জনালোঁ।

শেষত শিৱসাগৰ ছোৱালী কলেজৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

'জয়তু শিৱসাগৰ ছোৱালী কলেজ।।'

***মধুস্মিতা গগৈ***

সম্পাদিকা, *তৰ্ক বিভাগ*

**Results of the different competions held under Debating and Syenposia Section 1997-98**

**Quiz :** I Postion : 1. Samima Yesmin
2. Madhumati Barpatragohain
II Position :
1. Hamida Sultana Ahmed
2. Swastibrata Bhattacharjee
III Positon : 1. Dipandita Bora
2. Dipamoni Das and
III Position : 1. Mouchumi Mahanta
2. Mitali Bargohain
**Debating :** Consolation - Maitri Gogoi

**Extempore Speech :**
I Mandakini Chetia, II Swastibrata Bhattacharjee
III Manalisa Dutta
**Recitation (Ass)**
I Anjali Bora II Mouchumi Mahanta
III Sikhamoni Dutta
**Recitation (Eng.)**
I. Emon Talukdar II. Swastibrata Bhattacharjee
III. Sikhamoni Dutta



# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰথমে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ পদত অধিষ্ঠিত হৈ সেৱা আগবঢ়াবৰ বাবে সুযোগ দিয়া শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীৰ প্ৰতি মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ছাত্ৰী একতা সভাত ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই কাম বিলাক সুচাৰুৰূপে পালন কৰিবৰ বাবে প্ৰতিজ্ঞাবদ্ধ হৈছিলোঁ। অৱশ্যে এই দায়িত্বভাৰ গ্ৰহণ কৰি কিমানদূৰ সফল হ'লো সেয়া ছাত্ৰী সকলে নিজেই বিচাৰ কৰি চাব।

বিগত বছৰ বিলাকৰ দৰে এই বছৰো মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণী কোঠাৰ অন্তৰ্গত খেল সমূহ নানা অসুবিধাৰ মাজেদি হলেও সুকলমে পাৰ হৈ যায়। এই খেল সমূহ পৰিচালনা কৰোতে ছাত্ৰী সকলক যিমান পৰিমাণৰ সা-সুবিধা দিব লাগিছিল, সিমান খিনি হয়তো দিব পৰা নাছিলো। তাৰ বাবে মই অতিশয় দুঃখিত।

ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা হিচাবে মোৰ কাৰ্য্যকালত বিভিন্ন কাৰ্য্যসূচীসমূহত মোক সজ পৰামৰ্শ আৰু সহযোগিতাৰে বিশেষ ভাবে সহায় কৰা মোৰ বিভাগীয় উপদেষ্টা শ্ৰীযুতা দীপজোনালী ভূঞা বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ উপৰিও মোক বিভিন্ন কামত দিহা-পৰামৰ্শ দিয়াৰ বাবে আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত অৰুণ বৈৰাগী, শ্ৰীযুত প্ৰণব ভৰালী, শ্ৰীযুত প্ৰাঞ্জল ৰাজখোৱা, অধ্যাপিকা শ্ৰীযুতা ৰীতা বৰকটকী বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'লো। লগতে যি সকল বান্ধৱীয়ে মোক সকলো সময়তে সহায়ৰ হাত আগবঢ়ালে তেওঁলোকৰ শলাগ ললো।

*বন্দনা মহন্ত*
*সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা*

## Results of the different games and events held under girls Common Room 1997-98

**1. Carrom (Singles)**
Champion : Ms. Purnima Gogoi (T. D. C. 2nd yr.)
Runners-up : Ms. Mamoni Baruah (T. D. C. 2nd yr.)

**2. Chess :**
Champion : Ms. Rupjyoti Konwar (T. D. C. 2nd yr.)
Runners up : Ms. Dipjyoti Chetia (T. D. C. 3rd yr.)

**3. Corrom (Doubles)**
Champion : Ms. Mamoni Baruah (T. D. C. 2nd yr.)
Ms. Madhurima Chetia (T. D. C. 2nd yr.)
Runners up : Ms. Pumima Gogoi (T. D. C. 2nd yr.)
Ms. Momi Boruah (T. D. C. 2nd yr.)

**4. Badminton (Singles)**
Champion : Ms. Rumijyoti Chetia (T.D.C. 2nd yr.)
Runners up : Ms. Mamoni Boruah (T.D.C. 2nd yr.)

**5. Badminton (Doubles)**
Champion : Ms. Rumijylti Chetia (T.D.C. 2nd yr.)
Ms. Purnima Gogoi (T. D. C. 2nd yr.)
Runners up : Ms. Mamoni Baruah (T.D.C. 2nd yr.)
Ms. Madhurima Chetia (T.D.C.2nd yr)



# সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

জয় জয়তে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ চনৰ এটি শুভক্ষণত ছাত্ৰী একতা সভাৰ যিসকল ছাত্ৰী বান্ধৱীয়ে নিৰ্বাচনত ছাত্ৰী একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদিকা হিচাবে নিৰ্বাচন কৰে, তেওঁলোক সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয়ৰ নিৰ্বাচনৰ অন্তত সমাজসেৱা বিভাগৰ সম্পাদিকা পদৰ দায়িত্বভাৰ লোৱাৰ সময়ত কিছুমান কাম কৰাৰ আশা আছিল, যদিও কাৰ্যক্ষেত্ৰত এই গোটেইখিনি কাম কৰিব নোৱাৰিলো, তাৰ বাবে দোষ মাৰ্জনা কৰে যেন। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে বাৰ্ষিক কলেজ সপ্তাহতেই মোৰ কাৰ্যকালৰ পাতনি মেলো। সেইকেইদিনতে কলেজৰ চৌহদ, ছাত্ৰী জিৰণি কোঠা ছাত্ৰী একতা সভাৰ কোঠা চাফ-চিকুণ কৰাইছিলো। সকলো ছাত্ৰী-বান্ধৱীয়ে কম বেছি পৰিমাণে সহায় আগবঢ়াইছিল আৰু সেই কাৰ্যত পাৰদৰ্শিতা দেখুওৱা কেইগৰাকীমান ছাত্ৰীক পুৰস্কাৰ আৰু প্ৰশস্তি পত্ৰ প্ৰদান কৰা হৈছিল।

সদৌ শেষত মোৰ কাৰ্য্যকালত বিশেষভাবে সহায় কৰা বিভাগীয় উপদেষ্টা অধ্যাপক শ্ৰদ্ধেয় শ্ৰীযুত ইনামূল হুছেইনদেৱ প্ৰমুখ্যে শ্ৰদ্ধেয় ছাৰ-বাইদেউসকলৰ লগতে কলেজৰ কৰ্ম্মচাৰী সকলৰ উৎসাহ আৰু সহযোগিতাৰ বহুতো জ্ঞাতে বা অজ্ঞাতে হ'ব পৰা সকলো দোষৰ মাৰ্জনা বিচাৰি প্ৰতিবেদন সামৰণি মাৰিলো।

*মৰমজ্যোতি দাস*
*সম্পাদিকা, সমাজসেৱা বিভাগ*



# সংগীত বিভাগৰ সহঃ সম্পাদিকাৰ প্ৰতিবেদন

১৯৯৭-৯৮ চনৰ শিৱসাগৰ মহাবিদ্যালয়ত ছাত্ৰী একতা সভাৰ সংগীত বিভাগৰ সহকাৰী সম্পাদিকা হিচাপে ৬/১২/৯৭ চনত কাৰ্য্যভাৰ গ্ৰহণ কৰিলো। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই 'বাৰ্ষিক কলেজ সপ্তাহ' পালন কৰিবলগীয়া হয়। এই কলেজ সপ্তাহৰ যোগেদি মোৰ কামৰ পাতনি মেলো। সংগীত বিভাগৰ সম্পাদিকা শ্ৰীসংগীতা গগৈক মই সহকাৰী সম্পাদিকা হিচাপে সকলো সময়তে সহায় কৰিছোঁ। যদি মোৰ কামত কিবা ভুল হৈছে তেন্তে ক্ষমা বিচাৰিছোঁ। এই কলেজ সপ্তাহত প্ৰতিটো ক্ষেত্ৰতে মোক কাৰ্য্যকালত সহায় আগবঢ়োৱা বিভাগীয় উপদেষ্টা শ্ৰীযুত ভাস্কৰ দত্ত দেৱৰ লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে মাননীয় ছাৰ-বাইদেউসকললৈ আৰু কাৰ্যালয়ৰ কৰ্মচাৰীসকললৈ মোৰ আন্তৰিক শলাগৰ শৰাই আগবঢ়ালো। তদুপৰি আমাৰ ছাত্ৰী একতা সভাৰ সদস্যসকল, সকলো সময়তে লগত থাকি সহায় কৰা বান্ধৱী, ভণ্টীসকললৈ মই ধন্যবাদ জ্ঞাপন কৰিলো। লগতে মাইক্ৰ'ফোনত সহায় কৰা শ্ৰীযুত দেৱ কলিতা দাদালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

*পপী গগৈ*
*সহকাৰী সম্পাদিকা, সংগীত বিভাগ*



# ক্ৰীড়া বিভাগৰ
# সহঃ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীলৈকে আন্তৰিক মৰম যাচিছোঁ। বুৰঞ্জীৰ পৰশ পোৱা ৰংপুৰ নগৰত অৱস্থিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ১৯৯৭-৯৮ বৰ্ষৰ ছাত্ৰী একতা সভাৰ ক্ৰীড়া বিভাগৰ সহঃ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰাৰ বাবে মই শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীলৈকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

এখন মহাবিদ্যালয়ৰ থাকিব লগীয়া প্ৰয়োজনীয় খেলৰ সামগ্ৰীসমূহ পৰ্য্যাপ্ত পৰিমাণে আৰু এখন নিজা খেলপথাৰ নথকা সত্বেও এই বিভাগৰ খেলসমূহ পৰিচালনা কৰা কিমান কষ্টকৰ তাক মহাবিদ্যালয়ৰ ছাত্ৰীসকলক বহলাই কোৱাৰ নিশ্চয় প্ৰয়োজন নাই। তথাপিও আপোনালোকে পূৰ্ণ সহায়-সহযোগিতাৰে বিগত বছৰটোত বিভিন্ন খেলত অংশ গ্ৰহণ কৰি যি পাৰদৰ্শিতা দেখুৱালে তাক নশলাগি নোৱাৰো।

মোৰ কাৰ্যকালৰ বিভিন্ন কাৰ্যসূচীত সকলো সময়তে সৰ্বান্তকৰণে অশেষ কষ্ট কৰি সহায় আগবঢ়োৱা ক্ৰীড়া সম্পাদিকা শ্ৰীভানু বুঢ়াগোঁহাইৰ প্ৰতি ধন্যবাদ যাচিছোঁ। কাৰ্যকালৰ শেষ পৰ্যন্ত প্ৰয়োজনীয় দিহা-পৰামৰ্শ আগবঢ়াই মোক সকলো কাৰ্যক্ষেত্ৰত উৎসাহিত কৰা বিভাগীয় উপদেষ্টা মাননীয় শ্ৰীযুত বিমল দত্ত দেৱৰ লগতে মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি আন আন শিক্ষা গুৰুসকলৰ প্ৰতি কৃতজ্ঞতা জনালো। অফিচৰ কৰ্মচাৰীসকলৰ লগতে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকল আৰু কলেজ কেন্টিনৰ কৰ্মচাৰীয়ে বিভিন্ন সময়ত যথাসাধ্যে আগবঢ়োৱা সহায়ৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশিলো।

লগতে মোৰ বান্ধবী ৰুমী, পূৰ্ণিমা, মনীষা, বুলবুলী, শ্যামলী, নিকু, উপমা আৰু ছাত্ৰী একতা সভাৰ সমূহ বিষয়ববীয়াসকলে যি সহায় আগবঢ়ালে তেওঁলোকলৈও এই প্ৰতিবেদনৰ দ্বাৰাই ধন্যবাদ জ্ঞাপন কৰিলো। কাৰ্য্যভাৰ পালনৰ সময়ত অজানিতে যদি কিবা ভুল কৰিছিলো তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো। শেষত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।



*মমী বৰুৱা*
*সহঃ সম্পাদিকা, ক্ৰীড়া বিভাগ*

# English Section

# A Study of the Marxian Theory of Surplus Value

✎ **Buddhin Misra**
*Deptt. of Economics*

The main object of writing this article is to provide an introduction to the Marxian Theory of Surplus Value. The origin, nature and distribution of surplus value play a crucial role in Marx's analysis. Marx elaborately discusses the theory of surplus value throughout the capital. Being limited in time and scope, we try to explain simply the main ingredients of the theory in this paper. Our discussion covers mainly product and commodity in Marxian terminology, emergence of surplus value, rate of surplus value, components of the value of a commodity and rate of profit. In the following pages we will try to explain all these terminologies in a systematic manner.

A product is consited of both the use-value and the exchange-value. It has use-value because it bears the power to satisfy some wants or need, either directly or indirectly. It has exchange-value, because it has the property of being exchangeable for other thingds. But while we call a product as commodity, it should posses some definite characteristics. A commodity is defined as something that which can be a subject of exchange for other commodities. It is clear from the defination itself that a commodity must have posses exchange-value, the existence of use-value in it does not come into consideration. To become a commodity, a product must pass by way of exchange into the hands of the other person. Exchange value is produced only in those societies where commodities are produced. Exchange value arises only in exchange. In fact commodities may possess use-value also, but it does not imply that as they possess use-value, they must have exchange-value also. Marx regards the analysis of use-value as lying outside the sphere of political economy becuase it involves a relationship between a consumer and an object of consumption. According to Marx, political economy properly involves only social relations. The study of use-value does not come within the province of political economy because they involve a relationship between a person and an object. But exchange-value between goods though they donot involve social relationship, are of particulars concern to the political economist because every exchange of commodity is also an exchange of labour. Marx thus conceives of the value problem as having a quantitative aspect as well as a quantitative one.

In Marxian analysis of surplus

value labour power -- the capacity of the worker to produce something, is considered as commodity. It satifies the conditions to become a commodity. The workers sell their labour power to the capitalist as commodity. It is essential to find out the value of the labour power as a commodity. The value of any commodity depends on the quantity of socially necessary labour embodied in it, that is, the labour time required to produce it under the normal conditions of production, and the average degree of skill and intensity prevalent at that time. Value of a commodity does not depend on the hours of actual work, but on the hours that are socially necessary.

The value of labour power is determined like any other commodity, by the labour time necessary for production and consequently also the production of this special article. The value of labour power is calculated in terms of labour time necessary for the production of his means of subsistance which are required for the maintenance of the worker and and the means for reproducing more workers for the labour's substitute i.e. his children. The means of subsistance must include the means of necessary for the labourer's substitutes in order that this race of peculiar commodity owner's may perpetuate its appearance in the market. The value of labour-power resolves itself in the value of a definite quantity of the means of subsistance. It therefore varies with the value of these means or with the quantity of labour requisite for their production. For educated skilled labour one must add the cost of education in terms of value of commodities. The expenses of education enter into the total value spent in its production. As values commodities are nothing but particular masses of congealed labour time.

